## Al-Habib

***Al -Habib -*** কি জানেনে?

ই এখন সৰু প্ৰচাৰ পুস্তিকা যাৰ অৰ্থ “**মহান বন্ধু**”। এই পুস্তিকাখনিয়ে আপোনাৰ সংগী বা বন্ধু হোৱাৰ কামনা কৰে। “মহান বন্ধু” বা “প্ৰকৃত বন্ধু” কোন এই বিষয়ে পুস্তিকাখনিত প্ৰতি তিনি মাহত বিভিন্ন লিখনি প্ৰকাশ পায়। ই সঁচাকৈয়ে আপোনাৰ প্ৰকৃত বন্ধু নহবনে? নিশ্চয় হব। কেনেকৈ ?

ক) আপুনি *Dar-Ul-Masih*’ৰ **Friendship Club** লৈ ৫০/ টকা মূল্যৰ যিকোনো নতুন ডাক টিকট পঠাই দিয়ক।

খ) ইয়াত প্ৰকাশ হবৰ বাবে আপোনাৰ সম্পূৰ্ণ নাম, ঠিকনা, বয়স, শিক্ষা আদি উল্লেখ কৰিব। আপোনাৰ প্ৰকৃত বন্ধু কোন -- এই বিষয়ে আপোনাৰ উত্তৰ বা ধাৰণা -- কবিতা আকাৰত লিখি পঠাওক। বিবেচিত হ'লে আমি নিশ্চয় প্ৰকাশ কৰিম।

গ) ইয়াত প্ৰকাশ হোৱা বিষয় বস্তুৰ ওপৰত মতামত দিব পাৰে। নাম, ঠিকনা থকা বিভিন্ন বন্ধু / বান্ধৱীৰ সৈতে চিঠিৰে সম্পৰ্ক স্থাপন কৰিব পাৰে।

ঘ) এই পুস্তিকাখনিৰ পৰাই আপোনাৰ জীৱনৰ প্ৰকৃত বন্ধু ৰূপে হজৰত ঈছা মছীহক আৱিস্কাৰ কৰিব পাৰে। সেয়েহে ***Al-Habib*** সঁচাকৈয়ে আপোনাৰ প্ৰকৃত বন্ধু। ইয়াক পাবলৈ আজিয়েই আমাৰ লগত যোগাযোগ কৰক।

**Friendship Club,**
**Post Box No. 234**
**Guwahati - 781001**



# জগতৰ পোহৰ

*ডঃ জৰ্জ ফৰ্ড*

**প্ৰকাশক**
*দ্বাৰ-উল-মছীহ*
ডাক বাকচ নং ঃ ২৩৪
গুৱাহাটী - ৭৮১০০১

# ।। জগতৰ পোহৰ।।

Assamese Translation of **"THE LIGHT OF THE WORLD"**, by George Ford a short hand book on what Jesus Christ is meant for the human being. It is translated from English to Assamese by Mr. Bijon Bormedhi, edited by Mr. Khursheed Alam and Published by *Dar-Ul-Masih*, Guwahati-1, Assam. Price Rs.15/ Only.

Manuscript Published By: The Good Way,
Rickon/ Switzerland.

প্ৰথম অসমীয়া প্ৰকাশ ঃ জুলাই/২০০৬

অনুবাদক ঃ শ্ৰীযুত বিজন বৰমেধি

অসমীয়া সংস্কৰণ ঃ ***দ্বাৰ-উল-মছীহ***
ডাক বাকচ নং ঃ ২৩৪
গুৱাহাটী - ৭৮১০০১

© প্ৰকাশকৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত।

**মূল্য ঃ** ১৫.০০ টকা মাত্ৰ।

1000 copies.

Printed at: **ComPress**, Ambari, Guwahati-1.

বিঃ দ্ৰঃ কোৰাণ শ্বৰীফৰ অসমীয়া উদ্ধৃতি সমূহ, "*অসমীয়া ইছলামী সাহিত্য প্ৰকাশন সমিতি, হেদায়েৎপুৰ, গুৱাহাটী - ৩*"ৰ পৰা প্ৰকাশিত, **অধ্যাপক ছৈয়দ ছামচুল হুদা, (এম. এ.)** অনুদিত "**কোৰাণ বোধ**"ৰ পৰা লোৱা হৈছে।





ৰঙ্গ-ৰসৰ সৈতে আল্লাহৰ ক্ৰোধৰ ভাগী হোৱাতকৈ এনে প্ৰেমৰ সহিত আল্লাহৰ সৈতে পৃথিৱীত নানান কষ্ট সহন কৰা অনেক উত্তম।

ঈমান হ'ল নাজাতৰ মূল প্ৰয়োজনীয় বিষয়। ই হৈছে আন্তৰিকতাৰে সৈতে আল্লাহৰ মহান দানবোৰ গ্ৰহণ কৰা। এই বিশ্বাসক এজোপা জীৱিত, ফলবান বৃক্ষৰ লগত তুলনা দিব পৰা যায়। বিশ্বাসৰ ফলবোৰ হ'ল ধাৰ্ম্মিকতাৰে পৰিপূৰ্ণ জীৱন-যাপন কৰা। যদি কোনোৱে সু-ফল ধাৰণ নকৰে, তেনেহ'লে তেনে বিশ্বাস প্ৰকৃত বা জীৱিত হ'ব নোৱাৰে। বিশ্বাসৰ দ্বাৰা উৎপন্ন নহ'লে কোনো ভাল কৰ্ম্মই ভাল হ'ব নোৱাৰে। এই কাৰণেই নাজাত কৰ্ম্ম নে ঈমানৰ ওপৰত প্ৰতিষ্ঠিত তাক গুৰুত্ব প্ৰদান কৰা হয়। এই বিষয়টোক কেন্দ্ৰ কৰি পৃথিৱীত বহু বাদ-বিবাদ, ভ্ৰান্তি আৰু নীতি নিৰ্দেশনাৰ সৃষ্টি হৈছে।

ভাল কৰ্ম্মক ভাল তেতিয়াহে বুলিব পাৰি যেতিয়া ভাল কামৰ লাভটো কৰোতাজনৰ বাবে নহৈ আনৰ বাবে হয়। কোনো এজনক পুন্যাত্মা তেতিয়ালৈকে বুলিব নোৱাৰি যেতিয়ালৈকে তেওঁ আনৰ লাভৰ বাবে ধাৰ্মিকতাৰ কাৰ্য্য নকৰে। তেওঁৰ কাৰ্য্য সত্যতা, দয়া, নম্ৰতা ধৈৰ্য্য, ক্ষমা, সহভাগিতা, দানশীলতা আদি গুণবিশিষ্ট হ'ব লাগিব। যিকোনোৱে এনে স্বভাৱবোৰক আওকান কৰে, তেওঁ নিজ আত্মাৰ নাজাতৰ বাবে ইচ্ছা কৰিবলৈও সমৰ্থ নহয়। লাগিলে তেওঁ যিমানেই ধৰ্ম্মীয় ৰাতি-নীতি, পূজা পাৰ্বন নকৰক।

যদিহে কিতাবুল মোদকাদ্দছৰ বিভিন্ন নবী-ৰছুলসকলে ইঞ্জিলৰ এই তত্বসমূহ সহনীয় আৰু পালনীয় বুলি সমাজৰ লোকলকলক গ্ৰহণ কৰিবলৈ প্ৰেৰণা দিয়ে, তেনেহ'লে বহুবোৰ পুৰণি বিভেদ নাইকীয়া হ'ব, বহুবোৰ কু-সংস্কাৰ আৰু ঘৃণাৰ অৱসান ঘটি তাৰ স্থানত একতা, প্ৰেম ও শান্তি বিৰাজ কৰিব।

কেৱল আল্লাহতহে এনে আশীৰ্ব্বাদ পূৰ্ণ আৰু গৌৰৱময় বিষয়ৰ সৰ্ব্ব সিদ্ধি লাভ কৰা যায়। তেওঁতেই আমি ভৰষা কৰো। সদা-সৰ্ব্বদায় তেওঁৰেই গৌৰৱ হওঁক, আমেন।

******

ক্ষমা পায়। তেওঁ মানুহৰ পৰা প্ৰশংসা বুটলিবলৈ বা নিজ কৰ্ম্মত উন্নতি সাধিবলৈ বা নৰকৰ ভয় আৰু বেহেস্তলাভৰ আশাত যে ধাৰ্ম্মিকতাৰ জীৱন যাপন কৰে এনে নহয়। এনে উদ্দেশ্যেৰে কৰা ধাৰ্ম্মিকতাই আল্লাহৰ সলনি নিজকহে ভজনাৰ পাত্ৰ কৰে। এনে ব্যক্তি প্ৰকৃততে আল্লাহ পৰায়ণ নহয়।

৪। প্ৰকৃত ধৰ্ম্মৰ মূল ভেটি আল্লাহে অনুগ্ৰহেৰে মানুহলৈ স্থাপন কৰে, মানুহে কৰিব নোৱাৰে। ধৰ্ম্মৰ আটাইতকৈ প্ৰয়োজনীয় বিষয়টো হৈছে, আল্লাহে তেওঁৰ অধিক প্ৰেমৰ গুণে মানুহলৈ কি দান আগবঢ়াইছে সেয়া উপলব্ধি কৰা। আল্লাহক সুখী কৰিবলৈ মানুহে কি প্ৰতিদান দিছে সেয়া গৌণ বিষয়হে। মানুহে আল্লাহৰ পৰা পোৱা দানৰ বাবেহে অন্তৰৰ গভীৰৰ পৰা আল্লাহলৈ উপহাৰ আনে।

উপৰোক্ত সত্যতাবোৰ এজন অনুগ্ৰহশীল ৰজাৰ, তেওঁৰ সন্তান বা পৰিচাৰক সকললৈ যি মৰম তাৰ প্ৰতিদান স্বৰূপে ৰজাৰ যোগ্য আৰধনা, তেওঁৰ মহানতাক স্বীকাৰ কৰাৰ প্ৰয়োজন আছে। ৰজাৰ বাবে কৰা কাৰ্য্যতকৈ তেওঁৰ যোগ্য আৰাধনা কৰাৰ গুৰুত্ব অধিক। কিয়নো অনুগ্ৰহ, কৰ্মতকৈ অধিক গুণে শ্ৰেষ্ঠ। এজন সৎ আৰু সন্মানীয় আল্লাহৰ পৰিচাৰক বা সন্তানে তেওঁ আল্লাহলৈ বা মানুহলৈ কৰা উত্তম কৰ্ম্মৰ কথা নকৈ তেওঁক অনুগ্ৰহ দান কৰোতা আল্লাহৰ মহা অনুগ্ৰহৰ কথাহে কয়। কাৰণ আল্লাহৰ অনুগ্ৰহে এই ক্ষণিক কাৰ্য্যবোৰতকৈ ক্ষয়নীয় মাংসিকতাক চেৰাই যায় যেনেকৈ অনন্ত আত্মাই এই মৰণশীল শৰীৰক চেৰাই যায়।

সেয়েহে ইঞ্জিলত আল্লাহৰ দানৰ বিষয়ে বাৰে বাৰে উল্লেখ আছে, যেনে —

“কাৰণ আল্লাহে জগতক ইমান মহব্বত কৰিলে যে, তেওঁ নিজৰ একমাত্ৰ (ৰূহানী) পুত্ৰক দান কৰিলে, যাতে যিকোনোৱে তেওঁত ঈমান আনে, তেওঁ নষ্ট নহয় কিন্তু বেহেস্তী জীৱন পায়।” (ইউহোন্না ৩:১৬)।

দয়া, ক্ষমা, অনুগ্ৰহ আৰু শান্তি এই সকলোৱেই প্ৰলোভন বা পৰীক্ষাৰ সন্মুখত আত্মিক শক্তি আৰু ইয়াৰ দৰে অন্যান্য শক্তিবোৰে কাৰ্য্যসাধন কৰি ধৰ্ম্মৰ মূল স্থাপন কৰে। এনেবোৰ আচঁৰিত দানৰ কথা সোঁৱৰণ কৰি আমি আল্লাহৰ সৈতে সন্তান সুলভ প্ৰেম অনুভব কৰো। পৃথিৱীৰ লাহ-বিলাহ,



# প্ৰকাশকৰ একাষাৰ

**‘জগতৰ পোহৰ’** কিতাবখন প্ৰথমে প্ৰকাশ কৰি ওলিয়াইছিল ‘দি গুড্ ওৱে’ নামৰ চুইজাৰলেণ্ডৰ এটি অনুষ্ঠানে। প্ৰথম ইংৰাজী সংস্কৰণ পঢ়িয়েই উপলব্ধি কৰিছিলো যে, এইখনে আমাৰ অসমীয়া পঢ়ুৱৈসকলোকো বৰকৈ উপকৃত কৰিব। ইছলামৰ এজন বিদগ্ধ পণ্ডিত জৰ্জ ফৰ্ড হ'ল এই কিতবখনৰ লেখক। এইখন অসমীয়াত প্ৰকাশ কৰাৰ মনোভাৱ বহু দিনৰ। বিভিন্ন কাৰণত ইমান দিনে হৈ নুঠা কাম খোদায় এইবাৰ সফল কৰাত মই নিজে সুখী। পঢ়ুৱৈসকলে এইখন পঢ়াৰ পাছত নিশ্চয় উপলব্ধি কৰিব যে আমাৰ নাজাত আচলতে কোনো ধৰ্মত নহয়, খোদাৰ মনোনীত এজন ৰছুল-হজৰত ঈছা মছীহতহে আছে। তেওঁকেই এই জগতৰ নূৰ বুলি লেখকে প্ৰতিপন্ন কৰিছে।

জৰ্জ ফৰ্ড চাহাবৰ কিতাবখনে আমাৰ মুছলমান ভাই-ভনীসকলৰ উপকাৰত আহিব বুলি আশা ৰাখিছো। আজি আমাৰ উঠি অহা বহুতো ভাই-ভনী ধৰ্মীয় দিশত দিগভ্ৰান্ত। ধৰ্মৰ শিক্ষাৰ লগত বাস্তৱৰ মিল নথকাত বহুতেই আজি ঈছা মছীহত আশ্ৰয় লৈ ব্যক্তিগত জীৱনৰ ‘নাজাত’ সুনিশ্চিত কৰিছে। প্ৰিয় পঢুৱৈ সকললৈ আমাৰ এইটোৱেই বিনম্ৰ অনুৰোধ ঃ আপোনালোকে মুকলিমুৰীয়াকৈ এইখন পঢ়ক আৰু ঈছা মছীহক গ্ৰহণ কৰি নাজাত সুনিশ্চিত কৰক।

এই কিতাপখন ইংৰাজীৰ পৰা অসমীয়ালৈ অনুবাদ কৰি দিয়াৰ বাবে শ্ৰীযুত বিজন বৰমেধিলৈ আন্তৰিক ধন্যবাদ জনাইছো। অসমীয়া সংস্কৰণত অজানিতে ৰৈ যোৱা ভুলৰ বাবে ৰাইজে ক্ষমা কৰে যেন। শেষত কওঁ, কিতাপখন পঢ়ি আপোনাৰ মনত উদয় হোৱা যিকোনো প্ৰশ্ন আমালৈ কৰিব পাৰে। মছীহি ঈমানৰ বিষয়ে অধিক জানিব খুজিলে আমি জনাবলৈ চেষ্টা কৰিম। কিতাপখন পঢ়ি আপোনালোকে উপকৃত হ'ব পাৰিলে আমাৰ পৰিশ্ৰম সাৰ্থক হোৱা বুলি ভাবিম। মহান খোদাৰ মহব্বত আৰু শান্তি, ঈছা মছীহৰ উপস্থিতি সকলো সময়তে আপোনালোকৰ লগত থাকক। খোদা হাফিজ।

প্ৰকাশকঃ [illegible], 26.07.2006

# সূচীপত্ৰ


| | |
|---|---|
| ১। জগতৰ পোহৰ- আৰম্ভণি | ৫ |
| ২। ঈছা মছীহ বেহেস্তৰ যোগ সূত্ৰ | ৩৮ |
| ৩। ঈছা মছীহৰে বিষয়ে কৰা ভৱিষ্যৎবাণী | ৪০ |
| ৪। কথা আৰু কাৰ্য্যত ঈছা মছীহৰ কৰ্তৃত্ব | ৪১ |
| ৫। প্ৰসংসাৰ যোগ্যতা | ৪৪ |
| ৬। তেওঁ আমাৰ লগত থকা | ৪৬ |
| ৭। তেওঁৰ মৃত্যু আৰু পুনৰুত্থান | ৪৭ |
| ৮। তেওঁৰ বেহেস্থীয় স্বভাব | ৫০ |




"ময়েই জগতৰ নূৰ" এইদৰে কৈ ঈছা মছীহে তেওঁৰ শিক্ষাৰ দ্বাৰাই মানুহৰ প্ৰতি থকা ভ্ৰান্তি দূৰ কৰি সত্যৰ মূল স্থাপন কৰিছে বুলি মছীহি সকলে বিশ্বাস কৰে।

এনে কিছুমান কথা হ'ল—

১। যি কোনো ধৰ্ম্মই হওঁক যিয়ে মানুহৰ অন্তৰ আৰু স্বভাবৰ কোনো সলনি নোহোৱাকৈ কেৱল মাথো ভক্তিভাবৰ দ্বাৰাই নাজাত ও শান্তি পাব পাৰি বুলি শিক্ষা দিয়ে সেই ধৰ্ম্ম সত্য ধৰ্ম্ম নহয়। ই এক ভ্ৰান্ত ধাৰণা। এনে বাহ্যিক ধৰ্মিকতা কেৱল মানুহৰ দৃষ্টিত ভাল লগাবলৈহে সমৰ্থ, যেন এডাল পুৰণি জৰীৰে পানীত পৰি মৰিব ধৰা এজনক উদ্ধাৰ কৰা চেষ্টাহে বা এটা উকা, খালি পাত্ৰ যিয়ে পিয়াহ বা ভোক গুচাব নোৱাৰে। এনে খালি পাত্ৰত কেতিয়াবা কেতিয়াবা বিষাক্ত কীট পতঙ্গইহে বাস কৰে। এনে পাত্ৰ থকাতকৈ নথকাহে উত্তম। এনে বাহ্যিক সাধুতা পাপহে।

২। যি ধৰ্ম্মৰ মানুহে বেহেস্থীয় আজ্ঞাবোৰ নামানি ধৰ্ম্মীয় গুৰুসকলৰ আদেশ বা শিক্ষা গ্ৰহণ কৰি চলে (আৰু ভাবে যে এনে কৰিলে আল্লাহ গুৰুৰে সুখী হ'ব) তেনেহ'লে সেই ধৰ্ম্ম অৰ্থহীন। এনে ধৰ্ম্মই ধৰ্ম্মৰ অধোগতিহে আনে। গুৰুসকলে ধৰ্মৰ নামত নানা পূজা পাৰ্বন, নিয়ন-নীতি পালন কৰিবলৈ দিয়াটো অনুচিত কাৰ্য্য। আল্লাহক সন্তুষ্ট কৰিবলৈ হ'লে আল্লাহ প্ৰদত্ত আদেশ মানি চলিব লাগিব। ধৰ্ম্মৰ নামত আল্লাহৰ আজ্ঞাৰ বাদে একোকে গ্ৰহণ কৰা নাযায়; কিয়নো ইয়াৰ বাদে সকলো অজ্ঞানতা ও প্ৰতাৰণাৰহে উৎস।

৩। যি ধৰ্ম্মই মানুহলৈ লক্ষ্য কৰি নহয় কিন্তু ইয়াক পালন কৰোতাৰ অন্তৰত আল্লাহৰ প্ৰতি থকা ভয়, ভক্তি, প্ৰেম ও বাধ্যতাৰ হেতু ধৰ্ম্মীয় কৰ্ত্তব্য পালন কৰে, সেয়াহে সত্য ও লাভদায়ক ধৰ্ম্ম। এনে মানুহৰ অন্তৰৰ গভীৰৰ পৰা আল্লাহৰ প্ৰেম আৰু অনুগ্ৰহৰ সচাঁ অনুভূতিৰ পৰা, আল্লাহলৈ ভক্তি উৎপন্ন কৰে। তেওঁ আল্লাহৰ ব্যৱস্থাবোৰ ধ্যান কৰি তাত আনন্দ পায় আৰু আল্লাহৰ গৌৰৱ কৰে। আল্লাহৰ ইচ্ছাৰ দৰেই এনে লোকে নম্ৰতাৰে নিজৰ পাপ ও দূৰ্বলতাবোৰ আল্লাহৰ সাক্ষাতে স্বীকাৰ কৰে যেন পাপৰ

পৰা প্ৰতিনিধিৰূপে মানুহক পাপ সাগৰৰ পৰা উদ্ধাৰ কৰিবলৈ অনন্ত কালৰ পৰা নিৰূপণ কৰিলে?

আল্লাহে নকৰক যেন আমি আলোচনা কৰি থাকোতেই নিজ ধৰ্ম্মক লৈ গৰ্ব্ব কৰিম। এনে কথা আমাৰ পৰা দূৰ হওঁক। আমাৰ হৃদয়ৰ গভীৰৰ পৰা এনে ইচ্ছা কৰো যেন মুছলমান ভাই সকলেও ঈছা মছীহৰ পৰা প্ৰবাহিত এনে আশীৰ্বাদৰ অধিকাৰী হওঁক। তেওঁ এক মহান নবীৰ মুখে কৈছিল, ''*হে তৃষ্ণাতুৰ লোকসকল, তোমালোক জলৰ ওচৰলৈ আহা।" (ইশায়া ৫৫:১)। তেওঁ নিজেও প্ৰতিজ্ঞা কৰি কৈছিল, "কিন্তু মই যি পানী দিম, তাক যিকোনোৱে পান কৰে, তেওঁৰ কেতিয়াও পিয়াহ নালাগিব; বৰং মই যি পানী তেওঁক দিম, সেই পানী তেওঁৰ ভিতৰত অনন্ত জীৱনলৈকে বুৰ বুৰাই ওলাই থকা পানীৰ ভুমুক হ'ব।*' (ইউহোন্না ৪:১৪)।

"কিয়নো মোৰ পিতৃৰ বাঞ্চা এই যে, যিকোনোৱে পুত্ৰক দেখি তেওঁত বিস্বাস কৰে, তেওঁ যেন অনন্ত জীবন পায়; আৰু শেষৰ দিনা মই তেওঁক তুলিম।" (ইউহোন্না ৬:৪০)।

ইঞ্জিলৰ পৰা জানিব পাৰি যে ঈছা মছীহৰ এনে অভিপ্ৰায় নাছিল যে তেওঁ এক ডাঙৰ দল গঠন কৰিব আৰু তেওঁলোকে তেওঁৰ নাম বহণ কৰিব। আনকি বহু সময়ত ঈছা মছীহে তেওঁৰ পাছত চলিবলৈ ইচ্ছা কৰা বহুতকে প্ৰত্যাখানহে কৰিছিল। তেওঁৰ প্ৰকৃত ইচ্ছা আছিল যেন বেহেস্থীয় জ্যোতি গোটেই পৃথিৱী নিবাসীলৈকে সম্প্ৰসাৰণ হয়। কেৱল কোনো গোট বা দলৰ বাবে নহয়।

ঈছা মছীহৰ পদাংক অনুসৰণ কৰা, তেওঁক অনুকৰণ কৰা প্ৰতিজন ব্যক্তিৰেই প্ৰধান উদ্দেশ্য থাকে যেন খোদাবন্দে যি নূৰ প্ৰকাশ কৰিলে তাক মানৱ জাতিক বিলাই দিব পাৰে। কেৱল পৰিসংখ্যাৰ ফালৰ পৰা কোনো এক বিশিষ্ট গোটৰ সংখ্যা বৃদ্ধিয়েই তেওঁৰ উদ্দেশ্য নহয়। কেৱল সংখ্যা বঢ়োৱাৰ উদ্দেশ্য থাকিলে নিশ্চয় বিৰূধ আৰু বিভেদ সৃষ্টি কৰিব। কিন্তু যদি ঈছা মছীহৰ প্ৰকৃত পোহৰ সকলো জাতি, দল-উপদলক বিলাই দিয়া হয় তেনেহ'লে তেওঁলোকৰ সত্যৰ অন্বেষণ কৰা তৃষ্ণাতুৰ প্ৰাণ জুৰ পৰিব।



# জগতৰ পোহৰ

সকলো বিজ্ঞ লোকেই বুজি পায় যে সামাজিক উন্নতি সাধিবলৈ হ'লে, সভ্যতাৰ ভেটি গঢ়িবলৈ হ'লে আৰু ধৰ্ম্মৰ প্ৰকৃত মৌলিকতা বিচাৰ কৰিবলৈ হ'লে সৰ্ব্বপ্ৰথমে কিহে সৰ্ব্ব ধৰ্ম্মীয় বিশ্বাসৰ একতা সাধন কৰে বা কিহে এই সকলৰ বিভাজন ঘটায় এই বিষয়ে ফঁহিয়াই চোঁৱাৰ প্ৰয়োজন আছে।

শাস্ত্ৰৰ লোক বুলি জনাজাত তিনিটা শ্ৰেণীৰ বাবে এক আল্লাহৰ বিশ্বাসত একতা লাভ কৰিব পৰাটোৱেই আটাইতকৈ প্ৰয়োজনীয় বিষয়। ইহুদী ও মছীহি সকলে যেনেকৈ সজোৰে ইয়াক দাবী কৰে তেনেদৰে মুছলিম সকলেও কৰে। কিন্তু প্ৰথম দুই শ্ৰেণীয়ে মুছলিম সকলেও যে এই বুনিয়াদী আৰু প্ৰয়োজনীয় মূল বিষয়টো অতি গুৰুত্ব সহকাৰে লয় তাক মানি ল'ব নিবিচাৰে। এই ভাবধাৰাই অদূৰ ভৱিষ্যতে বহুত্ববাদ বা মূৰ্ত্তি পূজালৈ ভুল ধাৰণাৰ সৃষ্টি কৰিব।

এজন প্ৰকৃত মছীহিলোকে, হজৰত মহম্মদ (ছাঃ) এজন আল্লাহ প্ৰেৰিত ভাববাদী বুলি দাবী কৰা ইছলামৰ এই দ্বিতীয় কলিমা গ্ৰহণ নকৰে। কিন্তু মুছলমান সকলৰ বিশ্বাসৰ প্ৰথম ভাগ, যেনে, "আল্লাহৰ বাদে আন কোনো আল্লাহ নাই" ইয়াক সৰ্ব্বান্ত কৰণেৰে মানি লয়। বহু আল্লাহবাদক আতঁৰত ৰাখিবলৈ যি কোনো সুস্থ প্ৰয়াসক সমৰ্থন জনাবলৈ মছীহি সকল উদ্যোগী।

এই "শাস্ত্ৰৰ লোকসকলক বা কিতাবীসকলক" একত্ৰিত কৰণৰ দ্বিতীয় প্ৰধান বিষয়টোৰ প্ৰতি এতিয়ালৈকে বিশেষ মনোযোগ দিয়া হোৱা নাই। এই বিষয়টো হৈছে ঈছা মছীহ, যাক 'ঈছা ইবনে মৰিয়ম' বা মৰিয়মৰ পুত্ৰ বোলা যায়, তেওঁৰ উপদেশ ও শিক্ষা। সেই বাবেই আমি ঈছাৰ গৌৰৱপূৰ্ণ নানান বিষয় সকল মুকলিকৈ আৰু গুৰুত্ব সহকাৰে ধাৰ্ম্মিকতাৰ প্ৰতি আগ্ৰহী মুছলিম সকলৰ লগত আলোচনা কৰিব বিচাৰো।

এয়ে গ্ৰহণযোগ্য যে যিকোনো বিষয় প্ৰমাণ আৰু পৰীক্ষাৰ দ্বাৰাই প্ৰতিপন্ন

কৰা যায়। যেতিয়াই মূল তত্ব স-প্ৰমাণিত হয় আৰু গ্ৰহণ কৰা যায় তেতিয়াই সকলো পক্ষৰ মাজত সমতা ও শান্তি স্থাপন হয়। মতবাদত ভাগলোৱা সকলৰ মাজত আশা কৰা লক্ষ্যত উপনীত হোৱাত সহায়ক হয়।

আমি বিশ্বাস কৰোঁ আজিৰ এই অধ্যয়নে কেৱল যে মুছলমান সকলৰ মনত ঈছা মছীহৰ প্ৰতি থকা ভুল ধাৰণা হ্ৰাস কৰিব এনে নহয়, কিন্তু ইয়াক সবলীকৰণৰ দ্বাৰাই তেওঁসকলৰ বিৰূপ ভাব সম্পূৰ্ণৰূপে দূৰ কৰিব পৰা যাব।

ঈছা মছীহে এবাৰ ইহুদী সকলৰ লগত তৰ্ক বিতৰ্কত ভাগ লঁওতে কৈছিল “ময়েই জগতৰ পোহৰ”। আমি সেই ঈছা মছীহৰেই সন্দৰ্ভত আলোচনা কৰিম। ঈছা মছীহ, ব্যক্তিজন যে ‘কিতাবী সকল’ৰ মাজত একতাৰ দ্বিতীয় সূত্ৰ তাক তেওঁলোকে তেওঁৰ প্ৰতি জনোৱা সন্মানেই প্ৰতিপন্ন কৰে। অন্য কোনো ভাৱবাদীৰ বিষয়ে মানব বুৰঞ্জীত এনে হোৱা নাছিল। এই শ্ৰেণীবোৰৰ জনসংখ্যা পৃথিৱীৰ মুঠ জনসংখ্যাৰ আধা ভাগ। এই আধা অংশই সকলো দিশতেই আগবঢ়া আৰু উন্নত।

ইহুদীসকলৰ কাৰণে ঈছা মছীহই (যাৰ আগমণৰ বাবে তেওঁবিলাকে এতিয়াও আগ্ৰহেৰে বাট চাই আছে) তেওঁলোকৰ অন্যান্য ভাৱবাদী সকলতকৈ অতি উচ্চ মৰ্যদাপূৰ্ণ। তেওঁলোকৰ তৌৰাতৰ পৰা পোৱা অধ্যায়নত এই বিষয়ে পোৱা যায়। তাৰে পৰাই তলত উল্লেখ কৰা হ’ল।

“কিয়নো আমালৈ এটি ল’ৰা জন্মিল, আমাক এটি পুত্ৰ দান কৰা হ’ল, তেওঁৰ কান্ধত শাসন ভাৰ অৰ্পিত কৰা হ’ল, আৰু তেওঁ আশ্চৰ্য্য, মন্ত্ৰী, পৰাক্ৰমী ইলাহ, অনন্ত কালস্থায়ী পিতৃ আৰু শান্তি ৰাজ নামেৰে প্ৰখ্যাত হ’ব। এতিয়াৰ পৰা চিৰকাললৈকে সুবিচাৰ....তেওঁৰ ৰাজ্য শাসন আৰু শান্তি বৃদ্ধিৰ শেষ নহব.....” (কিতাবুল মোকাদ্দাছ , ইশ্বায়া ৯:৬-৭ আয়াত)।

মছীহি সকলৰ তেওঁৰ প্ৰতি থকা শ্ৰদ্ধা কেৱল যে প্ৰবল এনে নহয় কিন্তু তেওঁলোকৰ এইজনা ভাৱবাদীৰ প্ৰতি ভক্তি ও অনুগত্য অতি বিৰল। তেওঁলোকে তৌৰাতত ইহুদীসকলৰ বাবে প্ৰতিজ্ঞা কৰা যি মছীহ সেই জনা এই জনাই বুলি বিশ্বাস কৰি গ্ৰহণ কৰি আহিছে। বিশ্বাস কৰে যে তেওঁৱেই আল্লাহ প্ৰদত্ত একজাত পুত্ৰ। এই বিষয়টো ইঞ্জিলত থকা চাহাবীসকলৰ





পৰাই, এই জগত নিৰ্মাণৰ পূৰ্বৰে পৰা বিৰাজমান। তেওঁৰ আগমণৰ নবুৱতী অসংখ্য, সৰল আৰু সদা-বিৰৰাজমান। তেওঁ নিজ কালাম আৰু কৰ্ম্মত বেহেস্থীয় ক্ষমতাসম্পন্ন। তেওঁ যেনে সন্মান ও সেৱা পোৱাৰ যোগ্য তাক পোৱাৰ যোগ্যতা মানুহৰ মাজত কাৰো নাই। হ’লে ই এক অনিয়ম হ’ব। কিয়নো কেবল তেওঁহে ধাৰ্মিক, আন কোনো নাই। সকলো সময়তে, সকলো ঠাইতে তেওঁ তেওঁৰ লোকসকলৰ সৈতে নিবাস কৰে বুলি তেওঁ কৈছে, যি কথা কোনো সৃষ্ট জীবই কব নোৱাৰে। তেওঁ মানুহৰ পাপমোচনৰ বাবে নিজকে মৃত্যুলৈকে কোৰবাণী দি পুনৰাই গৌৰবেৰে উঠিল, যাতে তেওঁৰ মৃত্যু সাৰ্থক হয়। এই সকলোবোৰ নমুনাৰ দ্বাৰাই তেওঁ নিজৰ বেহেস্থীয় স্বভাবৰ কথা প্ৰকাশ কৰিলে। তেওঁ মৰিয়মৰ গৰ্ভত জন্মগ্ৰহণ কৰি মানবৰূপলৈ বেহেস্থীয় বিষয়সকল প্ৰকাশ কৰিলে।

চন্দ্ৰৰ পোহৰ সূৰ্য্যৰ পোহৰৰ প্ৰতি ফলনহে। গধুলি যেতিয়া চন্দ্ৰই আকাশত দেখা দিয়ে, ইয়াৰ পোহৰে যেন কয় ঐশ্বৰ্য্যময় সূৰ্য্যৰ আগমণ সমাগত। ইহুদী সকলৰ বাবে এটি উজ্জল পোহৰে আগতীয়াকৈ, ঈছা মছীহৰ জন্মৰ পূৰ্ব্বেই, ঈছা মছীহৰ প্ৰতিফলন গ্ৰহণ কৰি উজ্জলি উঠিছিল। ঈছা মছীহৰ যি মহৎ জ্যোতি, সেয়া এই পৃথিৱীত মানুহজাতি থকালৈকে বিয়পি যাব।

এতিয়া আমি জানিছো যে যিজনে নিজ হাতে এই সাতোটা তৰা ধাৰণ কৰে, তেৱেঁইহে ইহুদী আৰু মছীহিসকলৰ শ্বৰীয়তৰ সাৰ আৰু তেৱেঁইহে ধৰ্ম্মগুৰু। তেওঁৰ শ্ৰেষ্ঠতা আদমৰ দিনৰ পৰা এতিয়ালৈকে বিদ্যমান।

চিন্তাশীল কোনো ব্যি ক্তয়ে নিশ্চয় প্ৰশ্ন কৰিব যে আটাই মানব জাতিৰ মাজত,

১। ঈছা মছীহহে যে সাতোটা প্ৰধান গুণ ধাৰণ কৰি আছে তাৰ তাৎপৰ্য্যনো কি?

২। ইয়াৰ অৰ্থ এনে নহয়নে যে তেওঁৰ শ্ৰেষ্ঠতা পৃথিবী শেষ নহয়মানে সৰ্বকালৰ বাবে অব্যাহত থাকিব?

৩। ইঞ্জিলে জানো ইয়াকে নকয় যে কেৱল তেওঁকেইহে আল্লাহে তেওঁৰ

কিতাবুল মোকাদ্দছ যেতিয়া সত্য আৰু খোদাবন্দ ঈছা মছীহ সত্য, তেতিয়া হ'লে যিকোনোৱে এই ধৰ্মীয় ব্যৱস্থাক অস্বীকাৰ কৰে তেওঁলোক বিপদৰ সন্মুখীন হয়। কিয়নো অস্বীকাৰ কৰাৰ দ্বাৰাই তেওঁলোকে মছীহক নবী-ৰছুলসকলৰ মাজৰ পৰা নিশ্চিন্ন কৰে, আনকি তেওঁক যুগৰ মহৎলোক সকলৰ পৰাও উচ্ছেদ কৰি, ইহুদীবিলাকে কোৱাৰ দৰে মিছলীয়া, আল্লাহৰ নিন্দক আৰু ঠগ বুলি গণ্য কৰে। যদি এয়ে হয়, তেনেহ'লে তেওঁৰ শ্বৰীয়ত অনুসাৰে তেওঁ মৃত্যু দণ্ড পোৱাৰ যোগ্য। সৎ মনোভাবাপন্ন সকলো লোকেই, যি জাতিৰেই নহওঁক কিয়, এনে প্ৰস্তাবৰ প্ৰতি সমৰ্থন নিদিব। ঈছা মছীহৰ বেহেস্তীয় প্ৰভাযুক্ত তৰাৰ উজ্বল পোহৰে পূৰ্ব্বে উল্লেখ কৰা সকলোবোৰ তৰাক পোহৰাব আৰু ইয়াৰ পৰাই সেইবিলাকে পোহৰ আহৰণ কৰিব। এই তৰাৰ পৰাই সম্পূৰ্ণতাৰ নূৰ চৌদিশে বিয়পি যায়।

হয়তো বহুলোকেই ধাৰ্ম্মিকতা আৰু শুদ্ধতাৰে জীৱন যাপন কৰে, কিন্তু তেওঁলোকক সিদ্ধ বুলিব পৰা নাযায়, কিয়নো আল্লাহত বাদে কোনো সিদ্ধ নাই। কিন্তু ঈছা মছীহত যি সিদ্ধতা তাক বেহেস্তীয় স্বভাবৰ দ্বাৰাই নিৰ্ণয় কৰা হ'ল আৰু আল্লাহৰ সিদ্ধতাৰ বিষয়ে অস্বীকাৰ নকৰে। চাহাবা পৌলে কোৱাৰ দৰে, *"ভক্তিৰ নিগূঢ় তত্ব, নিসংশয়ৰূপে মহান, তেওঁক মাংসত প্ৰকাশ কৰা হ'ল, আত্মাত ধাৰ্ম্মিক বুলি গণিত কৰা হ'ল, ফিৰিস্তা সকলৰ দ্বাৰাই দেখা পোৱা গ'ল, পৰজাতি সকলৰ আগত ঘোষণা কৰা হ'ল, জগতত বিশ্বাস কৰা হ'ল, প্ৰতাপত তুলি নিয়া হ'ল।'* (১ম তীমথি ৩:১৬)।

ঈছা মছীহৰ বেহেস্তীয় স্বভাৱ আৰু আন ছয়টি তৰাৰ মাজত সমিল মিল এক মহৎ প্ৰকাশ। তেওঁ বেহেস্তৰ পৰা নামি অহা, তেওঁৰ আগমণৰ নবুৱতী, তেওঁৰ সৰ্ব্বময় কৰ্ত্তৃত্ব, তেওঁৰ স্তুতি প্ৰশংসা পাবৰ যোগ্যতা আৰু তেওঁৰ আত্মবলিদান ও পুনৰুত্থান এই সকলোৱে তেওঁক যে কাৰো লগত তুলনা কৰিব নোৱাৰি আৰু সকলো মানবীয় স্তৰতকৈ যে তেওঁ উৰ্দ্ধত বসতি কৰে তাক প্ৰমাণ কৰে। বেহেস্তীয় মহিমাৰে মহিমামণ্ডিত এই তৰা কেবল ঈছা মছীহৰ সোঁহাতেহে ধাৰণ কৰে।

এই সাতোটা তৰাই আমাক শিকায় যে ঈছা মছীহ সেই অনাদি কালৰ





বৰ্ণনাত স-প্ৰমাণিত কৰে। কিন্তু ইয়াত, দৈৱশক্তিৰ প্ৰভাৱ আৰু কিছুমান আচহুৱা বিষয়ক কথাৰ উল্লেখ থকাত অ-মছীহি সকলক বৰ বিপাঙত পেলায়। তাৰে পৰা কিছুমান তলত উল্লেখ কৰিলো।

"*আদিতে কালাম আছিল, আৰু কালাম আল্লাহৰ সৈতে আছিল আৰু কালামেই আল্লাহ। তেওঁ আদিতে আল্লাহৰ সৈতে আছিল। তেওঁৰ দ্বাৰায় সকলোৱেই হ'ল; আৰু যি যি হ'ল, সেইবোৰৰ এটাও তেওঁৰ বিনে নহ'ল। জীৱন তেওঁতেহে ; সেই জীৱনেই মানুহৰ পোহৰ। সেই পোহৰ আন্ধাৰত প্ৰকাশিত হৈ আছে ; কিন্তু আন্ধাৰে তাক পৰাভূত নকৰিলে*" (ইঞ্জিল শ্বৰীফ, ইউহোন্না ১:১-৮ আয়াত)।

"*আটাই মানুহক পোহৰ দিওঁতা প্ৰকৃত পোহৰ জগতলৈ আহি আছিল*" (ইঞ্জিল শ্বৰীফ, ইউহোন্না ১:৯ আয়াত)। "*সেই কালাম মাংল হ'ল আৰু অনুগ্ৰহ আৰু সত্যতাৰে পৰিপূৰ্ণ হৈ আমাৰ মাজত বসতি কৰিলে ; তাতে পিতৃৰ একমাত্ৰ পুত্ৰৰ উপযুক্ত যি প্ৰভাব, সেই প্ৰভাব আমি দেখিলো*" (ইঞ্জিল শ্বৰীফ, ইউহোন্না ১:১৪ আয়াত)।

"*সেই শক্তিৰেই তেওঁ মৃতসকলৰ মাজৰ পৰা তেওঁক তুলি আৰু স্বৰ্গীয় ঠাইত নিজৰ সোঁহাতে বহুৱাই, সকলো আধিপত্য, ক্ষমতা, পৰাক্ৰম আৰু প্ৰভূত্ব আদি কৰি যিমান নাম ইহকাল আৰু পৰকালত উল্লেখ কৰা যায়, সেই সকলোৰে ওপৰৰো ওপৰ কৰিলে ; আৰু সকলোকে তেওঁৰ চৰণৰ তলত বশীভূত কৰিলে আৰু তেওঁকেই সকলোৰে মূৰ কৰি, মণ্ডলীক দান কৰিলে*" ((ইঞ্জিল শ্বৰীফ, ইফিচীয়া ১:২০-২১ আয়াত)। "*আৰু ঈছা মছীহ যে প্ৰভূ, ইয়াক যেন পিতৃ আল্লাহৰ গৌৰবৰ অৰ্থে সকলো জিভাই স্বীকাৰ কৰে, এই কাৰণে  আল্লাহে তেওঁক অতি ওখ পদ দিলে আৰু সকলো নামতকৈ সেই শ্ৰেষ্ঠ নাম তেওঁক দান কৰিলে*' ((ইঞ্জিল শ্বৰীফ, ফিলিপীয়া ২:১০-১১আয়াত)।

ইয়াৰ পাছত আমি যেতিয়া ইছলামৰ ধৰ্মগ্ৰন্থ (কোৰাণ শ্বৰীফ) অধ্যয়ন কৰো তেতিয়া দেখিম যে এই ধৰ্মগ্ৰন্থত মৰিয়ম পুত্ৰ ঈছা মছীহক, হজৰত মহম্মদ (ছাঃ)ৰ পৰা আৰম্ভ কৰি সকলো নবী-ৰছুলত কৈ অতি উচ্চ স্থানত ৰাখিছে। এনে কিছুমান আয়াত দিয়া হ'ল।

*“মৰিয়ম পুত্ৰ ঈছা মছীহ মাথোন আল্লাহৰ ৰছুলহে আছিল আৰু মৰিয়মৰ প্ৰতি পঠোৱা আল্লাহৰ এটি দৈৱবাণী আৰু তেওঁৰ আদিষ্ট আত্মা আছিল (যিটোৱে মৰিয়মৰ গৰ্ভত সন্তানৰ ৰূপ ললে’*(ছুৰা আন-নিছা ৪:১৭১আয়াত)। *“...যেতিয়া ফিৰিস্তাসকলে কৈছিল--হে মৰিয়ম, আল্লাহে তোমাক তেওঁৰ এটি বাণীৰ সুসংবাদ দিছে, তেওঁৰ নাম হ’ব মৰিয়ম পুত্ৰ ঈছা মছীহ, ইহকাল আৰু পৰকাল উভয় কালতে তেওঁ মৰ্যাদাসম্পন্ন হ’ব আৰু আল্লাহৰ নৈকট্য প্ৰাপ্তসকলৰ এগৰাকী হ’ব’* (ছুৰা আলে-ইমৰাণ ৩:৪৫আয়াত)। *“এওঁৱেঁই হ’ল মৰিয়ম পুত্ৰ ঈছা। (এওঁৰ বিষয়ে) এয়াই হ’ল সত্য কথা বা কালাম’* (ছুৰা মৰ্য়ম ১৯:৩৫আয়াত)। *“..... এওঁলোকৰ পিছত মৰিয়ম তনয় ঈছাকো প্ৰেৰণ কৰিছিলো আৰু তেওঁক ঈঞ্জিল দান কৰিছিলো। যিসকলে তেওঁক মানি চলিলে তেওঁলোকৰ অন্তৰত আমি দয়া-মমতা আৰু মৰম-স্নেহ সঞ্চাৰ কৰি দিলো আৰু বৈৰাগ্যবাদ সিহঁতে নিজেই উদ্ভাৱন কৰি লৈছে। সেয়া আমি সিহঁতৰ প্ৰতি বাধ্যতামুলক কৰি দিয়া নাছিলো .....”* (ছুৰা আল হাদীদ ৫৭:২৭আয়াত)। *“...... তেওঁক ঈঞ্জিল দান কৰিছিলো যত সৎ পথৰ নিৰ্দেশ আৰু জ্যোতি আছিল, যিজনে পুৰ্বে পঠোৱা তওঁৰাতৰ সত্যতাৰ প্ৰমাণ দিয়ে আৰু খোদা ভীৰু মানুহক সৎ পথৰ নিৰ্দেশনা কৰে আৰু সদুপদেশ দিয়ে”* (ছুৰা আল মায়িদা ৫:৪৬ আয়াত)। *“যেতিয়া আল্লাহে কব- ‘হে মৰিয়ম পুত্ৰ ঈছা, মই তোমাক আৰু তোমাৰ মাতৃক যি অনুগ্ৰহ কৰিছিলো সেয়া মনত পেলোৱা, পবিত্ৰ আত্মাৰে তোমাক শক্তিমান কৰিছিলো...তুমি জন্মান্ধ আৰু কুষ্ঠৰোগীক মোৰ অনুমতিতেই নিৰাময় কৰিছিলা আৰু মোৰ অনুমতিতেই তুমি মৃতকক জীৱিত অৱস্থালৈ আনিছিলা...”* (ছুৰা আল-মায়িদা ৫:১১০আয়াত)।

ওপৰোক্ত পদবোৰৰ বাদেও অন্যান্য প্ৰমাণবোৰ আছে যিবিলাকে মুছলিম সকলৰ মাজত ঈছা মছীহৰ স্থানৰ সম্বন্ধে যুক্তি দৰ্শায়। এই উদ্ধৃতিবোৰ আমি মুছলিমসকলৰ, বিশেষকৈ ভাৰতৰ মুছলিমসকলৰ অতি সন্মানৰ, পৱিত্ৰ গ্ৰন্থ “মিচকাট-অল-মুছাব্বিহ’ৰ পৰা লৈছো। এই গ্ৰন্থখনত, ক্বিয়ামতৰ আগমনৰ সময়ত বিশ্বাসী সকলৰ প্ৰস্তুতিৰ বিষয়ে উল্লেখ কৰি আদমৰ পৰা আদি কৰি সকলো নবী-ৰছুলৰ পাপমোচনৰ বাবে কৰা মোনাজাতৰ কথা উল্লেখ কৰিছে। ইয়াত বৰ্ণনা কৰাৰ দ্বাৰাই সকলো নবী-ৰছুল তেওঁলোকৰ অযোগ্যতাৰ





বা জাতিৰ আল্লাহ নহয়, তেনেদৰেই তেৰেইহে আল্লাহৰ একমাত্ৰ পুত্ৰ হয়। মুছলমানসকলক বাদ দি তেওঁ কেৱল মছীহি সকলৰহে নাজাতদাতা এনে নহয়। ঈছা মছীহ কেবল মছীহি সকলৰ বাবেহে বুলি জ্ঞান কৰাটো এক অতি ভূল ধাৰণা। তেওঁলোকে ইঞ্জিল শুদ্ধকৈ অধ্যয়ন নকৰাৰ বাবেই তেওঁলোকৰ ব্যৱহাৰ আৰু শিক্ষাত ক্ষতি সাধন হৈছে। মৰিয়ম পুত্ৰ ঈছা মছীহ সকলো যুগৰ, সকলো কালৰ আৰু সকলো ঠাইৰ মানৱ জাতিৰেই নাজাতদাতা। জাতি বৰ্ণ নিৰ্বিশেষে ঈছা মছীহে জগতৰ সকলোলৈকে আহ্বান জনাইছে। এই সকলো বিষয়ে ইঞ্জিলত ব্যাখ্যা কৰা আছে।

মানুহে সৃষ্টি কৰা যিকোনো পোহৰৰ উৎসই কেৱল কোনো এক স্থানতহে পোহৰ দিব পাৰেষ কিন্তু আল্লাহৰ সৃষ্টিত যি পোহৰ আমি পাওঁ সি গোটেই পৃথিবীকে পোহৰাই তোলে। সেইদৰে আল্লাহত উৎপত্তি যি ধৰ্ম্ম আৰু মানুহে সৃষ্টি কৰা ধৰ্ম্ম, তাত প্ৰভেদ আছে। আল্লাহে সৃষ্টি কৰা ধৰ্ম্মই গোটেই পৃথিৱী আৰু ইয়াৰ আটাই মানুহ জাতিক সামৰি লয়। ইয়াৰ কোনো পৰিধি নাই বা ইয়াৰ ওপৰত কাৰো কোনো আধিপত্য নাখাটে। সেয়েহে ঈছা মছীহ সকলো মানব জাতিৰ বাবেই নাজাতাদাতা। তৌৰাত আৰু ইঞ্জিলৰে গঠিত কিতাবুল মোকাদ্দছে, কোনো প্ৰভেদ নাৰাখি সকলো মানব জাতিলৈ আল্লাহৰ বাৰ্ত্তা কঢ়িয়াই আনিছে। এই সত্য যিমানেই উল্লেখ কৰা নাযাওক কিয় ইয়াৰ গুৰুত্বক হ্ৰাস কৰিব পৰা নাযায়।

সভ্য সমাজত কোনো এজনক তেতিয়ালৈকে দোষী ঘোষণা কৰা নাযায়, যেতিয়ালৈকে তেওঁক দোষী বুলি প্ৰমাণ কৰা নহয়। বিশেষকৈ যেতিয়া সেই লোকজনৰ পূৰ্ব্বৰ তেনে কোনো বেয়া কামৰ লগত সম্বন্ধ থকাৰ উদাহৰণ নাথাকে বা চৰিত্ৰৰ দোষ নাথাকে। সেইদৰে যেতিয়ালৈকে ইঞ্জিলক ইয়াৰ শুদ্ধতা আৰু সত্যতাৰ বিপৰীতে কোনো কথাৰ প্ৰমাণ দিব পৰা নাযায়, তেতিয়ালৈকে ইঞ্জিলক সত্য আৰু শুদ্ধ বুলি মানিব লাগিব। বিষেকৈ মানব সমাজে ইঞ্জিল প্ৰথম লিখাৰ দিনৰে পৰা যেনেদৰে উপকৃত হৈছে তাক উলাই কৰিব নোৱাৰি। এই ইঞ্জিল আজিও পৃথিৱীৰ অনেক লোকৰ বাবেই আশাৰ স্থল হৈ আহিছে।

কব পাৰি যে তেওঁলোকৰ এক অমৰ আত্মা আছে আৰু ই সদায় জীয়াই থাকে। সেয়ে দুয়োটা উক্তিয়েই সত্য। এই দুই বিপৰীত ধৰ্ম্মী উক্তিয়ে বাৰু এজন মানুহৰ মাজত অন্তৰ্নিহিত হৈ থকা একতাৰ কথা অস্বীকাৰ কৰিব নে?

জবুৰৰ শ্বৰীফত দায়ুদে কৈছে *"হে মোৰ মন, খোদাবন্দৰ ধন্যবাদ কৰা আৰু তেওঁৰ সকলো উপকাৰ নাপাহৰিবা।"* (জবুৰৰ ১০৩:৫)। ইয়াতে আমি এজনত দুজনক দেখিছো। একে জনেই বক্তাও হৈছে আৰু শ্ৰোতাও হৈছে। একেজনেই নিৰ্দ্দেশ দিছে আৰু একেজনেই নিৰ্দ্দেশ গ্ৰহণও কৰিছে। মানুহৰ বিশ্লেষণত বা বিচাৰত বেলেগ বেলেগ ব্যক্তিৰ দৰে যেন লাগে, কিন্তু শুদ্ধ বিচাৰ আৰু অভিজ্ঞতাৰ পৰা জানো যে দুয়োজনেই প্ৰকৃততে একে জনেইহে।

এই উদাহৰণ প্ৰমাণ হিচাপে দিয়া হোৱা নাই যে আল্লাহত পিতৃ-পুত্ৰ, পাক ৰূহ তিনিজন ব্যক্তি বিৰাজমান বা ঈছা মছীহ যে একে সময়তে সম্পূৰ্ণ মানুহৰ স্বভাব আৰু একে সময়তে সম্পূৰ্ণ বেহেস্থীয় স্বভাৱৰ অধিকাৰী। ইয়াকেহে বুজাবলৈ চেষ্টা কৰা হৈছে যেন আমি জানো যে মানুহৰ দুটা স্বভাব থাকে আৰু মানুহৰ এই দুই স্বভাবে নুবুজায় যে একেজন ব্যক্তি দুজন, কিন্তু এজনহে। সেই কাৰণে ঈছা মছীহত দুটা ব্যক্তিত্বৰ বিৰাজমানৰ বিষয়টো গ্ৰহণযোগ্য হোৱা উচিত। আল্লাহৰ সৈতে ঈছা মছীহ যে এক তাক তৌৰাতত উল্লেখ কৰাৰ দৰে, আল্লাহে মানুহক তেওঁৰ নিজ প্ৰতিমূৰ্ত্তিৰে নিৰ্মাণ কৰিলে।

মুছলমানসকলে এক ভুল ধাৰণা পোষণ কৰে যে মছীহিসকলে আল্লাহৰ লগত, সমানে আন সকলোকো স্থান দিয়ে। এক আল্লাহ ধৰ্ম্মৰ মূল ভিত্তি। ত্ৰি-ব্যক্তি সম্পন্ন যি ধৰ্মীয় তত্ব যেনে ঈছা মছীহ আল্লাহৰ পুত্ৰ হোৱাটোৱে এক আল্লাহৰ তত্ব ভঙ্গ নকৰে। ইহুদী ও মছীহিসকলে মানি চলা আল্লাহ প্ৰদত্ত দহ আজ্ঞাৰ প্ৰথম আৰু গুৰুত্বপূৰ্ণ আজ্ঞাটোৱেই হ'ল, "তোমাৰ আল্লাহ মাবুদময়েই। মোৰ আগত তোমাৰ আন কোনো ইলা নাথাকক।" (হিজৰত ২০:২,৩)।

যিদৰে আল্লাহ সকলো মানব জাতিৰ বাবেহে, কোনো বিশেষ দল, বৰ্ণ





বিষয়ে অনুতাপ কৰিছে। ইহুদীসকলৰ সময়ৰ পাপবোৰৰ দ্বাৰাই তেওঁলোক ভাৰাক্ৰান্ত। যেতিয়া তেওঁবিলাকে মোচিৰ বিষয়ে লেখিছে, তেতিয়া লেখিছে যে মুচা নবীয়ে তেওঁৰ দুৰ্ব্বলতাবোৰ স্বীকাৰ কৰি কৈছে, "তোমালোকে ঈছা মছীহৰ ওচৰলৈ যোৱা, তেওঁহে আল্লাহৰ কাৰ্য্যকৰী, আল্লাহৰ শিষ্য, আল্লাহৰ আত্মা ও আল্লাহৰ কালাম।" ঈছা মছীহে কেতিয়াও পাপৰ ক্ষমা খুজিব লগা হোৱা নাছিল, কিয়নো তেওঁ কেতিয়াও পাপ কৰা নাই। মুচা নবীয়ে কৈছে "তোমালোকে মহম্মদ বিন আব্দুল্লাহৰ ওচৰলৈ যোৱা, তেওঁকেই আল্লাওে প্ৰথম আৰু শেষ ক্ষমা দিলে।" মিচকাট-অল-মুছাব্বিহ ২৩:১২)।

মুছলমানসকলে স্বীকাৰ কৰে যে একমাত্ৰ মৰিয়মৰ পুত্ৰ ঈছা মছীহহে কুমাৰীৰ গৰ্ভত জন্ম হৈছিল আৰু মৃত্যুৱে তেওঁক পৰাভূত কৰিব নোৱাৰিলে। পৃথিৱীত তেওঁৰ কোনো কবৰ নাই। "শাস্ত্ৰৰ সকলোলোকে", ঈছা মছীহক দিয়া উচ্চ স্থানৰ দ্বাৰাই এক সহমতক দৰ্শায়। ই বৰ প্ৰয়োজনীয় সমন্বয়। ই তেওঁলোকৰ মাজত প্ৰেম আৰু পাৰস্পৰিক সন্মানৰ সেতু হোৱা উচিত।

একোৰেই বিভিন্নতা বা প্ৰভেদ নাথাকিব যদিহে সকলে বুজি পায় যে ঈছা মছীহেই তেওঁলোকে বাট চাই থকা মছীহ হয় আৰু লগতে যদিহে মুছলমানসকলে বুজিব পাৰে যে মৰিয়মৰ পুত্ৰ ঈছা মছীহে যি ইঞ্জিল (শুভবাৰ্ত্তা) বিলায় সেই শুভবাৰ্ত্তাই হৈছে কোৰাণত উল্লেখ থকা মুছলমান সকলৰ আদৰণীয় শুভবাৰ্ত্তা। এনে হ'লে পৃথিৱীত মানৱ জাতিৰ মাজত থকা তিনিটা মূল ধৰ্মৰ মাজত শান্তি-সমন্বয় স্থাপন হ'ব।

পাৰস্পৰিক সমন্বয়ৰ মূল ভেটিটোৱেই হৈছে ইজনে সিজনক বুজিবলৈ চেষ্টা কৰা। মুছলিম সকলৰ মাজত ঈছা মছীহৰ যি স্থান তাৰ দ্বাৰাই মুছলিম সকল মছীহি সকলৰ লগত বুজা-বুজিলৈ আহিব পাৰে। আনহাতেদি, ইহুদী সকলেও মছীহি সকলৰ ওচৰ চাপিব পাৰে, কিয়নো মছীহি সকলৰ পৱিত্ৰ শাস্ত্ৰত তেওঁলোকলৰ তৌৰাতক ইঞ্জিলৰ সৈতে অন্তৰ্ভুক্ত কৰা হৈছে।

পাৰস্পৰিক বুজা-বুজিয়ে দাবী কৰে যেন বিভিন্ন শ্ৰেণীৰ মাজত ইজনৰ সিজনৰ প্ৰতি থকা, আল্লাহ ও বিশ্বাসৰ ভুল ধাৰণাবোৰ দূৰ হয়। ইয়াৰ বাবে, বিভিন্ন শ্ৰেণীৰ মাজত ইজনে সিজনৰ পাক-কিতাব যেন সহজতে

ধ্যান কৰিবলৈ সুযোগ পায় তাৰ ব্যৱস্থা কৰিব লাগে। যদিহে জীৱন ধাৰণৰ খাদ্য সামগ্ৰী চুৰকৈ লুকাই থোৱা অপৰাধ হয়, তেনেহলে যি কিতাবে আমাক বেহেস্থী জীৱন দান কৰে, গুনাহৰ পৰা নাজাতৰ সন্ধান দিয়ে আৰু সাম্ভাব্য ধ্বংসৰ পৰা আমাক ৰক্ষা কৰে তাক লুকুৱাই ৰখাটো বাৰু দণ্ডৰ কাৰণ নহবনে? নিজ মানুহবোৰক ভালপোৱা এজন প্ৰকৃত মুছলমানে এনেকুৱা হোৱাটো নিশ্চয় নিবিচাৰিব আৰু তেওঁ যি ধৰ্ম্মীয় সুযোগ বা লাভ পাইছে তাকে লুকুৱাই নাৰাখি নিশ্চয় বিলাই দিব। তেঁও সদায় অন্যান্য ধৰ্ম্ম বিশ্বাসৰ পৰা লাভ কৰিব পৰা আশীৰ্ব্বাদবোৰৰ কাৰণে হাবিয়াস কৰিব।

ঈছা মছীহে কয় "ময়েই জগতৰ নূৰ" তেনেহ'লে আমি সত্যতা, নিষ্ঠা আৰু বিশ্বাসেৰে অতি সাৱধানতাৰে ইয়াৰ বাস্তবিকতাৰ সন্ধান কৰা উচিত হ'ব। যদিহে সচাঁকৈয়ে তেওঁ "জগতৰ নূৰ", তেনেহলে বিশ্বৰ জনসংখ্যাৰ ৭ ভাগৰ ১ক ভাগৰ স্থানত থকা আটাই মুছলিম সকলৰ বাবেও জানো 'নূৰ' নহব?

মৰিয়ম পুত্ৰ ঈছা মছীহ যাক খ্ৰীষ্ট বোলা হয় তেওঁক কোৰাণ শ্বীকৃত মছীহৰূপে সন্মান দেখুউৱা হৈছে, লগতে মছীহি সকলৰ কিতাবকো সন্মান যাচিছে। ই মছীহি সকলৰ বাবে বৰ আদৰণীয় বিষয়। কোৰাণে তেওঁলোকক সন্মান জনায় "কিতবীসকল" বুলি। ইয়াতে মছীহি সকলে মুছলিম সকলৰ লগত এক সমিলমিলৰ সূত্ৰ লাভ কৰে।

ইয়াৰ আগতে ঈছা মছীহ সম্বন্ধে কোৰাণে দিয়া কিছুমান উদ্ধৃতি দিয়া হ'ল। এতিয়া মছীহি সকলৰ প্ৰতি কোৰাণে দিয়া তেনে কিছু উদ্ধৃতি তলত দিয়া হ'ল—

*"ঈমানদাৰ সকলৰ প্ৰতি শত্ৰুতাচৰণ কৰাত তোমালোকে ইহুদী আৰু অংশীবাদীবিলাকক সকলোতকৈ বেছি কঠোৰ পাবা আৰু যিবিলাকে কয়- 'আমি মছীহি' (খ্ৰীষ্টিয়ান) সিহঁতক মুছলমানসকলৰ লগত ঘনিষ্টতম মিত্ৰতাস্থাপনকাৰী হিচাবে পাবা। কিয়নো সিহঁতৰ মাজত অনেক শাস্ত্ৰজ্ঞ উপাসনাকাৰী আৰু বৈৰাগী সাধু-সন্ত আছে আৰু তেওঁলোকৰ অহংকাৰ অহমিকাবোধ নাই"* (ছুৰা আল-মায়িদা ৫ঃ৮২ আয়াত)।

হেন সময়ত আল্লাহে ক'লে - *'হে ঈছা, এতিয়া মই তোমাক ওভতাই*





ইঞ্জিল অনুসাৰে তেওঁ যেনেকৈ সম্পূৰ্ণৰূপে আল্লাহৰ পুত্ৰ, তেনেকৈ সম্পূৰ্ণকৈ মানুহৰো পুত্ৰ। তেওঁ যে মানুহৰ পুত্ৰ তাক বুজাবলৈ কৰা চেষ্টাই প্ৰমাণ কৰে যে তেওঁ প্ৰকৃততে আনৰ দৰে মানুহৰ সন্তান নহয়। এনে হোৱা হ'লে বাৰে বাৰে তেওঁ যে আল্লাহৰ পুত্ৰ হয় তাক কোৱাৰ প্ৰয়োজন নাছিল। যদি কোনোৱে ইঞ্জিলৰ কথাবোৰ শিষ্য সকলৰহে ভাষ্য বুলি দাবী কৰে, তেনেহ'লে এই দাবীয়েই 'ইঞ্জিলৰ সপক্ষে এক শক্তিশালী প্ৰমাণ স্বৰূপহে হয়। ই যুক্তি নেদেখুৱায় যে শিষ্যসকলে ঈছা মছীহক আল্লাহৰ পুত্ৰ বোলাতকৈ মানুহৰ পুত্ৰ বুলিহে বেছিকৈ ক'ব বিচাৰে। ঈছা মছীহে নিজকে মানুহৰ পুত্ৰ বোলাৰ কাৰণ হ'ল যেন ইয়াৰ যোগেদি তেওঁ বেছিকৈ মানুহৰ কাষ চাপিব পাৰে, যাতে মানুহবিলাকে তেওঁলোকৰ হৃদয়েৰে সৈতে তেওঁত বিশ্বাস কৰি নাজাতদাতাৰূপে গ্ৰহণ কৰে।

আমি এই কথা বাৰে বাৰে দোহাৰিব লাগিব যে ঈছা মছীহ আত্মিক অৰ্থত সম্পূৰ্ণৰূপে আল্লাহৰ পুত্ৰ। এয়ে হ'লে প্ৰয়োজনীয় কথাটো হ'ল বেহেস্থীয় একতাৰ সংৰক্ষণ কৰা। মূৰ্খৰ বাদে আন কোনেও ইয়াত গুৰুত্ব প্ৰদান নকৰাকৈ নাথাকে। মুলমানসকলে মছীহি সকলৰ উক্তিক চেৰাই গৈ কৈছে যে "এক আল্লাহৰ বিনে কোনো আল্লাহ নাই, তেওঁৰ কোনো সহযোগীও নাই।" আকৌ *"তেওঁ আল্লাহ একক। আল্লাহ কাৰো ওপৰত নিৰ্ভৰশীল নহয়, বৰং সকলোৱে তেওঁৰ ওপৰতহে নিৰ্ভৰশীল। তেওঁ কোনো সন্তান জন্ম দিয়া নাই আৰু তেৰোঁ কাৰো সন্তান নহয় আৰু তেওঁৰ সমতুল্য কোনা নাই।'* (চুৰা আল-ইখলাছ ১-৪ আয়াত)।

মছীহি ধৰ্ম্ম বিশ্বাসত "পিতৃ আল্লাহ, পুত্ৰ আল্লাহেই পবিত্ৰ আত্মা আল্লাহ" এনে উক্তিক যিবিলাকে গ্ৰহণ কৰিবলৈ কুণ্ঠাবোধ কৰে, তেওঁলোকে আল্লাহৰ একতা আৰু মানুহৰ ব্যক্তিত্বক ভালকৈ নিৰীক্ষণ কৰা উচিত। মানুহৰ দুটা প্ৰকৃতি আছে। এক শাৰীৰিক আৰু আনটো আত্মিক। ইটো সিটোৰ পৰা যে স্বাধীন সেয়া অনুমেয়। এজন মানুহৰ ক্ষেত্ৰত এনে উক্তি সচাঁ বা মিছাও হ'ব পাৰে। উদাহৰণ স্বৰূপে অমুক বা তমুক মৰিব কাৰণ তেওঁলোক ধূলিৰ পৰা সৃষ্টি আৰু ধূলিলৈকে ঘূৰি যাব। মানুহৰ বিষয়ে আকৌ এনেদৰেও

# তেওঁৰ বেহেস্তীয় স্বভাব

আগতে উল্লেখ কৰা ছয়টি তৰাই এই সপ্তম তৰাৰ বাবে বাট মুকলি কৰে। এইসকলোকেইটা তৰা ভঙ্গ কৰিব নোৱাৰাকৈ একেলগে সংলগ্ন। খোদাবন্দ ঈছা মছীহ যে কুমাৰীৰ গৰ্ভত জন্ম হ'ল এই কথা মুছলিম বা মছীহি সকলৰ মাজত বাদ বিবাদৰ কাৰণ নহয় বা ই তেওঁৰ বেহেস্তীয় স্বভাৱৰ প্ৰমাণো নহয়, কিন্তু এয়ে সংগলগ্নৰ এক স্বাভাৱিক গুণহে। ইয়ে নুবুজায় যে তেওঁ এজন মাংসিক লোক আছিল আৰু পাছলৈ বেহেস্তীয় বিশিষ্ট গুণসম্পন্ন হ'ল। এই কথা অসম্ভৱ আৰু এনে শিক্ষা আল্লাহৰ নিন্দা যুক্ত। তেওঁ সেইজনা যি জনাই কুমাৰীৰ গৰ্ভত জন্মলৈ প্ৰকৃত মানৱিক স্বভাব ললে আৰু অন্যহাতেদি অনন্তকালত সত্যতাৰে বেহেস্তীয় স্বভাৱৰ অধিকাৰী হ'ল যাতে আল্লাহত একতাৰ যি সত্যতা তাৰ বিচ্যুতি নহয়।

ঈছা মছীহৰ ঐশ্বৰীকতা বা আল্লাহৰ পুত্ৰ বোলাটো এক মহান ঘোষণা। শুদ্ধ বিচাৰ আৰু বিশ্বাসযোগ্য প্ৰমাণৰ অবিহনে ইয়াক বিশ্বাস কৰাটোও দূৰহ। ঈছা মছীহৰ উচ্চস্থানত অৱস্থান আৰু তেওঁৰ নিৰ্মল গুণসমূহৰ আধাৰত, তেওঁ নিজৰ বিষয়ে কৰা দাবীয়েই এক সবল প্ৰমাণ। তেওঁ কৈছে যে তেওঁ কেবল আল্লাহৰ সন্তানেই নহয়, তেওঁ আল্লাহৰ একমাত্ৰ সন্তান। যেনেকৈ আল্লাহ বিশুদ্ধ ৰূপত আত্মা, তেনেকৈ আল্লাহৰ পুত্ৰ ঈছা মছীহও বিশুদ্ধ ৰূপত আত্মিক সন্তান। ইয়াত কোনো মাংসিকতাৰ লেশ নাই, কিয়নো মাংসিকতাৰ দ্বাৰাই আমি আত্মিকতাত আল্লাহে সৈতে থকা একতা ভঙ্গ কৰো।

আৰবীত লিখা 'আল্লাহৰ একমাত্ৰ সন্তান' এই কথা ফাঁকি গ্ৰীক ভাষাত এনেদৰে লিখা আছে "তেওঁৰ পৰা ওপজা একমাত্ৰ আল্লাহৰ সন্তান।" ইয়াৰ পৰাই নিৰ্ণয় কৰিব পাৰি যে যাক আল্লাহৰ সন্তানবোৰ বুলি কোৱা যায়, তেওঁলোকৰ পৰা ঈছা মছীহ সম্পূৰ্ণ পৃথক। কিয়নো অন্যান্য সকলক তোলনীয়া পুত্ৰৰ বাবহে দিয়া হ'ল, জন্মৰ দ্বাৰাই নহয়। হলেও দুয়োৰেই কিন্তু আত্মিক সন্তানৰূপে পৰিগণিত হ'ল।



*আনিম, মোৰ ওচৰলৈ উঠাই আনিম আৰু যিবিলাকে তোমাক অস্বীকাৰ কৰিছে সিহঁতৰ পৰা তোমাক পবিত্ৰ কৰিম। যিবিলাকে তোমাক অস্বীকাৰ কৰিছে সিহঁতৰ ওপৰত কিয়ামত পৰ্যন্ত তোমাৰ অনুসাৰীসকলক বিজয়ী কৰি ৰাখিম। অৱশেষত মোৰ ওচৰলৈকে তোমালোকৰ প্ৰত্যাবৰ্তন। তোমালোকৰ মাজত যিবোৰ বিষয়ত মতভেদ আছিল তেতিয়া মই সেইবোৰ মীমাংসা কৰি দিম*" (ছুৰা আলে-ইমৰাণ ৩ঃ৫৫ আয়াত)।

(জানি থোৱা, সত্যৰ ওপৰত কাৰো একচেটীয়া দাবী নাই) কিয়নো যিসকলে আল্লাহ আৰু পৰকালৰ প্ৰতি বিশ্বাসস্থাপন কৰে আৰু সৎ কাম কৰে তেওঁলোক বিশ্বাসস্থাপনকাৰীয়েই হওঁক, ইহুদীয়েই হওঁক, চাবেয়ীয়েই হওঁক বা খৃষ্টানেই (মছীহি) হওঁক তেওঁলোকৰ কাৰো কোনো ভয়ৰ কাৰণ নাই আৰু দুখ-চিন্তা কৰিবলগীয়াও নাই।" ((ছুৰা আল-মায়িদা ৫ঃ৬৯ আয়াত)।

*"হে নবী তোমাৰ পূৰ্বেও আমি মানৱকেই ৰছুল কৰি পঠিয়াইছিলো আৰু তেওঁলোকৰ প্ৰতি ঐশীবাণী প্ৰেৰণ কৰিছিলো। তোমালোকে যদি নাজানা তেনেহলে ঐশীপুথি প্ৰাপ্ত মানুহবিলাকক সুধি চোৱা"* (ছুৰা আল-আম্বিয়া ২১ঃ৭ আয়াত)।

*"ইয়াৰ পিছত আমি ইজনৰ পিছত সিজনকৈ আমাৰ ৰছুল পঠিয়াইছিলো। এওঁলোকৰ পিছত মৰিয়ম তনয় ঈছাকো প্ৰেৰণ কৰিছিলো আৰু তেওঁক ইঞ্জিল দান কৰিছিলো। যিসকলে তেওঁক মানি চলিলে তেওঁলোকৰ অন্তৰত আমি দয়া-মমতা আৰু মৰম স্নেহ সঞ্চাৰ কৰি দিলো আৰু বৈৰাগ্যবাদ তেওঁলোকে নিজেই উদ্ভাৱন কৰি লৈছে..."* (ছুৰা আল-হাদীদ ৫৭ঃ২৭ আয়াত)। ইয়াৰ পিছৰ কথাখিনি ব্যখ্যা কৰিলে বুজিব পাৰি যে, যিসকলে ঈছা মছীহক নাজাত দাতা ৰূপে গ্ৰহণ কৰে তেওঁলোকেও দয়াৰে পৰিপূৰ্ণ হব পাৰে। সকলো জ্ঞানী লোকে জানে ও স্বীকাৰ কৰে যে সত্যৰ প্ৰতি আস্থা ও অনুৰাগ অতি প্ৰয়োজনীয়। তেওঁ নিজৰ লোকৰ ভূল ঢাকিবলৈ সত্যক অস্বীকাৰ নকৰে।

মুকলিকৈ বিষয় সমূহৰ বিচাৰ কৰিবলৈ হলে মছীহি সকলে কেৱল ওপৰত উল্লেখ কৰাৰ দৰে সপক্ষ যুক্তিবোৰতেই মনোযোগ নিদি যিবোৰ বিপক্ষ

উক্তি সেইবোৰও বিবেচনা কৰা উচিত। তাৰে কিছুমান হৈছে-

*“ইহুদীবিলাকে কয় খৃষ্টানবিলাকৰ (মছীহি সকলৰ) বিশ্বাস ভিত্তিহীন’ আকৌ খৃষ্টানবিলাকে কয় ‘ইহুদীবিলাকৰ বিশ্বাস ভিত্তিহীন’....*(ছুৰা আল-বাকাৰা ২ঃ১০৭ আয়াত)।

*“ হে ঐশীপুথি প্ৰাপ্তসকল, তোমালোকে ধৰ্মৰ কামত গুলু (অমিতাচাৰ) নকৰিবা। সত্যৰ বাহিৰে আল্লাহৰ প্ৰতি আন একো আৰোপ নকৰিবা। মৰিয়ম পুত্ৰ ঈছা মছীহ মাথোন আল্লাহৰ ৰছুলহে আছিল আৰু মৰিয়মৰ প্ৰতি পঠোৱা আল্লাহৰ এটি দৈৱবাণী আৰু তেওঁৰ ‘আদিষ্ট আত্মা আছিল। তোমালোকে আল্লাহ আৰু তেওঁৰ ৰছুলৰ প্ৰতি ঈমান আনা আৰু তিনিজন বুলি নকৰা; পৰিত্যাগ কৰা; এয়াই তোমালোকৰ কাৰণে মঙ্গল। নিশ্চয় আল্লাহ একমাত্ৰ উপাস্য আল্লাহৰ সন্তান হ’ব তেনে কথাৰ পৰা তেওঁ পবিত্ৰ। .... যি জনে আল্লাহৰ উপাসনা কৰা হেয়জ্ঞান কৰে আৰু আত্মগৰ্বী হয় আল্লাহে সোনকালে সকলোকে তেওঁৰ ওচৰত সমবেত কৰিব”*(ছুৰা আন্ নিছা ৪ঃ১৭১আয়াত)।

*“যিবিলাকে কয়- ‘আল্লাহ তিনিজনৰ এজন’ সিহঁত অবিশ্বাসকাৰী, কিয়নো একমাত্ৰ আল্লাহৰ ব্যতীত আন কোনা উপাস্য নাই”.....* (ছুৰা আল-মায়িদা ৫ঃ৭৩ আয়াত)।

*“আৰু যেতিয়া আল্লাহে সুধিব- ‘হে মৰিয়ম পুত্ৰ ঈছা, তুমি মানুহবিলাকক এই বুলি কৈছিলা নেকি ‘আল্লাহৰ লগত মোক আৰু মোৰ মাকো উপাস্য কৰি লোৱা?.....”* (ছুৰা আল-মায়িদা ৫ঃ১১৬আয়াত)।

*“আল্লাহক বাদ দি সিহঁতে সিহঁতৰ ৰব্বি (ইহুদী ধৰ্মগুৰু) আৰু পুৰোহিতবিলাকক নিজৰ প্ৰভু বুলি মান লৈছিল আৰু তেনেদৰে মৰিয়ম পুত্ৰ ঈছাকো প্ৰভু বুলি মানি লৈছিল। অথচ একমাত্ৰ আল্লাহৰ বাহিৰে আন কাকো উপাসনা কৰাৰ আদেশ দিয়া হোৱা নাছিল....”* (ছুৰা আত তওবা ৯ঃ৩১আয়াত)।

সেই সময়ৰ মছীহি সকলৰ অধ:পতনৰ বাবেই কোৰাণত এনেকুৱা গৰিহণা মূলক কথাৰ উল্লেখ পোৱা যায়। যেতিয়া কোনো লোকে তেওঁলোকৰ ধাৰ্ম্মিক মূল তত্ত্ব আৰু স্বৰ্গীয় আদেশবোৰৰ পৰা ফালৰি কাটি আচহুৱা ব্যৱহাৰ কৰে তেতিয়া তেওঁবিলাকে নিজেই নিজৰ গুৰুত্ব হেৰুৱায়। স্বৰ্গীয় আদেশবোৰ





লগত থকা এই সকলোৱে পাপী মানুহৰ দণ্ডাজ্ঞাৰহে কাৰক হ’ব যদিহে ইয়াৰে সৈতে প্ৰেম নাথাকে। মানুহৰ মাজত প্ৰচলিত প্ৰেমে অন্ধকাৰ পৃথিৱীখনক আলোকিত নকৰি ধুৱাঁ উৎপন্ন কৰা জুমুঠিহে সৃষ্টি কৰে। কিন্তু যদিহে সকলোবোৰ লক্ষণ সীমাহীন প্ৰেমৰ সৈতে সংলগ্ন হয়, তেতিয়া এজন পাপীৰ নাজাতৰ বাবে, অনন্ত ধ্বংসৰ পৰা ৰক্ষা কৰিবলৈ প্ৰয়োজনীয় সকলো বিষয়ৰ পৰিপূৰ্ণতা আনে। এনে গুণসম্পন্ন জনেইহে ‘জগতৰ নূৰ’ হ’বলৈ যোগ্য।

কেৱল ঈছা মছীহৰ সেৱা-আৰাধনাই মছীহিসকলৰ বিশ্বাসৰ প্ৰধান স্তম্ভ নহয়, কাৰণ ৰাজকীয়তাই কোনো পোহৰ বিলাব নোৱাৰে। উদাহৰণ স্বৰূপে জোনটোৱে যদিও আমাৰ ওপৰেৰে শুশোভিত হৈ পাৰহৈ যায় তথাপিও ই পৃথিৱীক আলোকিত কৰিব নোৱাৰে। মেঘৰ ওৰণীয়ে ঢাকি ধৰিলেও সূৰ্য্যৰ ক্ষমতাৰ কোনো হীনদেৰী নহয়। ঈছা মছীহৰ আদৰ্শত, শিক্ষা আৰু যোগ্যতাত, আল্লাহ আৰু ওচৰ চুবুৰীয়াৰ প্ৰতি প্ৰেমে আনকি শত্ৰুলৈও প্ৰেমৰ নূৰ বিয়পায়।

শত্ৰুক ধ্বংস কৰিবলৈ মৃত্যুক সাৱটি লোৱা যি প্ৰেমৰ পোহৰ, সেই পোহৰ ঈছা মছীহৰ আত্মবলিদান ও পুনৰুত্থানৰ তৰাটিৰ পৰা বিকিৰিত হয়। কেৱল তেৱেঁইহে সেই তৰা ধাৰণ কৰে।

**পদটীকা** — মছীহি বিশ্বাসত বলিদান আৰু তেজৰ যি বৈশিষ্টতা আছে তাৰ মিল আৰাফট পৰ্ব্বতত দিয়া বলিদান আৰু ইয়াক ‘বলিদানৰ ভোজ’ৰূপে) ইদ-উল-আজহা) পালন কৰাৰ লগত এক প্ৰবল সমিল মিল দেখা যায়।

সপ্তম তৰাটি হ’ল—

*মানুহৰ পুত্ৰ (ইব্‌নে আদম) আহিল।'* (মথি ২০:২৬)। নিজৰ সলীবি মওতৰ বিষয়ে তেওঁ কৈছিল *"অৰণ্যত মুচা নবীয়ে যেনেকৈ সাপটো তুলিছিল, তেনেকৈ মানুহৰ পুত্ৰও (ইব্‌নে আদম) উত্তোলিত হ'ব লাগে, যাতে তেওঁত বিশ্বাস কৰা সকলোৱে বেহেস্তী জীৱন পাব পাৰে।"* (ইউহোন্না ৩:১৪, ১৫)।

ঈছা মছীহে তেওঁৰ সলীবি মৃত্যুৰ বিষয়ে কই আগতেই দৃঢ়তাৰে প্ৰকাশ কৰিছিল যে, তেওঁৰ মৃত্যুত বহুবোৰ নবুৱতী সাম্ফল হ'ব। এনে ধৰণৰ এক নবুৱতী হ'ল, *"তেওঁ উপদ্ৰব পালে, তথাপি নম্ৰ হৈ তেওঁৰ মুখ নেমেলিলে, তেওঁ কাটিবলৈ নিয়া মেৰ পোৱালিৰ বা নোমকাটিয়াৰ আগত নিজম দি থকা মাইকী মেৰৰ নিচিনা আছিল, এনেকি নিজ মুখকে নেমেলিলে।'* (ইশায়া ৫৩:৭)। আকৌ আছে, *"তথাপি তেওঁক গুৰি কৰিবলৈ খোদাপাকৰ ইচ্ছা হ'ল ; তেওঁ তেওঁক যাতনাত পেলালে........।"* (ইশায়া ৫৩:১০)।

তেওঁৰ বলিস্বৰূপে মৃত্যু আৰু তৃতীয়দিনা তেওঁৰ গৌৰৱপূৰ্ণ পুনৰউত্থাপন, এই দুয়োকে বেলেগে বেলেগে চোৱা নাযায়। তেওঁৰ মৃত্যু আৰু পুনৰুত্থানৰ কাৰো লগতেই তুলনা নহয়। তেওঁ জীৱিত কালতেই তেওঁৰ মৃত্যুৰ যি উদ্দেশ্য তাক প্ৰকাশ কৰি, তেওঁ যে তৃতীয়দিনা পুনৰজীৱিত হৈ উঠিব তাক জনাইছিল। আৰু সেইদৰেই পুনৰজীৱিত হৈ তেওঁৰ কথাৰ সত্যতা প্ৰতিপন্ন কৰিলে। তেওঁ যেনেকৈ নিজৰ সলীবি মৃত্যুৰ বিষয়ে নবুৱতী কৰা কাৰ্য্য নজীৰ বিহীন, তেনেকৈ তেওঁৰ পুনৰুজীৱিত হৈ উঠাৰ নবুৱতীও অতুলনীয়। এই দুয়ো বিষয়ত কোনো নবী বা চাহাবাই তেওঁৰ সমকক্ষ হ'ব নোৱাৰে।

তেওঁৰ বলিদানৰূপ মৃত্যু আৰু পুনৰুত্থানৰ তৰাৰ পৰা অসীম প্ৰেমৰ ৰেঙনি প্ৰকাশ পায়। পূৰ্ব্বৰ সকলোবোৰ তৰাই এই ষষ্ঠ তৰাৰ অবিহনে অৰ্থহীন। খোদাবন্দ ঈছা মছীহৰ বেহেস্তৰ পৰা আগমণ, তেওঁৰ পৰিপূৰ্ণ কতৃত্ব, নবুৱতীবোৰৰ সফলকৰণ, প্ৰশংসাৰ যোগ্যতা, তেওঁ সদায় আমাৰ





পালন কৰাৰ বিপৰীতে যদি সামাজিক ৰীতি-নীতি, প্ৰথাৰ প্ৰতি মনোযোগ দিয়ে আৰু স্বৰ্গীয় প্ৰকাশিত বিষয় সকলৰ প্ৰতি গুৰুত্ব নিদি অন্ধবিশ্বাস আদিৰ প্ৰতি আকৃষ্ট হয় তেনেহ'লে তেনেলোক গৰিহণাৰ যোগ্য। ধাৰ্ম্মিক পৰিবৰ্ত্তন বিচৰা সকলে একমাত্ৰ জীৱিত আল্লাহ কালজয়ী আত্মাক উপাসনা কৰাৰ বাদে আন কাৰো পূজা অৰ্চনা কৰাৰ দৰে ভুল বিশ্বাসক মৌনতাৰে গ্ৰহণ কৰিব নোৱাৰি। এনে নিন্দাসূচক বা দোষযুক্ত মন্তব্যই হয়তু মছীহিসকলৰ ধৰ্মীয় সংস্কাৰৰ মূল কাৰণ।

মছীহিসকলৰ প্ৰতি যিসকল মুছলমানৰ নাৰাজ বা ঘৃণাৰ মনোভাৱ, তেওঁলোকৰ প্ৰতি আমাৰ সদয় উত্তৰ হ'লঃ তেওঁলোকে যিটোক ধৰ্মযুদ্ধ বুলি কয় মছীহিসকলে তাৰ মনোভাৱক প্ৰত্যাখান কৰে। মছীহি সকলে স্বীকাৰ কৰে যে তেওঁলোকৰ পূৰ্ব্ব পুৰুষসকলে কৰা এনে ঘৰ্মযুদ্ধ মছীহি ঈমান ও আত্মাৰ পৰিপন্থী। মছীহি সকলে কব খোজে যে সেই যুদ্ধবোৰ মুছলমানসকলৰ প্ৰতি থকা বিদ্বেষৰ বাবে নহয়, কিন্তু তেওঁলোকৰ পৱিত্ৰ স্থানসমূহ পুনৰ উদ্ধাৰৰ বাবে কৰা যুদ্ধহে। ৰছুল পৌলৰ নিজ ইহুদী সকলৰ প্ৰতি কৰা সকিয়নীয়ে এই কথা প্ৰতিপন্ন নকৰে। তেওঁ কৈছিল, *"আল্লাহৰ বাবে তেওঁলোকৰ উৎসাহ আছে বুলি মই তেওঁলোকৰ পক্ষে সাক্ষ্য দিছোঁ, কিন্তু সেই উৎসাহ জ্ঞান অনুসাৰে নহয়। কাৰণ তেওঁলোকে আল্লাহৰ ধাৰ্ম্মিকতা নাজানি নিজৰটো স্থাপন কৰিব বিচাৰে আল্লাহৰ ধাৰ্ম্মিকতাৰ বশীভূত নহল"* (ৰোমীয়া ১০:২৩ আয়াত)। জ্ঞান অবিহনে, আটাই উৎসাহ, গোড়ামিয়ে সত্যত থকা সকলকো ভুল পথে পৰিচালনা কৰে আৰু যি সকল ইতিমধ্যে ভুল পথত আছে তেওঁলোকক দিকভ্ৰান্ত কৰে। ধৰ্মযুদ্ধৰ আন এটা অবাঞ্ছিত কাৰণ আছিল ৰাজনৈতিক-এনেকি বৰ্ত্তমানেও তেনেকুৱা ধ্যাণ-ধাৰণা পৃথিৱীত চলি আছে। কিন্তু মছীহি আত্মাই কেতিয়াও এনে ধৰ্মযুদ্ধক সমৰ্থন কৰা নাই আৰু ভৱিষ্যতেও নকৰে। মছীহিসকলে ৰাজনীতিৰ লগত ধৰ্ম বিশ্বাসক সাঙুৰিব নোখোজে।

আন এটা দিশ হ'ল মছীহিসকলৰ ধৰ্মীয় গুৰুসকলৰ অসহায় অৱস্থা যিসকলে সাধৰণ লোকসকলক পৱিত্ৰ বাইবেলৰ কথাৰে বুজাব নোৱাৰাটো। অৱশ্যে সেই সময়ত ধৰ্ম্মতত্ত্বৰ মূল ভেটি পৱিত্ৰ বাইবেল পৰ্য্যাপ্ত পৰিমানে নথকাত সেই কালত মছীহি সকলে বহুবোৰ ভুল কাৰ্য্য কৰিছিল। যেতিয়া

মানুহৰ সামাজিক ৰীতি-নীতিয়ে ধৰ্ম্মাচৰণৰ ৰূপ লৈছিল, তেতিয়া লজ্জাজনক ভাৱে বহুবোৰ যুদ্ধৰ অৱতাৰনা হৈছিল যিবোৰ তেওঁলোকৰ প্ৰভু ঈছা মছীহৰ অনুমতি নাছিল।

ঈছা মছীহৰ উপদেশবোৰে সূচায় যে, ধৰ্ম্ম প্ৰথমে হৃদয়ত ঠাই পায় আৰু পাছলৈ কৰ্ম্মত প্ৰতিফলিত হয়। ইয়াৰ বুনিয়াদ হৈছে সৃষ্টিকৰ্ত্তাৰ সৈতে থকা আন্তৰিক সম্বন্ধ ও তাৰ পাছত সৃষ্টিৰ সৈতে থকা আন্তৰিকতা। প্ৰথমতে তৌৰাতত আৰু শেষত ইঞ্জিলত এই আদেশবোৰ দুটা মহান আজ্ঞাত আবদ্ধ হৈ আছে। **প্ৰথমটো** হ'ল আল্লাহক আটাই অন্তৰৰে সৈতে প্ৰেম কৰা আৰু **দ্বিতীয়তে** নিজৰ দৰে চুবুৰীয়াক প্ৰেম কৰা (মথি ২২:৩৭-৪০ আয়াত)।

মছীহি বিশ্বাসত যি কাৰ্য্য আল্লাহ আৰু মানৰ প্ৰেমৰ পৰিপন্থী তাক প্ৰশ্ৰয় দিয়া নহয়। প্ৰকৃত ধৰ্ম্ম তৰোৱালৰ দ্বাৰা স্থাপন কৰা নাযায়, কিন্তু যি ধৰ্ম্মৰ দ্বাৰা মঙ্গলজনক ফল ওলায়, সেয়েহে প্ৰকৃত ধৰ্ম্ম। তৰোৱালৰ দ্বাৰাই স্থাপিত ধৰ্ম্ম বাচি থাকিবলৈ হলে তৰোৱালৰ সহায়েৰে বাচিব লাগিব। আগৰ কালৰ মছীহি সকলে অভিজ্ঞতাৰ পৰা জানিলে যে তৰোৱালৰ দ্বাৰাই লাভ কৰা তেওঁলোকৰ সফলতা খন্তেকীয়া। কিয়নো যদিও তেওঁলোকে ঈছা মছীহৰ নামেৰে যুদ্ধ কৰিছিল, তেওঁলোকে মছীহৰ আত্মাৰ আজ্ঞাৰ বিপৰীতে কাম কৰিছিল। ইশায়া নবীয়ে ঈছা মছীহৰ জন্মৰ ৭০০ বছৰৰ পূৰ্ব্বে তেওঁৰ বিষয়ে ঐশী বাণী কৰি কৈছিল যে তেওঁ "শান্তি ৰাজ" হ'ব। এই কথা আগৰ মছীহি সকলে পাহৰি গৈছিল। ঈছা মছীহৰ এক মহত্বপূৰ্ণ আজ্ঞা আছিল এনেকুৱা, *"কিন্তু মই তোমালোকক কঁও তোমালোকে দুৰ্জনৰ প্ৰতিৰোধ নকৰিবা; কিন্তু যি কোনোৱে তোমাৰ সোঁ গালত চৰ মাৰে, তালৈ সিগালো পাতি দিবা। কোনোৱে যদি তোমাৰ ওপৰত গোচৰ কৰি তোমাৰ চোলা লব খোজে, তেন্তে তেওঁক তোমাৰ বৰ কাপোৰখনো এৰি দিবা। কিন্তু মই তোমালোকক কঁও, তোমালোকৰ শত্ৰু সকলক প্ৰেম কৰিবা আৰু তোমালোকক তাড়না কৰা সকলৰ নিমিত্তে মুনাজাত কৰিবা। তেহে তোমালোকৰ বেহেস্থত থকা পিতৃৰ সন্তান হ'বা। কিয়নো তেওঁ দুষ্ট আৰু সন্ত দুয়োৰে ওপৰত তেওঁৰ সূৰ্য্য উদয় হবলৈ দিয়ে আৰু ধাৰ্ম্মিক অধাৰ্ম্মিক এই দুয়োৰো ওপৰত বৰষুণো বৰষায়"* (মথি ৫:৩৯-৪০ আৰু ৪৪-৪৫ আয়াত)।





সকলো সময়তে এই তৰাৰ উপস্থিতিয়ে, তেওঁৰ চাহাবাসকলক অগম্য জ্ঞান আৰু জ্যোতি দান কৰিবলৈ সমৰ্থ। নবুৱতীৰ জ্ঞান আৰু জ্যোতি দান কৰিবলৈ সমৰ্থ। নবুৱতী অনুসৰি বেহেস্থৰ পৰা নামি অহা আটাই ক্ষমতাৰ অধিকাৰী আৰু যাক সন্মান ও সেৱা যচা যায়, তেওঁৰ বাবে এই ঐশ্বৰিক জ্ঞান এক অপৰিহাৰ্য্য বিষয়। তাৰোপৰি এনে ক্ষমতা সম্পন্নজনাৰ উপস্থিতিয়ে তেওঁৰ অতুলনীয় জ্ঞানৰ বিষয়ত থকা মনৰ সন্দেহ দূৰ কৰে। ইঞ্জিলত ঈছা মছীহৰ বিষয়ে এইদৰে কোৱা আছে, *'কাৰণ তেওঁ সকলোকে জানিলে ; আৰু মানুহৰ বিষয়ে কোনো সাক্ষ্য দিবলৈকো তেওঁৰ প্ৰয়োজন নাছিল ; কিয়নো মানুহৰ অন্তৰত কি আছে তাক তেওঁ নিজে জানিলে'* (ইউহোন্না ২:২৫)। আকৌ কোৱা হৈছে, *"তোমালোকৰ অন্তৰত কিয় কুভাব কৰিছাহঁক?"* (মথি ৯:৪)। তেওঁৰ চাহাবাসকলেও তেওঁক কৈছিল, *'আপুনি সৰ্ব্বজান আৰু কোনেও আপোনাক সুধিবৰ প্ৰয়োজন নাই, ইয়াক আমি এতিয়া জানিছো ; ইয়াৰেই আপুনি যে আল্লাহৰ পৰা আহিছে, তাক আমি বিশ্বাস কৰিছো।'* (ইউহোন্না ১৬:৩০)।

এনে গুণবিশিষ্ট কোনো নাই। নবী হওঁক বা চাহাবা হওঁক, কোনেও নিজকে এনে গুণ বিশিষ্ট বুলি দাবী কৰিব নোৱাৰে। এয়া এক উজ্জল তৰা আৰু ইয়াক ঈছা মছীহৰ বাদে কোনেও সোঁহাতে ধাৰণ কৰিব নোৱাৰে।

ষষ্ঠ তৰাটিয়ে, তেওঁৰ মৃত্যু আৰু পুনৰুত্থানৰ বিষয়টো আলোকিত কৰে।

## তেওঁৰ মৃত্যু আৰু পুনৰুত্থান

ঈছা মছীহৰ পৃথিৱীলৈ অহাৰ প্ৰকৃত আৰু একমাত্ৰ উদ্দেশ্য আছিল যেন তেওঁ মানুহৰ পাপৰ প্ৰায়চিত্ৰ হেতু আত্মবলিদান দি নাজাত আৰু বেহেস্থলৈ দুৱাৰ মুকলি কৰি অনুতাপিতজনলৈ পাপৰ ক্ষমা আনিব পাৰে। তেওঁ কৈছিল, *"অনেকৰ মুক্তিৰ মূল্যৰ অৰ্থে নিজৰ প্ৰাণ দিবলৈহে*

আচাৰ-ব্যৱহাৰ বা প্ৰয়োজন নিৰ্বিশেষে সকলোকে শুদ্ধ পথত আগুৱাই নিবলৈ সমৰ্থ। মানুহ জাতিক পাপ আন্ধাৰৰ ও বন্ধনৰ পৰা, বেহেস্থীয় পবিত্ৰতা ও শান্তিৰ পথ দেখুৱাই দিবলৈ এজন সমৰ্থবান ব্যক্তিৰ প্ৰয়োজন আছে। সেইজন ঈছা মছীহে কোৱাৰ দৰে, *‘‘যিজন মোৰ পাছে পাছে আহে, তেওঁ আন্ধাৰত নুফুৰি, জীৱনৰ নূৰ পাব’* (ইউহোন্না ৮:১২) কব পাৰিব  লাগিব।

বেহেস্থৰ পৰা নামি অহা এই জনাক সেৱা ও প্ৰশংসা কৰিবলৈ, তেওঁলৈ ক্ষমতা, কৰ্ত্তৃত্ব আৰু যোগ্যতা প্ৰদান কৰা হ’ল। তেওঁকেই সমুদায় জগতৰ মানুহক চলাই নিবলৈ সৰ্বকালৰ নিমিত্তে পৰিচালক নিযুক্ত কৰা হ’ল। সন্মানৰ সেই তৰাটিয়ে এই নাজাতদাতাৰ জ্যোতি সমগ্ৰ মানুহলৈ বিলাই মানুহৰ হৃদয়ত তেওঁক অনুসৰণ কৰিবলৈ সাহস ও অনুপ্ৰেৰণা যোগায়। নিষ্ঠা, নম্ৰতা, সফলতা আৰু আত্মবলিদানলৈ মনোযোগ দিয়াত, জগতৰ মানুহে জানিছে যে তেৰেইহে প্ৰশংসা পাবৰ যোগ্য জনা। মানুহে তেওঁৰ আগত নিবেদন কৰি অন্তৰত শান্তি লাভ কৰে, কিয়নো তেওঁ মানুহৰ সুখ-দুখৰ ভাগীদাৰ। মানুহৰ দুখ-কষ্ট, মানুহে চয়তানৰ পৰা পোৱা তাড়নাবোৰৰ কাষত থাকি সকলোৰে মৰ্ম অনুভৱ কৰিছে। তেওঁ সকলোৰে দুৰ্বলতাবোৰৰ প্ৰতি সদায় সহানুভূতিশীল হয়। এই উপসনাৰ তৰাটো কেৱল মাথো ঈছা মছীহৰ সোঁহাতেহে ধাৰণ কৰিছে”।

পঞ্চম তৰাটি হ’ল—

## তেওঁ আমাৰ লগত থকা

ঈছা মছীহই তেওঁৰ প্ৰকৃত চাহাবাসকলক কৈছিল যে আত্মিকভাবে তেওঁ তেওঁলোকৰ লগত সদায় থাকিব। আত্মিক ভাবে তেওঁলোকৰ সঙ্গত থাকি অন্তৰৰ অন্ধকাৰত দূৰ কৰিব। তেওঁ যিহেতু সত্য জনা গতিকে তেওঁৰ এই, সদায় লগত থকাৰ যি প্ৰতিজ্ঞা, সেয়ে গোটেই জগতৰ নূৰ হ’বলৈ, যিমানে তেওঁক বিশ্বাস কৰিলে সেই সকলোৰে প্ৰধানজনা হ’বলৈ তেওঁক যোগ্যতা দান কৰিলে।





যিজনে এনে আজ্ঞাবোৰ দিছিল তেওঁ নিজেই তেওঁৰ জীৱন কালত তাক পালন কৰিছিল। তেওঁৰ যেতিয়া নশ্বৰ দেহা ত্যাগ কৰিবৰ সময় হৈছিল, সলীববিদ্ধ অৱস্থাতেই তেঁও চিঞৰি কৈছিল, “*হে পিতৃ এওঁলোকক ক্ষমা কৰক, কিয়নো এওঁলোকে কি কৰিছে তাক নাজানে’* (লূক ২৩:৩৪ আয়াত)।

এজন প্ৰকৃত মছীহি ব্যক্তিয়ে জানে যে তেওঁলোকে নিজ ধৰ্ম্ম আচৰণ, শিক্ষা আৰু আজ্ঞাবোৰ মানি চলি, মুছলমান সকলৰ পৰা মৰম আৰু সন্মান লাভ কৰিব পাৰে। ইয়াৰ দ্বাৰাই মছীহই কোৱা “**ময়েই জগতৰ নুৰ**” কালামৰ যথাৰ্থতা মুছলমানসকলৰ আগত প্ৰতিপন্ন কৰিব পাৰে।

এজন সত্য মছীহি ব্যক্তিয়ে মুছলমান সকলৰ ঈছা মছীহৰ প্ৰতি থকা বিতুষ্ট ভাৱৰ অন্যান্য কাৰণবোৰৰ বাবে অন্তৰত কষ্ট পায়। তেনে লোকে জানে যে কেৱল তৰোৱালখন তাৰ খাপত ভৰাই থলেই মুছলমান সকলৰ অসন্তুষ্টিৰ অন্ত নপৰে। কিন্তু প্ৰেম আৰু ধাৰ্ম্মিকতাৰ দ্বাৰাইহে তেওঁলোকৰ মনোভাৱৰ পৰিবৰ্ত্তন অনা সম্ভৱ। ঈছা মছীহৰ আহ্বানৰ প্ৰকৃত অৰ্থৰ নিখুত জ্ঞানৰ দ্বাৰাইহে মুছলমানসকলে মছীহৰ কাষ চাপিব পাৰিব।

যিসকলে অতি মনোযোগেৰে শুভবাৰ্ত্তাৰ বিষয়ে ধ্যান কৰে তেওঁলোকে জানে যে মছীহৰ বাণী কেৱল ধৰ্ম্মীয় বিশ্বাসৰ পৰিবৰ্ত্তনক নুবুজায়। শুভবাৰ্ত্তাই সাম্প্ৰদায়িক গোটবোৰৰ নানান মতবাদক গ্ৰাহ্য নকৰে। ই কেৱল নামৰ পৰিবৰ্ত্তন ও নহয়। কিয়নো শাস্ত্ৰত মছীহি শব্দটো মাথোন তিনিবাৰহে উল্লেখ আছে। মছীহি মানে নুবুজায় যে ই কিছুমান মানিব লগীয়া নিয়ম-নীতি, ব্যৱস্থা, যেনে ত্বৰীকা আদিৰ দৰে বাহ্যিক ব্যৱস্থাৰ সমষ্টি। এই সকলোবোৰ গৌণহে।

মছীহৰ শুভবাৰ্ত্তাৰ প্ৰকৃত উদ্দেশ্য হৈছে সেইজনৰ সৈতে আমাৰ প্ৰকৃত, ব্যক্তিগত, বিশ্বাসী সম্বন্ধ গঢ়িতোলা যাক পৰিত্ৰাতা স্বৰূপে আল্লাহই সকলো মানুহৰ বাবেই সমভাবে দান কৰিলে। মছীহি সকলৰ ওপৰঞ্চি নীতি নিয়মবোৰৰ কিছু কিছু পালন নকৰিলেও হয় আৰু মূল নীতিবোৰ পালন কৰাত লাভ হ’ব তেতিয়াহে, যেতিয়া কোনোৱে অন্তৰেৰে সৈতে, অন্তৰৰ গভীৰতম ভাগৰ পৰা ঈছা মছীহক গ্ৰহণ কৰে। যদিহে এনেয়ে নামৰ বাবে, ওপৰোৱাকৈ দেখুৱাবলৈ মছীহি নামটো লব খোজে তেনেহলে কোনো লাভ

নাই। যেতিয়া এজন মুছলিমে সত্য কথাটো জানিব তেতিয়া তেওঁৰ মছীহৰ শুভবাৰ্ত্তাৰ প্ৰতি থকা অসন্তুষ্টিৰ কাৰণ আতঁৰি যাব।

কোনোৱে যদি ভালকৈ মন কৰে তেনেহলে দেখিব ঈছা মছীহ ৱে কোৱা নাছিল যে, "মই জগতৰ বহুবোৰ নুৰৰ মাজৰ এটি নুৰ।" তেওঁ নিজকে গোটেই জগতৰ পোহৰ বুলিহে কৈছে। যদিহে আন কোনোৱে পোহৰ বিলাইছে বা বিলাব সেই সকলোৱেই তেওঁৰ পৰা পোহৰ লৈহে বিলাব বা বিলাইছে। যেনেকৈ চন্দ্ৰ বা কিছুমান তৰাই, সিহঁততকৈ ডাঙৰ সূৰ্য্যৰ পৰাহে পোহৰ গ্ৰহণ কৰি লৈ বিলায়। সূৰ্য্যৰ লগত সিঁহতৰ কোনো তুলনা নহয়।

এজন নিষ্ঠাৱান মুছলমানৰ বাবে নিজৰ ধৰ্ম্মীয় বিশ্বাসক থিতাতে পৰিত্যাগ কৰি মছীহই কোৱা "ময়েই জগতৰ নুৰ" এই সত্য কথাষাৰ গ্ৰহণ কৰাটো অসম্ভৱ। সম্পূৰ্ণ নিষ্ঠাসহকাৰে সময়লৈ ধ্যান, অনুসন্ধান নকৰাকৈ এই সত্যক আৱিস্কাৰ কৰা নাযায়। ফলস্বৰূপে তেওঁ অন্যান্য ধৰ্ম্ম বিশ্বাসৰ লগত বাদ বিচাৰ নকৰাকৈ নাথাকিব। তেঁও নিজ ধৰ্ম্ম বিশ্বাসৰ লগত অমিল হোৱা বাবে বা পূৰ্ব্ব পুৰুষ সকলৰ পৰা পালন কৰি অহা বিশ্বাস ও সমাজৰ বাবে কোনো ধৰণৰ প্ৰমাণিত ধৰ্ম্মীয় ব্যৱস্থাক অৱজ্ঞা নকৰিব। তেওঁ কোৰাণ শ্বৰীফৰ সমৃদ্ধিশালী বাণীবোৰৰ মাজত বিচাৰ কৰিব, কোৰাণে নো কি কয়। আল কোৰাণৰ বাণী *"ইতিপূৰ্বে সিহঁতক কোনো পুথি দান কৰিছিলো নেকি য'ত (এই ফিৰিস্তাসকলৰ উপাসনা কৰাৰ সপক্ষে) কোনো চনদ আছে আৰু তাকে সিহঁতে দৃঢ় ভাবে ধাৰণ কৰি আছে? (তেনে নহয়) বৰং সিহঁতে কয়- ' আমি আমাৰ পূৰ্ব পুৰুষ সকলক এটা বিশেষ পন্থা অনুসৰণ কৰি চলা দেখিছো আৰু আমি তেওঁলোকৰ পদাংক অনুসৰণ কৰি চলি আছো। এনেদৰে আমি তোমাৰ পূৰ্বে যি জনবসতিলৈ কোনো সতৰ্ককাৰী প্ৰেৰণ কৰিছিলো তাৰ বিত্তশালী মানুহবিলাকে এই কথাকে কৈছিল- ' আমি আমাৰ পিতৃ-পিতামহসকলক এটা পন্থা অনুসৰণ কৰা দেখিছো আৰু আমি তেওঁলোকৰেপদাংক অনুসৰণ কৰি চালি আছো।'....তোমালোকে তোমালোকৰ পুৰ্ব পুৰুষবিলাকক যি পন্থাত পাইছিলা মই যদি তাতকৈ উত্তম সঠিক পথ দেখুৱাও তথাপিও তোমালোকে তোমালোকৰ পূৰ্বপুৰুষবিলাকৰ পন্থাকে অনুসৰণ কৰি থাকিবানে?"* (চুৰা আয যখৰুফ ২১-২৩ আয়াত)।





তেওঁক অভিযুক্ত কৰি সলীবত দিবলৈ সুবিধা পাইছিল। তেওঁবিলাকে ঈছা মছীহে যে নিজকে ৰজা বুলি কৈছে তাকে ৰোমান সম্ৰাট কাই জাৰৰ সিংহাসনৰ বাবে ভাবুকি স্বৰূপ বুলি ৰোম চৰকাৰৰ আগত দোষাৰূপ কৰিবলৈ সুবিধা পাইছিল। যেতিয়া পীলাতে সুধিলে "তুমি ইহুদী সকলৰ ৰজানে?" (ইউহোন্না ১৮:৩৩)। ঈছা মছীহে উত্তৰত কৈছিল "মোৰ ৰাজ্য এই জগতৰ নহয়" (ইউহোন্না ১৮:৩৬)। পীলাতে নিজেই তিনিটা ভাষাত ঈছা মছীহৰ পদাধিকাৰ এখন ফলকত **"নাচৰতীয় ঈছা মছীহ, ইহুদী সকলৰ ৰজা"** (ইউহোন্না ১৯:১৯) এই বুলি লিখি সলীবৰ ওপৰত গজাল মাৰি আঁৰি দিছিল।

এনে কাৰ্য্য কেতিয়াও কোনো নবী বা চাহাবাৰ ক্ষেত্ৰত হোৱা নাছিল। নাজাত যে নিজতহে আছে তাক ঈছা মছীহৰ বাহিৰে কোনেও কোৱা নাছিল। তেওঁ মানুহ সকলক, তেওঁত বিশ্বাস কৰি নাজাত লভিবলৈ আহ্বান কৰিছিল। তেওঁ কোৱা এনেধৰণৰ বহুবোৰ কথা আছে। উদাহৰণস্বৰূপে, ঈছা মছীহে কৈছিল, '*হে পৰিশ্ৰান্ত আৰু ভাৰাক্ৰান্ত লোকসকল, মোৰ ওচৰলৈ আহা, মই তোমালোকক জিৰণি দিম।*' (মথি ১১:২৮)।

অন্যান্য বিষয়ত মানুহে যেনেকৈ বহুবচনত 'আমি' শব্দটো ব্যৱহাৰ কৰে, তেনেদৰে নকৰি ঈছা মছীহে 'মই' শব্দটো ব্যৱহাৰ কৰি মানুহৰ মাজত তেওঁৰ অতুলনীয় প্ৰতিপন্ন কৰিছে। তেওঁ যে আনৰ দৰে কেতিয়াও আল্লাহৰ ওচৰত নিজ পাপৰ বাবে ক্ষমা বিচৰা নাছিল বা পাপৰ বাবে অনুতাপ কৰিবলগীয়া নহৈছিল বা পাপ স্বীকাৰ কৰাৰ প্ৰয়োজন হোৱা নাছিল, এয়ে তেওঁৰ ব্যতিক্ৰম পৰিচয় দিয়ে।

ঈছা মছীহ যে সন্মান পোৱাৰ যোগ্য আৰু মানুহজাতিৰ পথদৰ্শক হোৱাৰ তেওঁৰ যোগ্যতা আছে তাক এই নূৰে আলোকিত কৰি তোলে। মানুহ জাতিক এনে এজন পথ প্ৰদৰ্শকৰ প্ৰয়োজন আছিল যিজনে পৃথিৱীৰ আটাইবোৰ মানুহকে তেওঁৰ বয়স, জাতি, ভাষা, পৰিবেশ,

# প্ৰসংসাৰ যোগ্যতা

কোনোজানে যদি তেওঁলৈ যচা প্ৰশংসা বা সন্মান গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে, তেনেহ'লে জানিব লাগিব যে তেওঁ সেই প্ৰশংসাৰ যোগ্য নহয়। কিন্তু যেতিয়া আল্লাহৰ ৰূহানী পুত্ৰই নিজকে ধাৰ্মিক জনা বুলি প্ৰকাশ কৰি তেওঁ যে স্বৰূপেই আল্লাহৰ পুত্ৰ হয় আৰু স্বৰগৰ পৰা অহা জনা বুলি নিজকে জাহিৰ কৰে, সেয়া গ্ৰহণযোগ্য। এই দৰে কোৱা ব্যক্তি ইছা মছীহ তেওঁ কোৱাৰ দৰেই সত্যজনা আৰু সকলো মানুহৰ মাজত উত্তমজনা তাক প্ৰতিপন্ন কৰিছে। এইজনাই, আচল অৰ্থত নিজৰ সন্মান আৰু প্ৰশংসা গ্ৰহণ কৰা ঈছা মছীহ।

এই কাৰণেই ঈছাৰ কোনো চাহাবা বা ফিৰিস্তাই কেৱল আল্লাহৰ যি যোগ্য খিতাপ বা সন্মান তাক নিজলৈ গ্ৰহণ কৰা নাছিল। কিন্তু আল্লাহে সৈতে তেওঁৰ আটাই নম্ৰতা, জ্ঞান আৰু ওচৰ সম্বন্ধৰ স্বত্বেও, সকলো প্ৰশংসা আৰু গৌৰৱৰ যোগ্যজন যে একমাত্ৰ আল্লাহহে তাক স্বীকাৰ কৰিও, তেওঁৰ শিক্ষাৰে শিক্ষিত শিষ্য সকলৰ পৰা প্ৰশংসা আৰু গৌৰৱৰ ভাগ গ্ৰহণ কৰিবলৈ অমান্তি নহৈছিল। যেতিয়া ঈছা মছীহৰ এজন শিষ্যই তেওঁক কৈছিল, "হে মোৰ প্ৰভূ, হে মোৰ ইলাহ" (ইউহোন্না ২০:২৮), তেতিয়া তেনেকৈ কোৱা বাবে ঈছা মছীহে তেওঁক গালি দিয়া নাছিল। এইদৰে আন এজন শিষ্যইও কৈছিল, "হে প্ৰভু আপুনি সকলোকে জানে...." (ইউহোন্না ২১:১৭)।

তেওঁক নাচৰতৰ এজন দুখীয়া কাঠ মিস্ত্ৰি বুলিহে মানুহে জানিছিল। তেওঁ যে এখন সাম্ৰাজ্যৰ অধিকাৰী বা ভবিষ্যতে এজন ৰজা হ'ব তাৰ লেশমানো আশাৰ স্থল নাছিল। কিন্তু তেওঁ যেতিয়া গাধৰ পিঠিত উঠি জেৰুজালেম নগৰলৈ যাত্ৰা কৰিছিল, তেতিয়া উৎসাহিত হৈ লোকসমূহে তেওঁক "প্ৰভূৰ নামেৰে যিজন আহিছে তেওঁ ধন্য" এই বুলি সন্মান জনাই আদঁৰিছিল।

ঈছা মছীহৰ বিৰুদ্ধী সকলে এই ধৰণৰ কথাবোৰৰ আলম লৈয়ে





এজন মুছলমানে বুজি পায় যে যদিহে মৰিয়ম পুত্ৰ ঈছা মছীহে তেওঁৰ পূৰ্ব্ব পুৰুষ সকলৰ পৰা পোৱা প্ৰাক যিহুদী ধৰ্ম্ম বিশ্বাসক খামুচি ধৰি থাকিলেহেতেন, তেনেহ'লে মছীহি ধৰ্ম্মৰ সৃষ্টি নহ'লহেতেন বা ঈছা মছীহৰ শুভবাৰ্ত্তাৰ কোনো অস্তিত্বই নাথাকিলেহেতেন। একেই কথা মহম্মদ বিন আব্দুল্লা কোৰেচীৰ ক্ষেত্ৰটো খাটে। তেওঁ নিজকে পূৰ্ব্ব পুৰুষৰ ধৰ্ম্মীয় বিশ্বাস আৰু ব্যৱস্থাতে নিজকে সীমাবদ্ধ নাৰাখি, তৌৰাৎ আৰু ইঞ্জিলৰ সৈতে নিজৰ বিশ্বাসক সংযুক্ত কৰি নিজৰ অন্তৰ মুকলি কৰি দিলে। এনে মুকলি চিন্তাৰ স্বাধীনতাই প্ৰকৃত জনাৰ প্ৰয়োজনীয় পদক্ষেপ।

সন্দেহ নাই যে প্ৰতিজন বুজন ব্যক্তিয়েই প্ৰমাণিত সত্যক সদায়েই সন্মান জনাব। ইয়াৰ সত্যতা নিৰূপন কৰিবলৈ আহোপূৰুযাৰ্থ কৰিব, যত্নেৰে ইয়াৰ বিচাৰ কৰিব। তেওঁ কেৱল যে নিজ ধৰ্ম্ম বিশ্বাসৰ অনুসন্ধান কৰিব এনে নহয়। কিন্তু অন্যান্য বিশ্বাসৰ ধৰ্ম্মশাস্ত্ৰও অধ্যয়ন কৰিব যাতে অজেয় সত্যক জানিব পাৰে, বা তেওঁ 'সত্য' শব্দটোৰ গুঢ়াৰ্থ বুজি পায়। বুজি পাই যেন এই স্বৰ্গীয়, পবিত্ৰ ব্যক্তি জনাক বুজিবলৈ ব্যৱহাৰ কৰে। দাউদ নবীৰ উক্তি চালে পাওঁ, "মই বিশ্বস্বতাৰ পথ মনোনীত কৰিলো।" (গীতমালা ১১৯ : ৩০) দাউদ পুত্ৰ ছোলেমানৰ উক্তি" সত্যক কিনা, নেবেচিবা" (হিতোপদেশ ২৩:২৩)।

এনেধৰণৰ বুদ্ধিমত্তাৰ অধিকাৰী অনুসন্ধান কাৰীয়ে তেওঁৰ জ্ঞান প্ৰকৃত সত্যক উদ্ভাৱন কৰাত নিয়োগ কৰি, বিভিন্ন ধৰ্ম্মীয় বিশ্বাস অধ্যয়ন কৰি হলেও সত্যৰ বিচাৰ কৰিব আৰু সত্যক পালে অসত্যক ত্যাগ কৰিব। তেওঁ লৰামতীয়া অন্ধবিশ্বাস, অৰ্থহীন তৰ্ক-বিতৰ্কৰ দ্বাৰাই নিজকে ব্যস্ত ৰাখা নানান ধৰ্ম্মীয় বিশ্বাসৰ পৰা ফালৰি কাটি যাব। তেনেদৰে তেঁও নানা আখ্যান আৰু চমকনি লগা কথাবোৰ, যিবোৰ আল্লাহ প্ৰদত্ত নহয় বুলি বিবেচিত, এই সকলোকে প্ৰত্যাখান কৰিব। এনে সময়ত তেনে লোকে জামাখ্চাৰিয়ে (Zamakhshari) কোৱা, "যি কোনো তত্ব যুক্তি যুক্ততাৰ অবিহনে অশুদ্ধ" বোলা কথাষাৰ অনুধাবন কৰিব।

যেনেকৈ কোনো এখন ঘোলা নদীৰ পানী চাকি, পানীৰ গুণাগুনৰ বিষয়ে কোনো অভিমত দিব নোৱাৰি, ঠিক তেনেকৈ আগৰ কালৰ বা বৰ্ত্তমানৰ

মছীহি সকললৈ চাই, তেঁওলোকৰ অযোগ্যতাবোৰ চাই মছীহি বিশ্বাসৰ ওপৰত কোনো সিদ্ধান্তলৈ অহা উচিত নহব। এনে সিদ্ধান্ত তেতিয়াহে শুদ্ধ হব যেতিয়া তেওঁবিলাকে এই বিশ্বাসৰ মূল নায়ক ও পথপৰিদর্শকৰ বিষয়ে জ্ঞান লাভ কৰিব। তেৱেঁইহে প্ৰকৃত আদর্শ আৰু ধৰ্ম্মীয় শিক্ষাৰ আদি ব্যক্তি।

ধৰ্ম্মীয় গোড়ামিয়ে কোনো ব্যক্তিৰ মানসিক চিন্তা ধাৰাত ব্যঘাত জন্মায়। তেওঁৰ চাৰিওফালে পোহৰে জলমলাই থাকিলেও তেওঁ পোহৰ উপভোগ কৰিব নোৱাৰে কাৰণ তেওঁ ধৰ্ম্মীয় গোড়ামিৰ যোগে অন্ধ হৈ থাকে। কিন্তু প্ৰকৃত চিন্তাশীল ও সত্যান্বেষী ব্যক্তিয়ে এনে বন্ধনৰ পৰা নিজকে মুক্ত কৰি শুদ্ধ দিশে তেঁওৰ চিন্তাক আগবঢ়াই নিবলৈ সমর্থ। যিজনে ধৰ্ম্মীয় সংকীর্ণতাৰ উৰ্দ্ধলৈ উঠি সত্যৰ অনুসন্ধান কৰে তেঁও জানিব যে যদিওবা ধৰ্ম্মীয় মত এক প্ৰয়োজনীয় বিষয়, ই কিন্তু প্ৰকৃত সত্য উদঘাটনৰ বাবে সহায়ক নহয়। ই এজন মানুহে পৰিধান কৰা সাজ পোছাকৰ দৰেহে। যদিও ধুনীয়া সাজপোছাকৰ প্ৰয়োজন আছে তথাপিও এনে সাজপোছাকৰ ওপৰত ভিত্তি কৰি কোনো মানুহৰ ভিতৰখন জনা সম্ভৱ নহয়। যেনেকৈ এজন মানুহৰ ব্যক্তিত্ব তেওঁ পিন্ধা সাজ-পাৰৰ দ্বাৰাই জুখিব নোৱাৰি তেনেকৈ কোনো ধৰ্ম্ম বিশ্বাসৰ গুৰুত্বৰ বিষয়ে কেৱল ধৰ্ম্মৰ নামটোৰ দ্বাৰাই বিচাৰ কৰিব নোৱাৰি। এই বিচাৰ হ'ব লাগিব সেই ধৰ্ম্মৰ মূলতত্বৰ ওপৰত প্ৰতিষ্ঠিত। ধৰ্মৰ উদ্দেশ্য মানুহৰ উন্নতি, অধোগতি নহয়। যিজনে জীৱন দিবলৈ আহিল তেওঁহে প্ৰকৃত ধৰ্ম্মৰ চিনাকী দিব পাৰে।

ধৰ্ম্ম এখন ফলমূলৰ বাগিছাৰ নিচিনা। ধৰ্ম্মবিশ্বাসৰ বিভিন্ন মতবোৰ বাগিছাৰ গছবোৰ। কেৱল শুদ্ধ ধৰ্ম্ম বিশ্বাস ফলহীন গছৰ নিচিনা। কোনো গছেই ফল আশা নকৰাকৈ ৰোপন কৰা নাযায়। প্ৰকৃত বিশ্বাসৰ ফল হ'ল ধাৰ্ম্মিকতা। কোনো গছে যদি বহুকাল ফল নিদিয়াকৈ থাকে তেনেহলে তাক কটা যায় আৰু খৰিৰ দৰে পোৰা যায়। কেৱল শুদ্ধ ধৰ্ম্মীয় শিক্ষাই মানুহৰ অন্তৰৰ বাঞ্ছা পূৰণ নকৰে। ইয়াৰ ফলৰ দ্বাৰাইও কোনো সন্তুষ্টি পোৱা নাযায়। ভাল চৰিত্ৰ বা ভাল কৰ্ম্মৰাজিৰ মাজতো ইয়াক পাব নোৱাৰি। এই সকল কথা অৱহেলা কৰাটো বৰ বিপদৰ কথা। যিকোনো বিশ্বাসীৰ জীৱন ধাৰণ যদি তেওঁৰ ধৰ্ম্মীয় বিশ্বাসৰ বিপৰীত হয় তেনেহলে এজন নাস্তিকতকৈও তেঁওৰ শাস্তি অধিক হ'ব।





আছে তাকে জানি, এজন ত্ৰাণকৰ্ত্তাত আশ্ৰয়লোৱাৰ প্ৰয়োজন আছে তাক হৃদয়ঙ্গম কৰি ঈছা মছীহৰ ওচৰলৈ আহে, সেইজনৰ পথ, সেই তৰাৰ কৰ্ত্তৃত্ব আৰু ঈছা মছীহৰ ক্ষমতাই আলোকিত কৰি তোলে। তেওঁ জানিব যে যি জনাই ভূতবোৰক বাহিৰ কৰিব পাৰে, তেওঁ নিশ্চয়েই ভূতবোৰৰ ৰজা চয়তানক তেওঁৰ অন্তৰৰ পৰা বাহিৰ কৰিব পাৰে। যিজনা ঈছাই মহাসাগৰৰ ঢৌ ধুমুহাক নিজ কালামৰ দ্বাৰাই শান্ত কৰিব পাৰে, তেওঁ আপোনাৰ জীৱনৰ পৰাও নানান বাধা আৰু অসফলতাবোৰ দূৰ কৰিব পাৰে। যিজনে মৃতকক জীয়ালে তেওঁ নিজ আত্মাৰ পৰা জীৱন বোৱাই দিয়া নাজাতৰ সন্ধান আমি পাওঁ। তেওঁ নিজৰ অন্তৰ আৰু বাহু মেলাকৈ ৰাখিছে যেন অৱহেলিত, পাপৰ অনুশোচনাৰে জৰ্জৰিত, দুখ বেজাৰত থকা সকলোৱে তেওঁৰ ওচৰত আহি জিৰণী লব পাৰে। যিজনে বেহেস্থীয় ৰাজকীয় সিংহাসনৰ আগত আপোনাৰ আৰু মোৰ কাৰণে সফলতাৰে নিবেদন কৰে, তেৱেঁই আমাৰ ত্ৰাণকৰ্ত্তা হজৰত ঈছা-আল-মছীহ। পুনৰজীৱিত ঈছা মছীহতেই যিকোনোৱে তেওঁৰ অন্তৰত থকা মৃত্যু ভয়ৰ পৰা মুক্তিদাতা বিচাৰি পাব। তেওঁৰ মৃত্যু শয্যা জীৱনৰ শয্যালৈ পৰিবৰ্ত্তিত হ'ব। ঈছা মছীহে তেওঁৰ নৰকৰ শক্তিক পৰাভূত হোৱা দেখা পাব। দেখিব যে মৃত্যুৰ অন্ধকাৰৰ গলি বেহেস্থলৈ যোৱা শান্তি আৰু আনন্দৰ গলিলৈ পৰিবৰ্ত্তিত হৈছে।

এতেকে যিজন ত্ৰাণকৰ্ত্তাক আল্লাহে জগতৰ নূৰ হ'বলৈ মৃত্যুৰ পৰা জীয়ালে, তেওঁৰ সম্পূৰ্ণ ক্ষমতা আৰু কৰ্ত্তৃত্ব থকাটো অপৰিহাৰ্য্য। এয়েই সেইজনা ঈছা মছীহ , যাৰ বাহিৰে আন কোনেও নিজ সোহাঁতত ধাৰণ কৰিব নোৱাৰে।

চতুৰ্থ চৰাটি হ'ল—

*“সকলোৱে যেনেকৈ পিতৃক সমাদৰ কৰে, পুত্ৰকো তেনেকৈ যেন সমাদৰ কৰে, এই নিমিত্তে পিতৃয়ে নিজে কাৰো সোধ-বিচাৰ নকৰি আটাই সোধ-বিচাৰৰ ভাৰ পুত্ৰক শোধাই দিলে, যিজনে পুত্ৰক সমাদৰ নকৰে, তেওঁ তেওঁক পঠোৱা পিতৃকো সমাদৰ নকৰে।”* (ইউহোন্না ২২:২৩)।

ঈছা মছীহে প্ৰতিজ্ঞা কৰি কৈছে যে তেওঁ নিজ গৌৰৱ আৰু প্ৰতাপেৰে বেহেস্থৰ দূত আৰু মনোনীত সকলৰ সৈতে পুনৰ আহিব। (মথি ২৫:৩১)। সেয়েহে গৌৰৱ আৰু সাম্ৰাজ্য, বেহেস্থৰ দূত আৰু মনোনীত সকল সকলোৱেই তেওঁৰ নিজৰ। কিয়নো তেওঁ আৰু তেওঁৰ পিতৃ যে এক তাকে ঈছা মছীহে কয়। (ইউহোন্না ১০:৩০)। ঈছা মছীহে আকৌ কৈছে যে শেষৰ দিনা তেওঁ তেওঁক বিশ্বাস কৰা সকলোকে তুলিব। (ইউহোন্না ৬:৩৯-৪০)। আৰু কৈছে যে তেওঁ যাকে ইচ্ছা কৰে, তাকে জীৱন দিয়ে। (ইউহোন্না ৫:২১)।

তেওঁৰ কথা আৰু কৰ্ম্মত নিজ কৰ্ত্তৃত্ব প্ৰকাশ পায়, কিয়নো তেওঁ অনুতাপিত সকললৈ স্বকীয় ভাবে স্থায়ী বেহেস্থীয় ক্ষমা দান কৰে। এনেদৰে কাৰ্য্য কৰোতে তেওঁ ইহুদী সকলৰ পৰা “আল্লাহৰ নিন্দক” বুলি অপবাদিত হৈছিল। তেওঁলোকে সুধিছিল “আল্লাহৰ বাহিৰে কোনো পাপ ক্ষমা কৰিব পাৰে?” (মাৰ্ক ২:৭)। মৃত লাজাৰক কবৰৰ পৰা জীয়াই তুলোতে ঈছা মছীহে কৈছিল, “হে লাজাৰ বাহিৰলৈ আহা।” (ইউহোন্না ১১:৪৩)। সেইদৰে তেওঁ ভূতবোৰক আৰু সাগৰৰ ধুমুহাক নিজ কৰ্ত্তৃত্বৰ আদেশ দিছিল, তাতে সেইবিলাকে তেওঁৰ আজ্ঞা মানিছিল। তেওঁৰ কথা আৰু কৰ্ম্মত প্ৰকাশ পোৱা যি কৰ্ত্তৃত্ব হেয়া কোনো নবুৱতী বা ৰাজুতৰ লগত তুলনা কৰা নাযায়।

এই কৰ্ত্তৃত্বমূলক তৰাৰ পৰা সৰ্ব্বশক্তিক সাঙুৰি পোহৰ বিকিৰিত হয়। মাৰ্ক ২:১০ পদত ঈছা মছীহে কৈছে, *“কিন্তু পৃথিৱীত পাপ ক্ষমা কৰিবলৈ মানুহৰ পুত্ৰৰ* (ইব্‌নে আদমৰ) *ক্ষমতা আছে।’* যাৰ এনে কোনো নিজা পোহৰ নাই তেওঁ গোটেই পৃথিবীক পোহৰ দান কৰিব পাৰে নে? নিশ্চয়েই নোৱাৰে।

এতেকে যিকোনোৱে নিজৰ দুৰ্ব্বলতা ও পাপসমূহৰ ক্ষমাৰ প্ৰয়োজন





বুজন আৰু জ্ঞানী লোকসকলৰ মাজত ধৰ্ম্মক লৈ বাদানুবাদ হলে তেওঁবিলাকে ধৰ্ম্মতত্বৰ উৎকৃষ্টতাক লৈ নহয় কিন্তু নিৰ্ম্মল চৰিত্ৰৰ ওপৰতহে গুৰুত্ব আৰোপ কৰে। দ্বিতীয়টোৱেই বিতৰ্কৰ বাবে আদৰণীয় বিষয়। ই গোটবোৰ বা ব্যক্তিবিশেষক লাভজনক ফল পোৱাত সহায় কৰে। কিয়নো বহুসময়ত বিশ্বাসৰ মতবিৰোধে মানুহৰ মাজত ঘৃণা আৰু বিভেদৰ সৃষ্টি কৰে। অন্যহাতেদি ধাৰ্ম্মিকতাৰ বিতৰ্কতাত দুয়ো পক্ষৰে লাভ হয় আৰু দুয়ো দুয়োৱে কাষ চাপিব পাৰে।

সমূহীয়া ধৰ্ম্মতত্বৰ ওপৰত হোৱা সমিল-মিল এক বিশেষ তত্বৰ ওপৰত হোৱা অমততকৈ অধিক উত্তম। এই আলোচনাৰ উদ্দেশ্য হৈছে সাম্প্ৰদায়িক পক্ষ-পাতিত্ব দূৰ কৰি, একোটা শ্ৰেণীয়ে অন্য শ্ৰেণীৰ ওপৰত ভৰ দি নিজকে জাহিৰ কৰা প্ৰয়াসক দূৰ কৰা। মছীহৰ মৰ্য্যদা ও কিতাবুল মোকাদ্দছ অধ্যয়নত সততাৰে ভাগ লোৱাটো মছীহি সকলৰ বাবে বাধ্যকতা স্বৰূপ।

প্ৰথমতে, আল-কোৰাণে আল্লাহৰ কালাম কিতাবুল মোকাদ্দছৰ বিষয়ে কি কয় তালৈ লক্ষ্য কৰাটো প্ৰয়োজন। তৌৰাৎ আৰু ইঞ্জিল শ্বৰীফ এই দুয়োখন শাস্ত্ৰ আল-কোৰাণৰ পূৰ্ব্বেই প্ৰতিস্থিত হৈছিল। ইয়াৰ সমৰ্থনত বহুবোৰ আয়াত কোৰাণত পোৱা যায়। আমি তৌৰাৎ ও ইঞ্জিলৰ বিষয়ে কেইটিমান উদ্ধৃতিৰহে উল্লেখ কৰিম।

“... *বৰ্ত্তমান আমি অৱতীৰ্ণ কৰা পুথিখনক বিশ্বাস কৰা, যিখনে তোমালোকৰ লগত থকা পুথিখনক সমৰ্থন কৰে আৰু সত্যতাৰ প্ৰমাণ দিয়ে...।*” (চুৰা আন-নিছা ৪৭ আয়াত)।

*“এয়া তোমাৰ প্ৰভুৰ পৰা পোৱা সত্য কথা, সেয়ে তুমি সেইবোৰৰ বিষয়ে কেতিয়াও সন্দেহ পোষণ নকৰিবা।”* (চুৰা আলে-ইমৰাণ ৬০ আয়াত)।

“*(হে মোহাম্মদ) এই সত্যবাহী পুথিখনি তোমাৰ প্ৰতি অৱতীৰ্ণ কৰিছো, এইখনে ইয়াৰ পূৰ্বে অৱতীৰ্ণ হোৱা পুথি সাৱস্ত আৰু সংৰক্ষণ কৰিব....*” (চুৰা আল-মায়িদা ৪৮ আয়াত)।

*“যিসকলে আল্লাহ আৰু তেওঁৰ ৰছুলসকলৰ প্ৰতি বিশ্বাস স্থাপন কৰে আৰু তেওঁলোকৰ মাজত কোনো পাৰ্থক্য নকৰে, অনতিপলমে আল্লাহে*

*তেওঁলোকক পুৰস্কাৰ দান কৰিব...."* (চুৰা আন-নিছা ১৫২ আয়াত)।

*"এই কোৰাণখন এনে পুথি নহয় যে, আল্লাহৰ ৱহী আৰু শিক্ষা ব্যতীত ইয়াক ৰচনা কৰা যায়, বৰং ইয়াৰ পূৰ্ব্বে যি অৱতীৰ্ণ হৈছিল ই তাৰ সত্যতা সাব্যস্ত কৰে আৰু ই (পূৰ্ব্বৱৰ্তী) ঐশীপুথিসমূহৰ বহল ব্যাখ্যা। এইখন যে বিশ্বনিয়ন্তাৰ তৰফৰ পৰা অহা পুথি তাত কোনো সন্দেহ নাই"* (চুৰা ইউনুছ ৩৭ আয়াত)।

আৰু অন্যান্য আয়াতবোৰতো তৌৰাত আৰু ইঞ্জিলৰ সত্যতাৰ বিষয়ে উল্লেখ আছে। যেনে-

*" তেৱেঁই তোমাৰ প্ৰতি সত্যবহনকাৰী পুথি অৱতীৰ্ণ কৰিঠে, যিখনে ইয়াৰ পূৰ্ব্বে অৱতীৰ্ণ হোৱা পুথিসমূহৰ সত্যতা ঘোষণা কৰে। তৌৰাত আৰু ইঞ্জিল অৱতীৰ্ণ কৰিছে ইতিপূৰ্বেই মানৱৰ হেদায়তৰ পথ প্ৰদৰ্শনৰ বাবে।"* (চুৰা আলে-ইমৰাণ ২ আয়াত)।

*"যি সকলে এই নিৰক্ষৰ প্ৰেৰিত পুৰুষজনাক অনুসৰণ কৰিব, যিজনাৰ উল্লেখ সিহঁতে তৌৰাত আৰু ইঞ্জিলত লিখিত থকা পাইছে, তেওঁ সিহঁতক সৎ কৰ্ম কৰিবলৈ আদেশ দিব আৰু অসৎ কৰ্ম কৰিবলৈ নিষেধ কৰিব....."* (চুৰা আল-আৰাফ ১৫৭ আয়াত)।

*"আল্লাহৰ ৰছুল মোহাম্মদ আৰু যিসকল তেখেতৰ লগত আছে, তেওঁলোক অবিশ্বাসকাৰীবিলাকৰ প্ৰতি কঠোৰ আৰু নিজৰ ভিতৰত পৰস্পৰ সদয় আৰু সহানুভূতিশীল।....তেওঁলোকৰ এই গুণৰ পৰিচয় তৌৰাতত দিয়া হৈছে আৰু ইঞ্জিলত তেওঁলোকৰ উপমা...দিয়া হৈছে..... ।"* (চুৰা আল ফাত্হ ২৯ আয়াত)।

*"ঐশীপুথিপ্ৰাপ্তবিলাকে যদি বিশ্বাস কৰিলেহেঁতেন, নৈষ্ঠিকতা আৰু নৈতিকতাৰ পথ অৱলম্বন কৰিলেহেঁতেন, আমি সিহঁতৰ দোষবোৰ নিশ্চয় দূৰ কৰিলোহেঁতেন আৰু পৰম সুখৰ জান্নাতত প্ৰৱেশ কৰালোহেঁতেন।"* (চুৰা আল- মায়িদা ৬৫ আয়াত)।

*"হে ঐশীপুথিপ্ৰাপ্তিসকল, (থিয় দিবলৈ) তোমালোকৰ কোনো মূল ভেটি নহব যেতিয়ালৈকে তৌৰাত, ইঞ্জিল আৰু তোমালোকৰ প্ৰভুৰ পৰা*





*নগ'লে, পিতৃৰ ওচৰলৈ কোনো নাযায়।"* (ইউহোন্না ১৪:৬)।

তেওঁ কৰা তেওঁৰ আটাইবোৰ প্ৰতিজ্ঞাৰ প্ৰতি তেওঁ সঁচেতন। এনেবোৰ প্ৰতিজ্ঞা মানুহৰ জীৱনৰ সকলো স্তৰতে, সকলো পৰিবেশত এক আস্থাৰ আৰু এক নিৰ্ভৰশীল আশ্ৰয়ৰ কাৰক। প্ৰকৃত ইমানদাৰ এজনৰ কাৰণে এনেবোৰ প্ৰতিজ্ঞা বৰ্ত্তমানৰ মঙ্গলৰ পৰিপূৰ্ণতা আৰু আহিবলগীয়া দিনবোৰৰ বাবে অতিকৈ উপচি পৰা জীৱনৰ উৎস। ইঞ্জিলত এনেবোৰ প্ৰতিজ্ঞাৰ বিষয়ে অধ্যয়ন কৰাটোও এক অতি আনন্দৰ বিষয়। সকলোবোৰ সন্দেহ, ভয় আৰু মনোদুখ দূৰ কৰা এই প্ৰতিজ্ঞাবোৰ কেনে সুন্দৰ!

কোনো কোনো মছীহিলোকে, যি কোনোৱে ইঞ্জিলৰ প্ৰকৃত অৰ্থ বুজি পায়, তেওঁলোকে এই মহৎ জ্ঞানৰ বিষয়ে আনক নোকোৱাকৈ, বিশেষকৈ মুছলিম ভাইসকলক নোকোৱাকৈ কেনেদৰে থাকিব? এই সুখৰ মধুময় বাণীয়ে দুখ-বেজাৰৰ বোজা আঁতৰাই জ্ঞানীসকলক প্ৰকৃত শান্তি প্ৰদান কৰে, আনন্দ দান কৰে, তুষ্ট কৰে। এই ভাৱবাণী প্ৰকাশ কৰা তৰাটি তেওঁৰ হাতৰ বাদে আন কাৰো হাতে ধাৰণ কৰা নাই।

উল্লেখিত দুটি তৰাৰ বাদে আমি তৃতীয় এটি তৰা দেখো। সেয়ে হৈছে—

## কথা আৰু কাৰ্য্যত ঈছা মছীহৰ কৰ্তৃত্ব

এই যুগৰ বিখ্যাত মনিষীসকলে কয় যে, তেওঁলোকে যি বাণী কঢ়িয়াই আনিছে সেয়া তেওঁলোকৰ নিজৰ কালাম নহয়। "বাহিনী সকলৰ যিহোৱাই কৈছে....." বা "আল্লাহৰ কালাম মোলৈ আহিল যে.......", এই বুলিহে তেওঁবিলাকে তেওঁলোকৰ ভাববাণী আৰম্ভ কৰে। কিন্তু ইঞ্জিল লেখক সকলে ঈছা মছীহে কোৱা কথাবোৰ এনেদৰে লিপিবদ্ধ কৰিছে, *"ঈছা মছীহে এই সকলো কথা কৈ এটালত, লোকসমূহে তেওঁৰ উপদেশত বিস্ময় মানিলে; কিয়নো তেওঁ তেওঁসকলৰ ইমাম সকলৰ দৰে উপদেশ নিদি, ক্ষমতাপন্ন জনৰ দৰে তেওঁসকলক উপদেশ দিলে"*। (মথি ৭:২৮-২৯)। ঈছা মছীহে নিজেই কৈছে *"বেহেস্তত আৰু পৃথিবীত সকলো ক্ষমতা মোক দিয়া হ'ল"* (মথি ২৮:১৮)।

# ঈছা মছীহৰে বিষয়ে কৰা ভৱিষ্যৎবাণী

আমি পাইছো যে, বহুতো ঐতিহাসিক ব্যক্তিৰ আবিৰ্ভাবৰ বিষয়ে ভৱিষ্যৎবাণী কৰা থাকে। ঈছা মছীহৰ আগমনৰ বাতৰিৰ বিষয়ে যি ভৱিষ্যৎবাণী আছিল, তাৰ বিশেষ তাৎপৰ্য্য আছে। ঈছা মছীহৰ আগমণৰ ভৱিষ্যৎবাণী আৰু অন্যান্য ব্যক্তিৰ ক্ষেত্ৰত কৰা ভৱিষ্যৎবাণীৰ বহুতো পাৰ্থক্য আছে। ঈছা মছীহৰ সম্বন্ধে কৰা ভৱিষ্যৎবাণীৰ সত্যতাবোৰ মনোযোগ ও অতি বিস্তৃত ভাবে কৰা বিশ্লেষণাত্মক চৰিত্ৰৰ দ্বাৰাই প্ৰকাশ পাইছে। এইবোৰ কেবল এজনৰ দ্বাৰাই নহৈ বিভিন্ন স্তৰৰ বিভিন্নলোকে কৰা ভৱিষ্যৎবাণী। এনে লোকসকল বেলেগ বেলেগ পৰিবেশত, বিভিন্ন সময়ৰ ব্যৱধানত, বিভিন্ন স্থানত থাকি ইজনে সিজনক নজনাকৈ, নেদেখাকৈ কৰা ভৱিষ্যৎবাণী। তেওঁলোকে এনে এজন মছীহৰ বিষয়ে ভৱিষ্যৎবাণী কৰিছিল যি জনৰ আগমণৰ তুলনা পৃথিবীৰ ইতিহাসৰ কোনো এজনৰ লগতেই কৰিব নোৱাৰি।

এনেবোৰৰ মাজত প্ৰধান হ'ল আধ্যাত্মিক কথাবোৰ, যিবোৰ ইহুদী সকলে তেওঁলোকৰ জীৱন কালত যুগ যুগ ধৰি কঠোৰ ভাবে, নিষ্ঠাৰে পালন কৰি আহিছে। পুৰণি কালৰ পৰাই আল্লাহৰ মনোনীতলোক সকলৰ বাবে মছীহ নূৰৰ উৎস আছিল। "সময়ৰ পৰিপূৰ্ণতাত" তেওঁ যেতিয়া প্ৰকাশিত হ'ল তেতিয়া তেৰেই যে পূৰ্বৰে পৰা জগতৰ নূৰ আছিল সেয়ে প্ৰমাণিত হ'ল। কেবল তেওঁ মানৱৰূপে আবিৰ্ভাৱৰ দিনা নহয়, কিন্তু আদমৰ দিনৰ পৰাই তেওঁ জগতৰ নূৰ স্বৰূপ।

হাজাৰ হাজাৰ বছৰৰ মাজেৰে, বহুবাৰ প্ৰকাশিত হৈ অহা এই 'তৰাটিৰ' ভৱিষ্যৎবাণীবোৰে ঈছা মছীহৰ সততা আৰু পৰিপূৰ্ণতাৰ পোহৰ বিলায়, কিয়নো যাৰ জীৱনত এই সকলো সফল হয় তেওঁ কেতিয়াও অশুদ্ধজনা হ'ব নোৱাৰে। মানুহৰ নাজাত তেওঁৰ কালাম আৰু প্ৰতিজ্ঞাবোৰৰ সত্যতাৰ ওপৰতেই নিৰ্ভৰ কৰে। মানুহৰ নাজাতদাতাৰ সত্যতাই হৈছে তেওঁৰ প্ৰয়োজনীয় গুণ। সত্যতা সদায় জিলিকি থাকে, আন সকলোৰেই অন্ধকাৰত নিবাস কৰে। "জগতৰ নূৰ" সত্য নহৈ থাকিব নোৱাৰে। সেই গৌৰবৰ অধিকাৰীজনাই কৈছে *"মৱেই বাট, আৰু সত্য আৰু জীৱন, মোৰ যোগেদি*





*তোমালোকৰ প্ৰতি অৱতীৰ্ণ হোৱা অন্নান্য পুথিবোৰ প্ৰতিষ্ঠা নকৰা'* (চুৰা আল-মায়িদা ৬৮ আয়াত)।

*"হে মৰিয়ম পুত্ৰ ঈছা.......মই তোমাক পুথি আৰু জ্ঞানবুদ্ধি, তৌৰাত আৰু ইঞ্জিলৰ জ্ঞান দান কৰিছিলো। তুমি মোৰ অনুমতিক্ৰমে বোকা মাটিৰ দ্বাৰা পখীৰ আকৃতি দি তাত ফুঁ দিছিলা আৰু মোৰ অনুমতিত সি পখী হৈছিল। তুমি জন্মান্ধ আৰু কুষ্ঠ ৰোগীক মোৰ অনুমতিতেই নিৰময় কৰিছিলা আৰু মোৰ অনুমতিতেই তুমি মৃতকক জীৱিত অৱস্থাৰে আনিছিলা.........।"* (চুৰা আল-মায়িদা ১১০ আয়াত) আৰু ছুৰা আলে ইমৰাণৰ ৫৫ আয়াত)।

*"হে ঈছা, এতিয়া মই তোমাক ওভতাই আনিম, মোৰ ওচৰলৈ উঠাই আনিম আৰু যিবিলাকে তোমাক অবিশ্বাস কৰিছে সিহঁতৰ (সংশ্ৰৱ, সহচৰ্য আৰু পংকিল পৰিবেশৰ) পৰা তোমাক পৱিত্ৰ কৰিম। যিবিলাকে তোমাক অস্বীকাৰ কৰিছে সিহঁতৰ ওপৰত কিয়ামত পৰ্যন্ত তোমাৰ অনুসাৰীসকলক উচ্চতৰ কৰি ৰাখিম। অৱশেষত মোৰ ওচৰলৈকে তোমালোকৰ প্ৰত্যাবৰ্তন। তোমালোকৰ মাজত যিবোৰ বিষয়ত মতভেদ আছিল তেতিয়া মই সেইবোৰ মীমাংসা কৰি দিম"* (ছুৰা আলে ইমৰাণ ৫৫ আয়াত)।

*"তোমালোকে তেওঁলোকক ৰুকু, ছিজদা আৰু আল্লাহৰ অনুগ্ৰহ আৰু সন্তোষ লাভৰ সন্ধানত আত্মনিয়োগ কৰা দেখিবলৈ পাবা। তেওঁলোকৰ মুখ মণ্ডলত ছিজদাৰ চিহ্ন উদ্ভাসিত হৈ থকা দেখিবা যাৰ দ্বাৰা তেওঁলোক সতন্ত্ৰভাৱে পৰিচিত হয়। তেওঁলোকৰ এই গুণৰ পৰিচয় তৌৰাত আৰু ইঞ্জিলত দিয়া হৈছে.....।"* (চুৰা আল ফাত্হ ২৯ আয়াত)।

"*"হে মৰিয়ম পুত্ৰ ঈছা, মই তোমাক আৰু তোমাৰ মাতৃক যি অনুগ্ৰহ কৰিছিলো সেয়া মনত পেলোৱা, পৱিত্ৰ আত্মাৰে তোমাক শক্তিমান কৰিছিলো। মাতৃৰ কোলাত থকাৰ পৰাই বৃদ্ধ বয়সলৈকে তুমি মানুহৰ লগত কথা কব পাৰিছিলা। মই তোমাক পুথি আৰু জ্ঞান বুদ্ধি, তওৰাত আৰু ইঞ্জিলৰ জ্ঞান দান কৰিছিলো। তুমি মোৰ অনুমতি ক্ৰমে বোকা মাটিৰ দ্বাৰা পখীৰ আকৃতি দি তাত ফুঁ দিছিলা আৰু মোৰ অনুমতিত সি পখী হৈছিল। তুমি জন্মান্ধ আৰু কুষ্ঠ ৰোগীক মোৰ অনুমতিতেই নিৰাময় কৰিছিলা আৰু মোৰ অনুমতিতেই তুমি মৃতকক জীৱিত অৱস্থাৰে আনিছিলা..."* (ছুৰা আল-

মায়িদা ৫০ আয়াত)।

যিবোৰ আয়াতে কেৱল ইঞ্জিলক সমৰ্থন জনায় সেই সকলৰ কিছুমান এনেধৰণৰ-

*“ইঞ্জিলৰ অনুগামীসকলে আল্লাহে অৱতীৰ্ণ কৰা বিধান অনুযায়ী বিচাৰ কৰা উচিত। যিবিলাকে আল্লাহে অৱতীৰ্ণ কৰা বিধান অনুযায়ী বিচাৰ নকৰে সিহঁত মহাপাপাচাৰী।”* (চুৰা আল-মায়িদা ৪৭ আয়াত।

*“ইয়াৰ পিছত আমি তেওঁলোকলৈ ইজনৰ পিছত সিজনকৈ আমাৰ ৰছুল পঠিয়াইছিলো। এওঁলোকৰ পিছত মৰিয়ম তনয় ঈছাকো প্ৰেৰণ কৰিছিলো আৰু তেওঁক ইঞ্জিল দান কৰিছিলো। যিসকলে তেওঁক মানি চলিলে তেওঁলোকৰ অন্তৰত আমি দয়া-মমতা আৰু মৰম-স্নেহ সঞ্চাৰ কৰি দিলো..... ।”* (চুৰা আল হাদীদ ২৭ আয়াত)।

যিবোৰ আয়াতে কেৱল তৌৰাতক সমৰ্থন জনায় তাৰে কিছুমান হ’ল-

*“সিহঁতে কিয় তোমাক বিচাৰকৰূপে মানিব? যিহেতু সিহঁতৰ ওচৰত তৌৰাত বৰ্ত্তমান আছে, য’ত আল্লাহৰ বিধান সন্নিৱিষ্ট হৈ আছে।”* (চুৰা আল-মায়িদা ৪৩ আয়াত)।

*“আমি তৌৰাত অৱতীৰ্ণ কৰিছো। তাত সুপথৰ নিৰ্দ্দেশ আৰু জ্যোতি আছে। আল্লাহৰ অনুগত নবীসকলে তৌৰাতৰ মানদণ্ড অনুযায়ী ইহুদীবিলাকৰ বিচাৰ কৰিছিল।.......কিয়নো তেওঁলোকক আল্লাহৰ এই পুথিৰ ৰক্ষণাবেক্ষণৰ দায়িত্ব দিয়া হৈছিল আৰু তেওঁলোকেই ইয়াৰ সাক্ষী আছিল।.......যিবিলাকে আল্লাহ প্ৰদত্ত বিধান অনুযায়ী বিচাৰ-ফায়চালা নকৰে, সিহঁতেই অবিশ্বাসকাৰী।”* (চুৰা আল-মায়িদা ৪৪ আয়াত)।

*“যিবিলাক মানুহক তৌৰাতৰ ভাৰ অৰ্পণ কৰা হৈছিল, সিহঁতে সেই ভাৰ বহন নকৰিলে। সিহঁতৰ উপমা হ’ল কিতাপৰ বোজা বহন কৰা এটা গাধৰ নিচিনা। ইয়াতকৈয়ো নিকৃষ্ট উপমা হ’ল- সেইবিলাক মানুহৰ, যিবিলাকে আল্লাহৰ আয়াতসমূহক মিছা বুলি অমান্য কৰে।”* (চুৰা আল-জুমুআ ৫ আয়াত)।

*“তোমালোকে কিয়, ঐশীপুথিৰ এটা অংশ বিশ্বাস কৰা আৰু আনটো*





*নগৰ; আৰু নিজৰ মুৰত ধৰি শপত নাখাবা..... কিন্তু তোমালোকৰ কথা হয়, হয় বা নহয়, নহয় হওঁক; ইয়াতকৈ যি অধিক সি পাপ আত্মাৰ পৰাহে হয়”*। (মথি ৫:২২-২৪, ২৮-৩০, ৩৪-৩৭)। মথি ৪:৪৮ আয়াতত ঈছা মছীহে কৈছে, **“এই হেতুকে তোমালোকৰ বেহেস্থী পিতৃ যেনে সিদ্ধ, তোমালোকো তেনে সিদ্ধ হোৱা।”**

তেৱেঁইহে একমাত্ৰ ব্যক্তি যিয়ে যেনেদৰে কয় তেনেদৰেই কাৰ্য্য কৰে। তেওঁ আনক যি কৰিবলৈ কৈছে, তাতকৈ অধিক গুণে তেওঁ নিজেই কৰে। তেওঁতেই বিশ্বাস ৰাখি, তেওঁতেই দৃষ্টি আবদ্ধ ৰাখি, হেপাহ কৰোতা জনে নিজলৈ পৱিত্ৰতা সাধন কৰিব পাৰে। কিয়নো ইঞ্জিলত কৈছে, *“পৱিত্ৰতাৰ বিনে কোনেও প্ৰভুৰ দৰ্শন নাপাব।”* (ইব্ৰী ১২ : ১৪)।

কোনো জনে যদি দৰ্শন পায় তেনেহ’লে দৰ্শন দেখা কথাটোতকৈ দৰ্শন পাওঁতা জনহে গুৰুত্বপূৰ্ণ। কোনোবাই শুনি থাকিলে, শুনোতা জনেহে মূল, কি শুনিলে সেয়ে গৌণ। সেইদৰে কথা কওঁতা জনহে মান্য, কথাবোৰ হ’লে গৌণ। ধৰ্মৰ ক্ষেত্ৰতো সেইদৰে বিশ্বাসীজনহে আচল কথা, তেওঁৰ বিশ্বাসটো নহয়। এইটো মানে বুজাব খোজা নাই যে দৰ্শনত দেখা বস্তু, কথা কোৱা কালাম আৰু বিশ্বাসৰ মতটোৰ কোনো যথাৰ্থতা নাই। আল্লাহৰ প্ৰতি অন্তৰৰ পৰা উৎপত্তি হোৱা নিবিড় ব্যক্তিগত সম্পৰ্ক, বিশ্বাসীজনৰ জগতৰ নাজাতদাতাৰ লগত থকা নিবিড় আত্মিক একাত্মতাৰ বিষয়ে মছীহি ধৰ্ম্মমতত গুৰুত্ব প্ৰদান কৰে।

এনে আত্মিক একাত্মই ক্ৰমান্বয়ে এজন প্ৰকৃত বিশ্বাসীৰ স্বভাৱ চৰিত্ৰৰ পৰিবৰ্ত্তন ঘটাই তেওঁক নাজাতদাতাৰ সাদৃশ্যলৈ লৈ গৈ নৈতিকতা ও ধাৰ্ম্মিকতাৰ পৰিপূৰ্ণতালৈ উন্নীত কৰে। যি কোনোৱে নিজকে মছীহি বুলি দাবী কৰে অথচ তেওঁলোকৰ জীৱনত এনে কোনো প্ৰভাৱ দেখা নাযায়, তেওঁলোকৰ প্ৰকৃততে নাজাতাদাতাৰ সৈতে কোনো সম্বন্ধ নাই আৰু তেওঁ কেৱল নামধাৰী মছীহিহে, প্ৰকৃতজন নহয়।

বেহেস্তৰ পৰা নামি অহা ঈছা মছীহহে সেই উত্তম জনা, তেওঁ সকলোতকৈ মহান ও ধাৰ্ম্মিক জনা, আটাইৰে মাজত অতুলনীয়জনা। তেওঁৰ বাদে আন কাৰো নিজ হাতে এই পবিত্ৰ তৰা ধাৰণ কৰাৰ যোগ্যতা নাই। এই তৰাৰ পাছতেই দ্বিতীয়তে আছে—

# ঈছা মছীহ বেহেস্তৰ যোগ সূত্ৰ

এই তৰাটিয়ে ঈছা মছীহৰ সৰ্ব্ব শুচি চৰিত্ৰৰ পোহৰ বিকিৰিত কৰে। সচাঁকৈয়ে সম্পূৰ্ণৰূপে পবিত্ৰ জনাৰ বাদে কোনোৱেই জগতৰ নূহ হ'ব নোৱাৰে।

বেহেস্থ, য'ত পৱিত্ৰতাৰ উৎপত্তি হয়; তাত বাজে পৃথিবীৰ মানুহৰ মাজত সম্পূৰ্ণ পৱিত্ৰ লোক নাই। গতিকে মানুহৰ পাপৰ ত্ৰাণকৰ্ত্তা হ'বলৈ, মানুহৰ বাবে মধ্যস্থতা কৰিবলৈ হ'লে ব্যক্তিজন বেহেস্থৰ পৰা অহা হ'ব লাগিব। মানুহৰ হৃদয়ে নাজাত পাবলৈ হলে, ধাৰ্ম্মিকতাক পাবলৈ, হাবিয়াসী প্ৰাণক জুৰাবলৈ নিশ্চয়েই নাজাতদাতাজনে বেহেস্থ কথা কবলৈ বেহেস্থৰ পৰা নামি আহিব লাগিব। কিয়নো যিজন বেহেস্থৰ পৰা নামি আহিছে, তেৱেঁইহে বেহেস্থীয় কথাবোৰ যথাৰ্থ ৰূপত, সত্যতা ও সঠিকতাৰে প্ৰকাশ কৰিব পাৰিব। যি জনৰ উৎপত্তি বেহেস্থ, যাৰ পবিত্ৰতা অমীম, যাক মানুহে অনুসৰণ কৰিব বিচাৰে তেনে নাজাতদাতাৰ সংগ লৈহে কোনোৱে তেনে পৱিত্ৰতাৰ ভাগী হব পাৰে। এনে নাজাতদাতাৰ পৱিত্ৰ নূৰে মানুহৰ জীৱন যাত্ৰাৰ আন্ধাৰময় বাট আলোকিত কৰে আৰু বেহেস্থীয় সত্যতাবোৰলৈ চকু মুকলি কৰে। এই নাজাতদাতাই প্ৰথমে মানুহৰ হৃদয় নিৰ্ম্মল কৰে, তাৰ পাছত চকুত পৰাকৈ জীবনলৈ পবিত্ৰতা দান কৰে। এই বিষয়ে ঈছা মছীহে তেওঁৰ শিষ্য সকলক কৈছিল *"কিন্তু মই তোমালোকক কঁও যি কোনোৱে ভায়েকক খং কৰে, তেওঁ সোধ-বিচাৰত দণ্ডৰ পাত্ৰ হব...। এই হেতুকে বেদীত তোমাৰ কোৰবানী উৎসৰ্গ কৰোতে, তোমাৰ বিৰুদ্ধে তোমাৰ ভায়েৰাৰ কোনো কথা আছে বুলি যদি তোমাৰ মনত পৰে, তেন্তে তাতে বেদীৰ আগত তোমাৰ কোৰবানী এৰি থৈ যোৱা, তোমাৰ ভায়েৰাই সৈতে প্ৰথমে মিল হোৱা, পাছে আহি তোমাৰ কোৰবানী উৎসৰ্গা কৰা।...... মই তোমালোকক কওঁ, যি কোনোৱে তিৰোতা মানুহলৈ কাম ভাবে চায় সি তেতিয়াই মনতে তাইৰে সৈতে ব্যভিচাৰ কৰিলে। যদি তোমাৰ সোঁ চকুৱে তোমাৰ বিঘিনি জন্মায়, তেন্তে তাক কাঢ়ি তোমাৰ পৰা পেলাই দিয়া....... মই তোমালোকক কঁও, একো শপত নাখাবা, বেহেস্থৰ নামে নহয়, কিয়নো সেয়ে আল্লাহৰ সিংহাসন....... বা জিৰোজালেমৰ নামেৰেও নহয়, কিয়নো সেয়ে মহাৰজাৰ*





*অংশ অবিশ্বাস কৰা। জানি লোৱা, তোমালোকৰ ভিতৰত যিসকলে এনে আচৰণ কৰে, সিহঁতৰ বাবে এই পাৰ্থিৱ জীৱনত আছে লাঞ্ছনা আৰু অপমান"।* (চুৰা আল- বাকাৰা ৮৫ আয়াত)।

*"স্মৰণ কৰা মৰিয়ম পুত্ৰ ঈছাৰ কথা, তেওঁ কৈছিল- 'হে ইছৰাঈল বংশধৰসকল, মই তোমালোকৰ প্ৰতি প্ৰেৰিত আল্লাহৰ ৰছুল। মোৰ পূৰ্ব্বে অৱতীৰ্ণ হোৱা যিখন তৌৰাত আছে সেইখনৰ সত্যতা মই সাব্যস্ত কৰো....।'"* (চুৰা আছ-ছফ ৬ আয়াত)।

*"আল্লাহে তেওঁক ঐশী পুথি আৰপ জ্ঞান-বিজ্ঞানৰ কথা শিকাব, তৌৰাত আৰু ইঞ্জিলৰো শিক্ষা দিব।* (ছুৰা আলে-ইমৰাণৰ ৪৮ আয়াত)।

*"ইয়াৰ পিছত মোৰ তৰফৰ পৰা তোমালোকে যি সৎপথৰ নিৰ্দেশ (তৌৰাত) পাবা, সেই নিৰ্দেশ যিসকলে মানি চলিব, তেওঁলোকৰ বাবে ভয় আৰু চিন্তাৰ কোনো কাৰণ নাই। আৰ যিবিলাকে অস্বীকাৰ কৰিব আৰু আমাৰ আয়াতসমূহক প্ৰত্যাখান কৰিব, সিহঁত নৰকবাসী হ'ব আৰু তাত সিহঁত চিৰকাল থাকিব।"* (চুৰা আল-বাকাৰা ৩৮-৩৯ আয়াত)।

*"সিহঁতক কোৱা- 'যদি তোমালোকে (তোমালোকৰ দাবীসমূহ) সতৰ বুলি ভাবা, তেহেলে তৌৰাত আনা আৰু পাঠ কৰা (আৰু তোমালোকৰ দাবীবোৰ প্ৰতিপন্ন কৰা)।"* (চুৰা আলে-ইমৰাণ ৯৩ আয়াত)।

মুছলিম সমাজত এনে মত প্ৰচলিত দেখা যায় যে কোৰাণে তৌৰাত আৰু ইঞ্জিলৰ ঠাই লৈছে, কাৰণ কোৰাণে তৌৰাত আৰু ইঞ্জিলৰ প্ৰয়োজনীয় মূল বিষয়বোৰ সামৰি লৈছে। তাৰোপৰি, তেওঁবিলাকে কব খোজে যে মুছলিম ধৰ্ম্ম প্ৰৱৰ্ত্তনৰ পাছত একমাত্ৰ ভাৰষা যোগ্য শাস্ত্ৰখনেই হৈছে কোৰাণ।

যদিহে এনে মতক শুদ্ধ বুলি ধৰা যায় তেনেহলে ইয়াৰ উপকাৰীতা ও গুৰুত্ব মুছলিম সকলৰ দৰে মছীহি সকলৈও কোনো গুণেই কম হ'ব নোৱাৰে। ইয়াৰ শুদ্ধতাৰ প্ৰমাণবোৰ যদি আগৰ সকলৰ বাবে গ্ৰহণীয় তেনেহ'লে পাছৰ সকলৰ বাবেও গ্ৰহণীয় হ'ব লাগে। কিন্তু কোৰাণৰ লেখনিয়েই এনে মতক খণ্ডন কৰিছে। তৌৰাত আৰু ইঞ্জিলৰ উল্লেখ দাঙি ধৰি তেওঁলোকে কোৰাণখনক এক তৃতীয় ধৰ্ম্ম গ্ৰন্থ বুলি কয়। কোৰাণে

কয়-

*"নিশ্চয় আল্লাহে মু'মিনসকলৰ পৰা জান্নাতৰ বিনিময়ত তেওঁলোকৰ প্ৰাণ আৰু ধন-সম্পদ ক্ৰয় কৰিছে। তেওঁলোকে আল্লাহৰ পথত যুদ্ধ কৰেআৰু শত্ৰুক নিহত কৰে আৰু নিজেও নিহত হয়। তৌৰাত, ইঞ্জিল আৰু কোৰাণতো সত্যৰূপে এই কথাৰ প্ৰতিশ্ৰুতি দিয়া হৈছে।"* (চুৰা আত-তওবা ১১১ আয়াত)।

*"অবিশ্বাসকাৰীবিলাকে কয়- আমি কদাপিও এই কোৰাণক বিশ্বাস নকৰো আৰু ইয়াৰ পূৰ্ব্বে অহা কোনো পুথিকেই বিশ্বাস নকৰো। হায়! তুমি যদি সেই পাপীষ্ঠবিলাকৰ অৱস্থা দেখিলাহেঁতেন..... ।'* (চুৰা চাবা ৩১ আয়াত)।

*"হে ইমানদাৰসকল, আল্লাহ আৰু ৰছুলৰ প্ৰতি আৰু তেওঁৰ ৰছুলৰ প্ৰতি অৱতীৰ্ণ হোৱা পুথিৰ প্ৰতি ঈমান আনা আৰু যিবোৰ পুথি তোমালোকৰ পূৰ্ব্বেই অৱতীৰ্ণ হৈছিল, সেইবোৰৰ প্ৰতিও ঈমান আনা। যিজনে আল্লাহ, তেওঁৰ ফিৰিস্তাসকল, তেওঁৰ পুথিসমূহ আৰু তেওঁৰ ৰছুলসকলৰ প্ৰতি ঈমান আনিবলৈ অস্বীকাৰ কৰে আৰু পৰকালকো অস্বীকাৰ কৰে, সেইজন বিপথে বহু দূৰলৈ আতঁৰি গ'ল।"* (চুৰা আন-নিছা ১৩৫ আয়াত)।

*''(হে মোহাম্মদ) তুমি সিহঁতক দেখা নাইনে, যিবিলাকে তোমাৰ প্ৰতি আৰু তোমাৰ পূৰ্ব্বে যি অৱতীৰ্ণ হৈছে তাৰ প্ৰতি বিশ্বাস স্থাপন কৰা বুলি দাবী কৰে?......তাগুতক অস্বীকাৰ কৰিবলৈ সিহঁতক আদেশ দিয়া হৈছে। ছয়তানে সিহঁতক পথভ্ৰষ্ট কৰি বহু দূৰলৈ আতঁৰাই নিব বিচাৰে।"* (চুৰা আন-নিছা ৬০ আয়াত)।

"আল্লাহৰ কালাম আৰু তেওঁৰ শাস্ত্ৰ" এই কালামে ইয়াকে প্ৰতিপন্ন কৰে যে বিশ্বাস আৰু অবিশ্বাসৰ বিষয়ে কেৱল কোৰাণতেই কোৱা হোৱা নাই, কিন্তু ওপৰত উল্লেখ কৰাৰ দৰে তৌৰাত, ইঞ্জিল আৰু কোৰাণৰ কথা একেলগে উল্লেখ কৰিছে।

যাক ৰদ কৰা হ'ল বা কিবা এটাৰে স্থানান্তৰিত কৰা হ'ল, তাক বিশ্বাস কৰা কৰাৰ প্ৰশ্ন উঠে জানো? মানুহবিলাকে সৈতে বাদানুবাদ কৰি, তেওঁলোকৰ প্ৰশ্নৰ উত্তৰ দিওতে হজৰত মোহাম্মদে কেৱল নিজলৈ প্ৰকাশিত





বিশেষকৈ নবী-ৰছুলসকলৰ নামানুসাৰে। তেনে নামবোৰ যেনে, ইব্ৰাহিম, ছায়েৰা, ইয়াকুব, ইউছুফ, ৰেবেকা, ৰাচেল, মোচা, হাৰাণ, ছেমুৱেল, হান্না, দায়ুদ, ছোলায়মান, ইলিয়া আৰু সেইদৰে মহম্মদ, আলি, খাদিজা, ফাতিমা, হাছান, হুচেইন, আহমদ আদি। চিন্তাশীল ব্যক্তিসকলে কথাটো মন কৰকচোন ঈছা মছীহৰ জন্মৰ ২০০০ বছৰৰ পাছতো "ঈছা মছীহ" নামটো কোনো মানুহেই ব্যৱহাৰ কৰা নাই। কিন্তু ঈছা মছীহৰ মাক মেৰি বা মৰিয়ম নামটো গোটেই পৃথিৱীতে প্ৰচলিত।

ঈছা মছীহে, 'ময়েই জগতৰ নূৰ' বুলি কোৱাতে যেতিয়া ইহুদী বিলাকে আপত্তি দৰ্শাইছিল, তেতিয়া ঈছা মছীহে কৈছিল, *"....যদিও মই নিজৰ বিষয়ে নিজে সাক্ষ্য দিছোঁ তথাপি মোৰ সাক্ষ্য সত্য, কিয়নো মই ক'ৰ পৰা আহিলো আৰু ক'লৈ যাওঁ তাক মই জানো...।"* (ইউহোন্না ৮:১৪)।

এবাৰ প্ৰাৰ্থনা কৰা কালত ঈছা মছীহে কৈছিল, *"হে পিতৃ, জগতহোৱাৰ আগেয়ে তোমাৰে সৈতে থাকোঁতে মোৰ যি মহিমা আছিল, সেই মহিমাৰে এতিয়া তোমাৰেই সৈতে মোক মহিমান্বিত কৰা।"* (যোহন : ১৭:৫)।

মানুহৰ মাংসিক চকুৰে আত্মিক পোহৰক নিৰীক্ষণ কৰা সম্ভৱ নহয়। *"কোনেও আল্লাহক কেতিয়াও দেখা নাই; পিতৃৰ কোলাত থকা একমাত্ৰ পুত্ৰই তেওঁক প্ৰকাশ কৰিলে।"* (ইউহোন্না ১:১৮)।

এই সকলোৰে প্ৰকাশ কৰিছে যে, মানুহৰ ৰূপত, মৰিয়মৰ গৰ্ভত জন্মলৈ এই "জগতৰ নূৰ" বেহেস্তৰ পৰা মৰ্ত্ত্যলৈ নামি আহিল। তেওঁ বেহেস্তৰ পৰা নামি মানুহৰ ৰূপ লৈ নিজকে নবী আৰু ৰছুল সকলৰ পৰা পৃথক কৰিলে। তেওঁ পৃথিৱীত একমাত্ৰ স্বৰ্গীয় প্ৰতিনিধি হোৱা হেতুকে নিজে "জগতৰ নূৰ" হোৱাৰ ক্ষমতা ৰাখে।

আমি আগেয়ে উল্লেখ কৰিছিলো যে যি জনাই "জগতৰ নূৰ" তেওঁৰ গুণাৱলী, সোঁ হাতে ধাৰণ কৰা সাতোটা তৰাৰ সৈতে ৰিজনী দিয়া হৈছে (প্ৰকাশিত কালাম ১:১৬)। প্ৰথম তৰাটিয়ে এনেদৰে বুজায়-

কৰা নাযায়, তেতিয়ালৈ তেওঁৰ প্ৰকৃত শুণাৱলীক জনা নাযায়। এই আলোচনাৰ আধাৰ হৈছে ইঞ্জিল শ্বৰীফৰ লিখনি। ঈছা মছীহৰ ব্যক্তিত্বৰ বিবৰণ দিয়া এই ইঞ্জিল আদিতে যেনেদৰে লিখা হৈছিল ঠিক তেনেদৰেই সংৰক্ষিত হৈ আহিছে। ইয়াত ঈছা মছীহৰ জীৱন ধাৰণ, তেওঁ কোৱা কথা আৰু কামবোৰৰ বৰ্ণনা আছে। আমি আশা কৰো যে অকপট মুছলমান ভাইসকলে সোঁ হাতত সাতোটা তৰা ধাৰণ কৰা এই ৰাজকীয় ব্যক্তিত্বৰ অধিকাৰী জনৰ অতুলনীয় ব্যক্তিত্বক যথাৰ্থ মৰ্য্যাদা প্ৰদান কৰিব।

প্ৰাকৃতিক ভাবে আমি যি পোহৰ পাওঁ তাৰ উৎস পৃথিৱী নহয়, কিন্তু পৃথিৱীৰ ওপৰত এক স্বৰ্গীয় উৎসৰ পৰাহে পাওঁ। আত্মিক পোঁহৰো পৃথিৱীৰ মানুহৰ পৰা পোৱা সম্ভৱ নহয়। আটাই আত্মিক পোহৰৰ উৎস স্বৰ্গহে আৰু তাৰ পৰাইহে আত্মিক পোহৰ আহে। ঈছা মছীহে যেতিয়া কৈছিল “ময়েই জগতৰ নূৰ”, তেতিয়া তেওঁ এনেদৰেও কৈছিল যে তেওঁ বেহেস্তৰ পৰা আহিছে। ইঞ্জিলত লিখা আছে, *“আদিতে কালাম আছিল আৰু কালাম আল্লাহৰ সৈতে আছিল আৰু সেই কালামেই স্বয়ং আল্লাহ। তেওঁ প্ৰথমেত আল্লাহৰ সৈতে আছিল। তেওঁৰ দ্বাৰাই সকলো হ’ল আৰু যি যি হ’ল সেইবোৰৰ এটাও তেওঁৰ বিনে নহ’ল। জীৱন তেওঁতেহে। সেই জীৱনেই মানুহৰ নূৰ। সেই নূৰ আন্ধাৰত প্ৰকাশিত হৈ আছে, আৰু আন্ধাৰে তাক পৰাভূত কৰিব নোৱাৰিলে। সেই কালাম মাংস হ’ল আৰু অনুগ্ৰহ আৰু সত্যতাৰে পৰিপূৰ্ণ হৈ আমাৰ মাজত বসতি কৰিলে। তাতে পিতৃৰ একমাত্ৰ পুত্ৰৰ যি প্ৰভাৱ সেই প্ৰভাৱ আমি দেখিলো।”* (ইউহোন্না ১:১-৫ আৰু ১৪)।

ঈছা মছীহৱে ইহুদী সকলক কৈছিল ‘*‘তোমালোক তলৰ পৰা হৈছা, মই ওপৰৰ পৰা হৈছো, তোমালোক এই জগতৰ মই এই জগতৰ নহয়।”* (ইউহোন্না ৮:২৩)। *“সত্যতাৰ পক্ষে সাক্ষ্য দিবলৈ মই জন্ম ধৰি এই জগতলৈ আহিলো।”* (ইউহোন্না ১৮:৩৭)। *“বেহেস্তৰ পৰা নমা আহাৰ ময়েই।”* (ইউহোন্না ৬:৪১)।”... *ইব্ৰাহিমৰ জন্মৰ আগৰে পৰা মই আছো’* (ইউহোন্না ৮:৫৮)।

পৃথিৱীত যিমান জাতি বা উপজাতি আছে, তেওঁলোকে কোনো মহান ব্যক্তিৰ নামেৰে নিজৰ ল’ৰা-ছোৱালীবোৰৰ নামাকৰণ কৰি ভাল পয়,





বিস্বাসৰ কথাহে যে উল্লেখ কৰিছিল এনে নহয়, কিন্তু তেওঁ বিশ্বাসৰ ভিত্তিমূল প্ৰতিপন্ন কৰিবলৈ গৈ যাক পূৰ্ব্বেই প্ৰকাশ কৰা হ’ল তাৰ কথাও উল্লেখ কৰিছিল। যেতিয়া, চয়তানে মানুহক ভুলপথে লৈ যোৱাৰ বাবে কৰা প্ৰচেষ্টাৰ কথা উল্লেখ কৰিছে কেৱল মাত্ৰ কোৰাণৰ পৰা উল্লেখ নকৰি তৌৰাত ও ইঞ্জিলৰ পৰাও সমানে উল্লেখ কৰিছে। গতিকে তৌৰাত ও ইঞ্জিলৰ ঠাইত কোৰাণ স্থলাভিষিক্ত হৈছে বুলি প্ৰমাণ কৰা নাযায়। ইয়াৰ সমৰ্থনত কোৰাণৰ ক’তো উল্লেখ পোৱা নাযায় যাৰ দ্বাৰাই এজন মুছলিম ভাইয়ে অনুসন্ধান কৰি এনে মতক নিশ্চয় কৰিব পাৰিব।

কোৱা হয় যে কোৰাণ শ্বৰীফ আগৰ শাস্ত্ৰবোৰৰ পৰিবৰ্ত্তে স্থলাভিষিক্ত হৈছে। যদি এনে হয় তেনেহ’লে আগৰ শাস্ত্ৰবোৰৰ সন্মান দেখুৱাই বিভিন্ন ক্ষেত্ৰতে আগৰ শাস্ত্ৰ পৰা উদ্ধৃতি দিব নালাগিছিল। ইঞ্জিলত কিন্তু তৌৰাতৰ পৰা বহুবোৰ উদ্ধৃতি দিয়া আছে আৰু সময়ে সময়ে পূৰ্ব্বৰ শাস্ত্ৰ তৌৰাতৰ আধাৰত ইঞ্জিলৰ কথা সমূহ নিশ্চিত কৰা হৈছে।

যিসকল পণ্ডিতে কোৰাণখন, “তৌৰাত আৰু ইঞ্জিলৰ পৰিবৰ্ত্তে আল্লাহে প্ৰদান কৰিছে” এনে ধাৰণা ৰাখে তেওঁলোকৰ মতে তেনেহ’লে এনে হ’ব যে প্ৰথমে আল্লাহে মুচা (ছাঃ)ৰ দ্বাৰাই তৌৰাত দান কৰিলে তাৰ পাছত তৌৰাতক বাতিল কৰি ঈছা মছীহৰ যোগে ইঞ্জিলখন দান কৰিলে আৰু তাৰ পাছত হজৰত মহম্মদ (ছাঃ)ক তৌৰাত আৰু ইঞ্জিলৰ ঠাইত কোৰাণখন প্ৰদান কৰিলে। যদি এনে ধাৰণাৰ প্ৰথমাংশ শুদ্ধ হয় তেনেহ’লে শেষৰ অংশও শুদ্ধ হ’ব লাগিব। কিন্তু যদি কোৱা যায় যে ইঞ্জিলখনে তৌৰাতৰ ঠাই ললে, তেনেহ’লে কোৰাণৰ মতেই ই যে অসহ্য সেয়া জনা যায়। কোৰাণে কিন্তু আগৰ শাস্ত্ৰসমূহক ৰদ কৰাৰ পৰিবৰ্ত্তে সেই দুখন শাস্ত্ৰৰ কথা উল্লেখ কৰাৰ দ্বাৰাই সন্মানহে যাচিছে।

ইঞ্জিলখন হ’ল তৌৰাতৰ এৰাব নোৱাৰা অতি প্ৰয়োজনীয় ফলদায়ক পৰিপূৰ্ণতা। যদিহে আদি শাস্ত্ৰৰ কোনো সাব্যস্ত কৰণ নহয় বা ইয়াক সংৰক্ষণ কৰা নহয়, তেনেহ’লে কোনো পৰিপূৰ্ণতা বা ইয়াৰ পৰা পোৱা ফলৰ কোনো মূল্য নাথাকে। ঈছা মছীহই তেওঁৰ পৰিচৰ্য্যাৰ আৰম্ভণিতেই কৈছিল- “*মই শ্বৰীয়ত বা নবীসকলৰ কালাম বিনষ্ট কৰিবলৈ আহিলো বুলি তোমালোকে*

*নাভাবিবা, মই বিনষ্ট কৰিবলৈ অহা নাই, কিন্তু সিদ্ধ কৰিবলৈহে আহিলো।* "(মথি ৫:১৭)।

ইয়াৰোপৰি যদিহে কোৰাণক, তৌৰাত ও ইঞ্জিলৰ পৰিবৰ্ত্তে দান কৰা হৈছিল তেনেহ'লে এই কথা সৰলকৈ প্ৰকাশ কৰিব লাগিছিল যাতে ইয়াৰ পাছত চলোতা সকলে প্ৰকৃত কথা জানিব পাৰে। কিন্তু কোৰাণত তেনে কোনো উল্লেখ পোৱা নাযায়। আগৰ শাস্ত্ৰবিলাকতো তেনে কোনো উল্লেখ নাই। এনে কথাক কোৰাণত ধিক্কাৰ দিহে লিখা হৈছে, 'সিহঁতে আল্লাহৰ কালাম সলনি কৰিব খোজো"...... (চুৰা আল ফাত্হ ১৫)। এনেদৰে কৈছে "সিহঁতে কি ইয়াৰ আক্ষেপ কৰিছে নেকি যে অতীতত জাতিবিলাকৰ প্ৰতি আল্লাহৰ যি ৰীতি আছিল, সিহঁতৰ প্ৰতিও সেয়াই প্ৰয়োগ কৰা হওঁক? সিহঁতে যদি তাকে বিচাৰিছে, তেনেহলে তোমালোকে দেখিবা যেআল্লাহৰ ৰীতি কদাপিও পৰিৰৰ্ত্তন নহয় আৰু আল্লাহৰ নীতি হেৰফেৰ হোৱা কেতিয়াও নেদেখা।" (চুৰা ফাতিৰ ৪৩ আয়াত)।

আমি জানো যে মানুহে বিধি-বিধান প্ৰস্তুত কৰে, কিয়নো মানুহে স্বাভাবিকতে ভুল-পথে গমন কৰে। যদি নিয়ম-নীতিত কিবা সুৰুঙা থাকি যায় তেনেহ'লে তাক শুদ্ধ কৰি উৎকৰ্ষ সধা যায়। কিন্তু আল্লাহৰ গৌৰৱ হওঁক যে আল্লাহৰ ক্ষেত্ৰত এজন নহয় সকলো ধৰ্ম্মীয় আজ্ঞা ও শ্বৰীয়তবোৰ বহুধৰণৰ মানুহলৈ আৰু বেলেগ বেলেগ সময়ত দিয়া হৈছে। হ'লেও মূল কথাৰ ক্ষেত্ৰত কোনো সময়তেই অমিল বা বিভেদ দেখা নাযায়। যি সম্বন্ধ তেওঁলোকে একত্ৰিত কৰি ৰাখে সেয়ে সৰল, দৃঢ় আৰু অপৰিহাৰ্য্য। এজন ইহুদীলৈ দিয়া আল্লাহৰ বাণী আৰু এজন মছীহিলৈ দিয়া আল্লাহৰ বাণীৰ মাজত কোনো তফাৎ থাকিব নোৱাৰে। সেইদৰে এজন মছীহিলৈ আল্লাহৰ যি বাণী সেয়া এজন মুছলমানলৈও বেলেগ হ'ব নোৱাৰে। কেতিয়াবা কেতিয়াবা সাধাৰণ সামাজিক ও সাংসাৰিক অস্থায়ী বিষয়ত মতভেদ থাকিব পাৰে। এজন সুস্থ জ্ঞানৰ অধিকাৰীয়ে কেতিয়াও স্বৰ্গীয় বাণীবোৰৰ অমিলতাৰ কথা ভাবিব নোৱাৰে।

এতিয়া দেখা যায় যে মছীহিসকলৰ বিধান সমূহ পূৰ্ব্বে ইহুদী সকললৈ দান কৰা বিধানৰ ভিত্তিত ৰচিত, সত্য নিৰূপিত, সাব্যস্তকৃত আৰু প্ৰসংসিত।





দেখা পাওঁ। পুৰণি কালত এই ৰামধেনুক আল্লাহে, নোহ লৈ ঐশ্বাৰিক অনুগ্ৰহৰ প্ৰতীক ৰূপে দান কৰিছিল। সেই স্বৰ্গীয় অনুগ্ৰহ, পাপী আৰু ধ্বংসমুখী মানুহ জাতিলৈ ৰামধেনু হৈ, স্বৰ্গীয় জ্যোতি বা নূৰ হৈ ঈছা মছীহৰ ৰূপত বেহেস্থৰ পৰা দান কৰা হ'ল। যদিহে বিজ্ঞানীসকলে পোহৰক বিভাজিত কৰি বিভিন্ন কামত ব্যৱহাৰ কৰি মানুহৰ জাগতিক উৎকৰ্ষ সাধন কৰিব পাৰে, তেনেহ'লে স্বৰ্গীয় ব্যক্তিজনাৰ পৰা বিকৰিত প্ৰতিটো স্বৰ্গীয় পোহৰৰ পৰা আমি কিমান অধিকৰূপে উপকৃত হম! তেৱেঁই যেতিয়া "জগতৰ নূৰ"?

পাঠক সকলে এনে বিষয়ে বিশদ ভাবে ইঞ্জিল শ্বৰীফৰ, ৰছুল ইউহোন্নাৰ লিখনিত পাব। তাত উল্লেখ আছে, "*মই প্ৰভুৰ দিনত আত্নাত আছিলো; আৰু তুমি যি দৰ্শন পোৱা তাক পুথিৰ নূৰাত লিখি...সাত মণ্ডলীলৈ পঠাই দিবা...। তাতে মোক কথা কোৱা মাতটো চাবলৈ ঘুৰিলো। ঘুৰিলত সাতোটা সোণৰ দীপাধাৰ আৰু সেই দীপাধাৰ কেইটাৰ মাজত মানুহৰ পুত্ৰৰ নিচিনা এজনক দেখিলোঁ। তেওঁৰ ভৰিলৈকে বস্ত্ৰ পিন্ধা, আৰু বুকু সোণৰ টঙালিৰে বন্ধা। তেওঁৰ মূৰ আৰু চুলি বগা মেৰ-নোমৰ আৰু হিমৰ নিচিনা, তেওঁৰ চকু অগ্নিশিখাৰ তুল্য, তেওঁৰ চৰণ অগ্নিকুণ্ডত জিলিকি থকা চকা পিতলৰ নিচিনা, আৰু তেওঁৰ মাত বহু পানীৰ মাতৰ নিচিনা। তেওঁৰ সোঁ হাতত সাতোটা তৰা আছে, তেওঁৰ মুখৰ পৰা দুধৰীয়া চোকা তৰোৱাল এখন ওলায় আৰু তেওঁৰ বদন নিজ শক্তিৰে ওলোৱা সূৰ্য্যৰ নিচিনা"*। (জাহেৰী কালাম ১:১০-১৬)।

"মানুহৰ পুত্ৰৰ নিচিনা" সেই গৌৰৱোজ্বল ব্যক্তিৰ হাতত ধাৰণ কৰা সাতোটা তৰাই তেওঁৰ অতুলনীয় ব্যক্তিত্বৰ সৈতে গঠা হৈ প্ৰভাযুক্ত জ্যোতিৰ উৎপন্ন কৰে। তেৱেঁই "জগতৰ নূৰ।"

বৰ্ত্তমান ঈছা মছীহৰ যি গুণাৱলীৰ বিষয়ে আমি আলোচনা কৰি আছো তাৰ লগত কাৰো তুলনা নহয় বা এনে গুণাৱলীৰ অধিকাৰীও হ'ব নোৱাৰি। এই সকলো মাথোন তেওঁতেই প্ৰজোজ্য আন কাৰো ক্ষেত্ৰত নহয়। আমি তেওঁৰ ৰাজদূত আৰু নবী সকলতকৈ জ্ঞানী, নম্ৰ, উৎসাহী, ধৈৰ্য্যশীল, ধাৰ্ম্মিক ক্ষমা ইত্যাদি ক্ষেত্ৰত উচ্চ স্তৰত আছো বুলি তেওঁ জনাইছে।

ই গ্ৰহণযোগ্য যে যেতিয়ালৈকে ইঞ্জিলত ঈছা মছীহৰ জীৱনী অধ্যায়ন

জ্ঞানবান লোকে বুজি পায় যে পাপৰ পৰা নাজাত আৰু অনন্ত শাওঁ ইত্যাদি বিষয়বোৰ সাম্প্ৰদায়িকত মনোভাৱৰ পৰা বহু উৰ্দ্ধত অৱস্থান কৰে। ইয়াৰ তাৎপৰ্য্য ব্যক্তি বিশেষে বা জাতি বা গোট বিশেষে নহয়, সদায় সকলো সময়তে ইয়াৰ তাৎপৰ্য্য একেই। এই নূৰৰ সংজ্ঞা আত্মিক নূৰৰ বিষয়তহে প্ৰাকৃতিক নূৰৰ লগত ৰজিতা খোৱাই উল্লেখ কৰা হৈছে। উল্লেখযোগ্য যে বেলেগ বেলেগ নূৰে ইয়াৰ অনন্তকলীয়া গুণৰ কোনো সাল সলনি নঘটায়।

যিহেতু আল্লাহে আটাই মানুহক অনন্ত মৃত্যুৰ পৰা ৰক্ষা কৰিবলৈ এজনা মনুষ্যক দান কৰিছে, গতিকে তেওঁ ইহুদী বা মুছলমান বা মছীহি বা অন্যান্য সকলোলৈকে ত্ৰাণকৰ্ত্তা হৈছে। প্ৰশ্নটো হৈছে আল্লাহে যাক নাজাতদাতাৰূপে মনোনীত কৰিলে সেইজনা কোন? এইটোৱেই সকলোবোৰ ধৰ্মৰ বাবেই আটাইতকৈ প্ৰয়োজনীয় বিষয়। উত্তৰ কিন্তু সকলোলৈকে একেটাই।

কিতাবীসকলে সৰ্ব্বান্তকৰণেৰে বিশ্বাস কৰে যে আল্লাহ এজনা মাত্ৰ, গতিকে আল্লাহে যাক স্বৰ্গীয় প্ৰতিনিধিস্বৰূপে আৰু আটাই মানুহৰ নাজাতদাতাৰূপে মনোনীত কৰিলে, সেইজনক গ্ৰহণ কৰাটো সকলোৰে বাবেই আৱশ্যকীয় কৰ্ত্তব্য। এই সহ-মত অতিকৈ প্ৰয়োজনীয়। এই মনোনীত প্ৰতিনিধিজনাৰ ওপৰতেই সৰ্ব্বশক্তিমান জনাৰ ইচ্ছাপ্ৰকাশ হৈছে। নিৰ্ম্মল আকাশ আৰু ইয়াতেই আল্লাহৰ মানুহক পাপৰ পৰা নাজাত কৰাৰ স্বৰ্গীয় পৰিকল্পনা নিহিত হৈ আছে। ইয়াতেই কেনেকৈনো অনন্ত বিচাৰ আৰু অনন্ত শাস্তিৰ পৰা ৰক্ষা পাব পাৰি তাৰ উপায় নিহিত হৈ আছে। কেৱল এইজনা প্ৰতিনিধিয়েই তেওঁৰ ব্যক্তিগত ও অনুমোদিত স্তৰত মানুহক আল্লাহৰ প্ৰকাশ দেখুৱাবলৈ সমৰ্থ। মানুহৰ পাপৰ মুক্তিৰ বাবে পঠোৱা এইজনা একমাত্ৰ প্ৰতিনিধিনো কোন?

এই সকলো গুণসম্পন্ন ব্যক্তি মৰিয়মৰ পুত্ৰ ঈছা মছীহ যাক খ্ৰীষ্ট (অভিষিক্ত বা মনোনীত জনা) ৰূপে ইঞ্জিলত উল্লেখ আছে। যিসকলে সততা আৰু মুকলি মনেৰে এই ব্যক্তিজনৰ পৰা পাপ আৰু তাৰ পৰিনামৰ পৰা মুক্ত হ'ব বিচাৰে, তেওঁলোকে মহা আনন্দৰ ভাগী হ'ব পাৰে।

বিজ্ঞানে আমাক কয় যে যেতিয়া সূৰ্য্যৰ ৰশ্মি কোনো এক ত্ৰিকোনীয়া গোটা কাঁচৰ বস্তুৰ ওপৰত পৰে, তেতিয়া ইয়াৰ পৰা সাতোটা ৰং বিচ্ছুৰিত হয়। যেতিয়া বৰষুণৰ টোপালত সূৰ্য্যৰ পোহৰ পৰে তেতিয়া আমি ৰামধেনু





মছীহিসকলে ইঞ্জিল ও তৌৰাতক অতিকৈ সন্মান কৰে। তেওঁলোকে আদি শাস্ত্ৰক আখৰে আখৰে সত্য বুলি মানে আৰু সেইকাৰণেই কিতাবুল মোকাদ্দছৰ প্ৰথম খণ্ডতেই ইয়াক সন্নিবিষ্ট কৰা হৈছে। তৌৰাতক মছীহিসকলে ইঞ্জিলৰ সমানেই আদৰ সন্মান কৰে, কিয়নো তৌৰাতেই ইঞ্জিলৰ ভিত্তিমূল। তৌৰাত আৰু ইঞ্জিল মিলি এখন কিতাপ হৈছে, দুখন নহয়। প্ৰথমখন দ্বিতীয়খনৰ বিনে অসম্পূৰ্ণ আৰু দ্বিতীয়খন প্ৰথমখনৰ বিনে বুনিয়াদ বিহীন। তৌৰাত আৰু ইঞ্জিলৰ মাজত আল্লাহৰ প্ৰতিজ্ঞা সম্পৰ্কে, প্ৰতীক আৰু নবীসকলৰ বাণী অনন্তকলীয়া আৰু অপৰিহাৰ্য্য, কিয়নো এই সকলোৱেই শুভবাৰ্ত্তাত পৰিপূৰ্ণতা ও সম্পূৰ্ণতা লাভ কৰিছে। গতিকে এতিয়া আমি ইয়াকে ঠিৰাং কৰিছো যে এই দুয়ো দুয়োৰে পৰিপূৰক।

তৌৰাত কেৱল ইহুদী সকলৰ বাবেই নহয়, সেইদৰে ইঞ্জিলও কেৱল মছীহি সকলৰ বাবে নহয়। দুয়োখনেই পৃথিৱীৰ আটাই মানব জাতিলৈ আল্লাহ প্ৰদত্ত। কিয়নো আল্লাহে সকলোকে প্ৰেম কৰে আৰু সকলোকে কোনো পক্ষপাতিত্ব নকৰাকৈ উত্তম দ্ৰব্য দিবলৈ ইচ্ছা কৰে। আমি উল্লেখ কৰা প্ৰমাণ সমূহৰ দ্বাৰাই মুকলি মনেৰে চিন্তা কৰা মুছলিম বন্ধু সকলক কব খোজো যে তেওঁলোকে কোৱাৰ দৰে কোৰাণ শ্বৰীফ, তৌৰাত আৰু শুভবাৰ্ত্তাৰ পৰিপূৰক নহয় কাৰণ তাৰ কোনো প্ৰমাণ পোৱা নাযায়। এই কথাতো কেৱল অনুমানিকহে, কোনো সত্যৰ ওপৰত আধাৰিত নহয় আৰু বোধকৰো যুক্তি-তৰ্কৰ খাতিৰতহে ইয়াক উদ্ভাবন কৰা হৈছে।

বহুতো মুছলমান ভাইৰ এনেধৰণৰ ধাৰণা বা চিন্তা আছে। তেখেতসকলে ক'ব খোজে যে বৰ্ত্তমানৰ তৌৰাত আৰু ইঞ্জিল দুয়োখনেই সেই মূল তৌৰাত ও ইঞ্জিল নহয় বাবেই মুছলমানে ইয়াক গ্ৰহণ নকৰে। তেওঁলোকে দাবী কৰে যে আচল, আদি শাস্ত্ৰ কেইখন কেতিয়াবাই ধ্বংস হ'ল বা হেৰাই গ'ল। এই ধাৰণা সত্যই হওঁক বা যি কি নহওক ই মছীহি আৰু মুছলমান দুয়ো পক্ষকে সাঙোৰে। এই বিষয়ে অনুসন্ধান কৰিবলৈ এই দুয়ো পক্ষৰে এক দায়িত্ব আছে যাতে সত্যৰ সন্ধানত সততাৰে আগবঢ়া যায়।

প্ৰথমতেই কথা হ'ল যে যিকোনোৱে বৰ্ত্তমানৰ প্ৰচলিত দুখন শাস্ত্ৰৰ বিষয়ে এনেদৰে কয় তেওঁ যথেষ্ট প্ৰমাণ দিয়াৰ দ্বাৰাই ইয়াক সাব্যস্ত কৰিব

লাগিব, যিহেতু উল্লেখিত শাস্ত্র দুখন আল্লাহৰ নিশ্বাসিত কালাম। তেওঁ নিশ্চয়েই আদি শাস্ত্রৰ লগত বৰ্ত্তমানখনৰ (শাস্ত্রৰ) ক'ত অমিল আছে তাক আঙুলিয়াই দিব লাগে। যদি তেওঁ দাবী কৰে যে প্ৰকৃত শাস্ত্রৰ অৰ্থ বেলেগ কৰা হৈছে বা জাল কৰা হৈছে, তেনেহলে তেওঁ অব্যৰ্থ প্ৰমাণৰ দ্বাৰাই ইয়াকে প্ৰতিষ্ঠিত কৰক, নহলে তেওঁৰ দাবী ভিত্তিহীন বুলিহে কোৱা যাব। এনে লোকক এনেজনৰ লগত তুলনা কৰিব পাৰি যিজনে আন এজনক কোনো প্ৰমাণ নোহোৱাকৈ দোষী সাব্যস্ত কৰিব খোজে অথচ উপযুক্ত প্ৰমাণৰ অভাৱত দোষী বুলি কোৱাজনৰ বিৰুদ্ধে থকা গোচৰ উঠাই লয়।

তৌৰাতৰ বিষয়ে ইহুদীসকলে প্ৰমাণেৰে সৈতে দাবী কৰে যে তেওঁলোকৰ শাস্ত্ৰখন লিখাৰ দিনৰে পৰা এনেভাবে চোকা নজৰত ৰখা হৈছে যে তাৰ এটিও 'ই'কাৰ বা 'অ'কাৰৰ পৰিবৰ্ত্তন হোৱা নাই। তেওঁলোকে কয় যে তেওঁলোকৰ এনে সজাগতা, মুছলমান সকলে কোৰাণক নিৰ্ভেজাল কৰি ৰাখিবলৈ লোৱা প্ৰয়াসতকৈ অনেক উত্তম। ইহুদী সকলৰ পৱিত্ৰ নগৰ ধ্বংস হ'ল, পৱিত্ৰ মন্দিৰ ধ্বংস হ'ল, গোটেই জাতিটো ২০০০ বছৰৰ বাবে পৃথিবীৰ পৰা নানান দেশলৈ সিঁচৰিত হৈ গ'ল, কিন্তু তেওঁলোকৰ শাস্ত্ৰখন যুগ যুগ ধৰি কোনো সাল-সলনি নোহোৱাকৈ একেই হৈ আছে। এই কথা পৃথিবীৰ ইতিহাসৰ এক মহান ও আচঁৰিত কথা।

মন কৰিবলগীয়া কথা যে মছীহিসকলে ইহুদী সকলৰ এই তৌৰাতক যেনেদৰে আছে, তেনেদৰেই সত্য সাব্যস্ত কৰি গ্ৰহণ কৰিছে। ইহুদী ও মছীহি সকলৰ মাজত বহুতো বিভেদ আছে। সম্ভৱ হোৱা হ'লে মছীহি সকলে তৌৰাতক নাকচ কৰিলে হয়, কিন্তু ই সম্ভৱ নহয়।

এই কথা সকলোৰে জ্ঞাত যে যেতিয়া ইহুদীসকল গৌৰৱ ও মৰ্য্যদাৰ উচ্চ শিখৰত অৱস্থান কৰিছিল, তেতিয়া মছীহিসকলক অতিশয় অত্যাচাৰ কৰিছিল। এনে অত্যাচাৰ চূড়ান্ত হৈছিল যেতিয়া ঈছা মছীহ ইহুদীসকলে ক্ৰুচত (সলীব) দিছিল। তাৰ পাছতো ঈছা মছীহৰ শিষ্যসকলক ইহুদীসকলে নানান যাতনা, তাড়না কৰি বধ কৰি হাৰাশাস্তি কৰিছিল।

ইহুদীসকলে এনে কাৰ্য্য কৰা নাই বুলি নকয়, বৰঞ্চ এনে কাৰ্য্য কৰাৰ বাবে গৰ্ব্বহে কৰে। সময়ৰ চকৰি যেতিয়া ঘূৰিল আৰু মছীহিসকলৰ হাতলৈ





মছীহিয়াত সম্বন্ধে এক নিৰপেক্ষ বিচাৰ কৰিব পাৰে।

ইতিপূৰ্বে যিমানবোৰ লিখা হ'ল সেইবোৰ ঈছা মছীহে কোৱা "ময়েই জগতৰ নূৰ" বোলা কালামৰ সত্যতা পৰীক্ষা কৰিবলৈহে লিখা হ'ল।

আমি যি ইঞ্জিল পাইছো তাক কোৰাণে প্ৰতিপন্ন কৰাৰ পাছত, এই কালাম যিজন মহান ৰছুলৰ মুখত উচ্চাৰিত হ'ল, সেয়ে মুছলিম সকলৰ বাবেও সিদ্ধ হ'ল। যেনেকৈ সূৰ্য্যৰ পোহৰ পৃথিৱীৰ সকলো মানুহৰ বাবেই, পক্ষপাতহীন তেনেকৈ ঐশ্বৰিক সত্য পোহৰে সকলোকে সামৰি লয়।

ঈছা মছীহই যেতিয়া জিৰোজালেম নগৰৰ প্ৰধান মন্দিৰত শিক্ষা দি আছিল, সেই সময়ত ঈছা মছীহে কৈছিল "ময়েই জগতৰ নূৰ"। এই কথাষাৰ বৰ সহজে গ্ৰহণীয় বা মানি লব পৰা বিধৰ নাছিল আৰু শুনোতাসকলেও এই কথাক অস্বীকাৰ কৰিছিল। এই কথাষাৰ মানি লোৱা বা নোলোৱাটো নিৰ্ভৰ কৰিব যিজনে কথাষাৰ কৈছে তেওঁক বিশ্বাস কৰা নকৰাৰ ওপৰতহে।

যদি এজন অচিনাকী মানুহ বজাৰৰ মাজত ওলাই কয় "মই পৃথিৱীৰ আটাইতকৈ শক্তিশালী দেশখনৰ শাসন কৰ্ত্তা", তেতিয়া শুনোতাবিলাকে তেওঁৰ বিষয়ে কি ভাবিব বাৰু? হয়তো (ক) তেওঁ এজন ৰসিক মানুহ বুলি তেওঁৰ কথা উলাই কৰিব, (খ) অযুক্তিপূৰ্ণ কথাৰে এক পাগল প্ৰকৃতিৰ লোক জ্ঞান কৰি তেওঁৰ পৰা আঁতৰি থাকিব বা (গ) সঁচা বুলি তেওঁৰ কথা গ্ৰহণ কৰি শুনোতাসকলে তেওঁক যোগ্য সন্মান যাচিব।

এজন প্ৰকৃত মুছলমানে নিশ্চয় মৰিয়ম পুত্ৰ ঈছা মছীহক এজন ধেমেলীয়া নিৰ্বোধ বা ঠগ ব্যক্তি জ্ঞান নকৰে। গতিকে তেওঁ যে কৈছে, "ময়েই জগতৰ নূৰ" এই কথাত সত্যতা আছে। যদিহে এনে উদ্ধৃতি ইঞ্জিলত এবাৰহে উল্লেখ থাকিলেহেঁতেন হয়, তেনেহ'লে সন্দেহৰ অৱকাশ থাকিলহেঁতেন যে কেনেবাকৈ ভুলতে কালামশাৰী ইঞ্জিলত সোমাই পৰিল। কিন্তু এই মহান ৰছুলজনৰ বিষয়ে ইঞ্জিলতে উল্লেখ থকা আন আন দাবী সমূহৰ লগত মিলি যোৱাহে দেখা গৈছে। তেওঁৰ জীৱন কালত পৃথিৱীৰ মানুহসকলৰ লগত উঠা বহা কৰোতে তেওঁৰ যি স্থান সেয়ে ঈছা মছীহ যে "নূৰ" তাকে প্ৰতিপন্ন কৰিছে। তেওঁ মুছলিম সকলৰ বাবেও "নূৰ"- কথাষাৰ অতি মূল্যবান, কিয়নো ইয়াৰে সৈতে মানুহৰ নাজাতৰ কথা জড়িত হৈ আছে। এজন

বিশ্বাসতে শাস্ত্ৰৰ কথাত নিজকে সীমিত কৰি ৰাখিবলৈ আমি অনুৰোধ কৰাৰ অধিকাৰ আছে। এনে কৰিলে বিভেদ জন্মোৱা বহুবোৰ ডাঙৰ ডাঙৰ ধৰ্মীয় বিভেদৰ অৱসান ঘটিব। এনেবোৰ বিভেদ, আল্লাহৰ প্ৰকৃত কালামৰ সৈতে মানুহে নিজৰ চিন্তাধাৰণাক সংযোগ কৰাৰ ফলত উৎপন্ন হয়। আমি মাথোন এনে একোটাকৈ সংযোজনৰ বিষয়ে উল্লেখ কৰিয়েই ক্ষান্ত থাকিম। মুছলমানসকলে মছীহিসকলৰ মুখত নাইবা মছীহি সাহিত্যত উল্লেখ থকা শুনিব পাৰে যে, ঈছা মছীহৰ মাক মৰিয়মক “উপাসনাৰ মাতৃ” বা “আল্লাহৰ মাতৃ” (Mother of God) বুলি কোৱা কথাবোৰ গ্ৰহণ কৰিবলৈ বৰ কষ্ট পায়। যদি এনেদৰেই মছীহিসকলৰ শাস্ত্ৰত উল্লেখ থাকিলেহেঁতেনে, তেনেহ'লে এনে কথা গ্ৰহণ কৰাৰ বাহিৰে কোনো গত্যন্তৰ নাথাকিলেহেঁতেন।

কিন্তু ইয়াৰ যিহেতু কোনো বুনিয়াদ নাই সেয়েহে ইয়াৰ ব্যৱহাৰ বৰ্জনীয়। কিয়নো ঈছা মছীহ মানব সন্তান হোৱাৰ সময়তেই আল্লাহৰ ৰূহানী সন্তান হয়। ঈছা মছীহ পাৰ্থিব অৰ্থতহে মৰিয়মৰ পুত্ৰ। ঈছা মছীহৰ ৰূহানী স্বত্বাৰে সৈতে মৰিয়মৰ কোনো সম্বন্ধ নাই।

অন্যহাতেদি মুছলিম সকলে কোৱা বা তেওঁলোকৰ কিতাপবোৰত উল্লেখ থকাৰ দৰে, নবী-ৰছুলসকলৰ জীৱন ধাৰণ যে সম্পূৰ্ণৰূপে শুদ্ধ বা পাপহীন আছিল তাক মছীহিসকলে মানি লব নোখোজে। এয়ে সত্য হ'লে তৌৰাত আৰু ইঞ্জিলক একেবাৰে অস্বীকাৰ কৰা হ'ব। আল-কোৰাণতো নবীসকলৰ (এনেকি হজৰত মহম্মদৰো) পাপ থকা কথাটো উল্লেখ আছে। সমিলমিলৰ বাবে আটাইতকৈ শুদ্ধ উপায় হ'ল আল্লাহৰ কালামৰ লগত মানুহে নিজৰ কালামৰ সংযোজন নঘটাই আল্লাহ প্ৰদত্ত পুথিকলৈয়ে সন্তুষ্ট থাকিব লাগে।

কোৰাণ অনুসাৰে এজন প্ৰকৃত মুছলমানে কি ধৰণেৰে কয় বা চিন্তা কৰে তাক পৰ্য্যালোচনা কৰাৰ পাছত প্ৰশ্ন হয়, এজন প্ৰকৃত মছীহি বিশ্বাসীয়েনো তেওঁৰ ইঞ্জিলৰ যোগেদি কি কয়? প্ৰথমতে এজন প্ৰকৃত মুছলমানেনো তেওঁৰ কোৰাণৰূপ বাগিছাৰ পৰা ঈছা মছীহৰ কেনে উচ্চ স্থান আছে আৰু ঈছা মছীহৰ ইঞ্জিল ও ইয়াৰ শিক্ষাৰ বিষয়ে কোৰাণত কেনে আলোচনা আছে তাৰ পৰ্য্যালোচনা কৰা হ'ল। এজন প্ৰকৃত মছীহি বিশ্বাসীয়ে ইঞ্জিলৰ পৰা উত্তম বিষয়সমূহ এজন মুছলমানক কব যাতে তেওঁ





ক্ষমতা আহিল, তেতিয়া তেওঁলোকে বাৰে বাৰে ইহুদী সকলক তাড়না কৰি প্ৰতি শোধ ললে। মধ্য আৰু পূব ইউৰোপত বহু হেজাৰ ইহুদীক কৰা হত্যাই দুয়োপক্ষৰ মাজত থকা ঘৃণাৰ প্ৰমাণ। এনেকাৰ্য্য প্ৰায় দুহেজাৰ বছৰে চলিল।

তেনেহ'লে কি কোৱা যায়? সম্ভৱ হলে ইহুদীসকলৰ শাস্ত্ৰখনক আচলখন নহয় বুলি মছীহিসকলে নকলেহেঁতেন নে? তৌৰাতখন মিছা হোৱা হলে মছীহিসকলে ইঞ্জিল শ্বৰীফৰ সমানেই পবিত্ৰ পুথি স্বৰূপে (তৌৰাতক) গ্ৰহণ কৰিলেহেঁতেন। তেওঁলোকে তৌৰাতখন দৈনন্দিন ধ্যানৰ বাবে, অন্যান্য লিখনিৰ বাবে, পবিত্ৰতাৰে গ্ৰহণ কৰে। মছীহিসকলে তৌৰাতক পবিত্ৰ স্থানত, শিক্ষা অনুষ্ঠানবোৰত আৰু নিজ নিজ পৰিয়ালত উচ্চ স্থান দিয়ে। মছীহিসকলে এই শাস্ত্ৰখন বাৰে বাৰে ছপা কৰি গোটেই পৃথিৱীতে বিতৰণ কৰিবলৈ বছৰি বহু কোটি টকা খৰছ কৰে, যদিওবা এই শাস্ত্ৰখন তেওঁলোকৰ বিৰুধী পক্ষৰ হয়। ইয়াতে এক তাৎপৰ্য্যপুৰ্ণ শিক্ষা লাভ কৰা যায় যে ই ইতিহাসৰ এক আশ্চৰ্য্য কথা আৰু এয়ে এক গুৰুত্বপূৰ্ণ প্ৰমাণ যে তৌৰাতৰ কোনো দূষিত কৰণ হোৱা নাই।

বৰ্ত্তমানৰ পণ্ডিতসকলে দাবী কৰে যে বৰ্তমানৰ তৌৰাত আৰু ইঞ্জিলৰ যিমানবোৰ পুৰণি পাণ্ডুলিপি আছে, সেই সকলোবোৰৰ মাজত কোনো প্ৰভেদ নাই। এই সকলো ইছলামৰ আগমনৰ শ শ বছৰৰ পূৰ্ব্বেই ৰচিত। ইছলাম ধৰ্ম্ম প্ৰবৰ্ত্তনৰ পাছতো তৌৰাত আৰু ইঞ্জিলৰ আদি পুথিৰ কোনো সাল-সলনি ঘটাই ব্যৱহাৰ কৰা হোৱা নাই। যদিহে ঈছা মছীহৰ আগমনৰ পাছত আৰু ইছলামৰ প্ৰবৰ্ত্তনৰ পূৰ্বেই ইঞ্জিলৰ কোনো সাল-সলনি ঘটোৱা হ'লহেতেন তেতিয়া কোৰাণে ইয়াৰ পক্ষে সাক্ষ্য নিদি প্ৰতিবাদহে কৰিলেহেঁতেন। ইছলাম ধৰ্ম্ম প্ৰবৰ্ত্তন কৰাৰ পাছত যদিহে কোনো নতুন বিষয় ইঞ্জিলত প্ৰয়োগ কৰা হ'লহেঁতেন, তেনেহ'লে পুৰণি পাণ্ডুলিপিৰ উল্লেখ কৰি প্ৰমাণ দাঙি ধৰিব পাৰে।

ধৰাহওঁক, কোনোবাই যদি দাবী কৰে যে বৰ্তমানৰ যি কোৰাণ আছে সেই কোৰাণ পূৰ্বৰ কোৰাণখন নহয়। তেনেহ'লে কেনেকৈনো মুছলিম সকলৰ বিভিন্ন গোটবোৰ যেনে— চিয়া, চুন্নী আৰু অন্যান্যসকলে এই একেখন কোৰাণকে গ্ৰহণ কৰিব পাৰিছে? একে বাবেই তেওঁলোকে সেইখনক সন্মান

কৰে। যদিহে একে নহলহেঁতেন, তেন্তে মুছলমানসকলৰ একো একোটা গোটে বেলেগ বেলেগ কোৰাণ লৈ নিজৰখনকে প্ৰকৃত বা আচল বুলি দাবী কৰিলেহেঁতেন। কিন্তু বাস্তৱত তেনেকুৱা হোৱা নাই, কাৰণ এই কোৰাণখনৰ কোনো পৰিবৰ্ত্তন হোৱা নাই। তেনদৰে কিতাবুল মোকাদ্দছৰো কোনো পৰিবৰ্ত্তন বোৱা নাই।

মন কৰিবলগীয়া যে আল্লাহৰ তত্বাবধানত বিজ্ঞ পণ্ডিতসকলে আবিস্কাৰ কৰিলে যে যিবোৰ পুৰণি ইব্ৰী আৰু গ্ৰীক ভাষাৰ পাণ্ডুলিপিৰ আখৰ লিখাৰ ঠাঁচ সেই সকলোৱে প্ৰমাণ কৰে যে এইবোৰ মুছলিম সকলৰ আবিৰ্ভাৱৰ বহু পূৰ্বেই লিখা। যেতিয়া এই পুৰণি পাণ্ডুলিপিবোৰ সাৱধানেৰে ৰিজাই চোৱা হৈছিল তেতিয়া দেখা গ'ল যে বৰ্তমানৰ তৌৰাত আৰু ইঞ্জিলৰ লগত মূলত কোনো পৰিবৰ্ত্তন ঘটোৱা হোৱা নাই। অন্যান্য কিছুমান লিখনি আৰু বাখ্যাৰ মাজতো তৌৰাত আৰু ইঞ্জিলৰ ইমানবোৰ উল্লেখ পোৱা যায় যে, পণ্ডিত সকলৰ মতে, যদিও আদি তৌৰাত ও ইঞ্জিল হেৰাইও গ'লহেতেন, তেতিয়াও এনে অনেক লিখনি আৰু ব্যাখ্যামূলক ৰচনাবোৰৰ পৰাই তৌৰাত ও ইঞ্জিলক পুনৰ গঠন কৰিব পৰা গ'লহেঁতেন।

বৰ্ত্তমান যিখন ইঞ্জিল মছীহিসকলে মানি চলে, তাৰ অখণ্ডতাৰ কথা এইবোৰেই প্ৰমাণ কৰে। তেওঁলোকৰ নানা গোটবোৰৰ মাজত অনেক বৰ্বৰ আৰু ৰক্তাক্ত সংঘৰ্ষবোৰৰ পাছতো তেওঁলোকৰ শুভবাৰ্ত্তখনৰ ক্ষেত্ৰত কোনো দ্বিমত নথকাটোৱেই তেওঁলোকৰ শাস্ত্ৰৰ অভিন্নতাৰ কথা প্ৰকাশ কৰে। তেওঁলোকৰ মাজত ইঞ্জিলত উল্লেখ থকা কিছুমান কথাৰ ওপৰত দিয়া নিজ নিজ ব্যাখ্যাক লৈহে মতভেদৰ সৃষ্টি হৈছিল। এইবোৰ মাত্ৰ কেইটিমান সাধাৰণ আয়াত লৈহে সৃষ্ট। এইবোৰ ইঞ্জিলৰ অখণ্ডতাৰ ওপৰত কোনো প্ৰভাৱ নেপেলায়। মছীহি সকলে যুগ যুগ ধৰি সেই একেখন শাস্ত্ৰকেই পালন কৰি আহিছে।

আহক, এতিয়া আমি আগেয়ে উল্লেখ কৰাৰ দৰে তৌৰাত আৰু ইঞ্জিলৰ মূল বিষয়ৰ একাত্মতাৰ বিষয়ে আলোচনা কৰি ইয়াক প্ৰতিপন্ন কৰোহঁক। এজন মুছলিমে তৌৰাত অধ্যয়ন কৰোতে নিশ্চয়েই তাত এক নতুন যুগৰ সম্ভাৱনীয়তাৰ বিষয়ে জ্ঞান লভে। ইহুদী ও মছীহি সকলোৱেই স্বীকাৰ কৰে





যে ইঞ্জিল পুথিখন, ইতিপূৰ্ব্বে প্ৰকাশিত শাস্ত্ৰৰ সম্পূৰ্ণ পৰিপূৰক আৰু ই সত্য প্ৰতিপন্ন কৰে যাক সলনি কৰা সম্ভৱ নহয়। ইয়াক কৰা নামাকৰণ "ইঞ্জিল শ্বৰীফ"এ ইয়াৰ সম্বন্ধ ' তৌৰাত শ্বৰীফ'ৰ লগত ঘনিষ্ঠতা থকাৰেই ইঙ্গিত দিয়ে। নিভাজ হোৱা বাবেহে বিজ্ঞ মছীহিসকলে ইঞ্জিলক সন্মান ও ভক্তি কৰে। তেওঁলোকে ইয়াৰ উৎপত্তি আৰু শুদ্ধতাৰ বিষয়ত অতিকৈ সজাগ। জ্ঞানী জনে জানে যে মিছলীয়া জনৰ উপযুক্ত শাস্তি হ'বই, গতিকে তেওঁ কেতিয়াও মিছাৰ আশ্ৰয় লববৈ সন্মত নহ'ব। যিসকলে মিছাক সাবটি ধৰি থাকে তেনেলোকক আল্লাহে পৰকালত কঠোৰ শাস্তি দিব বুলি মছীহিসকলে ভালদৰে বিশ্বাস কৰে।

বোধ শক্তি থকা সকলে জানে যে বিদগ্ধ পণ্ডিতসকলে কিমান যতন কৰি, বৈজ্ঞানিক পদ্ধতিৰে বিশ্লেষণ কৰি ইঞ্জিল পুথিখন আৰু ইয়াৰ সম্বন্ধীয় বিষয়ৰ সত্যতা প্ৰতিপন্ন কৰিছে। এনেধৰণৰ অনুসন্ধানকাৰীৰ বহুতে ইঞ্জিলৰ শিক্ষা সকল প্ৰত্যাখান কৰি সম্ভৱ হ'লে বৈজ্ঞানিক বিশ্লেষণেৰে মিছা বুলি প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰিছিল। আনবিলাকে, ইঞ্জিল পুথিখনক সত্য বুলি বিশ্বাস ৰাখি অনুসন্ধানৰ সময়ত তেওঁলোকৰ আটাই পক্ষপাতমূলক ধাৰণাৰ পৰা নিজকে মুক্ত ৰাখিবলৈ যত্ন কৰিছিল যাতে তেওঁলোকৰ সত্যৰ সন্ধান পক্ষাতহীন হয়। দুয়োটা শিবিৰেই একেটি লক্ষ্য সত্যৰ অনুসন্ধান কৰা, যদিওবা তেওঁলোকৰ ব্যক্তিগত উদ্দেশ্য ভিন্ন। তেওঁসকলৰ দুয়ো পক্ষৰ অনুসন্ধানে প্ৰমাণ কৰিলে যে বৰ্ত্তমানৰ ইঞ্জিল, ঈছা মছীহৰ শিষ্যসকল আৰু তেওঁলোকৰ সমসাময়িক সকলৰ দ্বাৰায়েই কিতাপৰ নাম অনুসাৰে লিখা হৈছিল। যথেষ্ট প্ৰমাণ পোৱা গ'ল যে বৰ্ত্তমানৰ তৌৰাত আৰু ইঞ্জিল শাস্ত্ৰ পুথি কেইখনৰ কোনো জাল বা অৰ্থান্তৰ কৰণ হোৱা নাই নাইবা তাৰ কোনো পৰিবৰ্ত্তন সধা হোৱা নাই। কোৰাণেও এনেদৰেই ইয়াক গ্ৰহণ কৰে।

এক মুকলি ও সাৰ্থক আলোচনা হ'বলৈ হ'লে আৰম্ভণিতে বিপক্ষ জনৰ দাবী যেনেকুৱাই নহওক তাক সাময়িক ভাবে গ্ৰহণ কৰি লোৱা হয়, যাতে আলোচনাৰ যতি নপৰে। সেয়ে আমি আৰম্ভণিতে মুছলিমসকলে দাবী কৰাৰ দৰে কোৰাণখন আল্লাহৰ নিস্বাসিত কালাম বুলি কওঁতে অসত্য বুলি কোৱা নাছিলো। মছীহি ও মুছলমানসকলৰ উভয়কে তেওঁলোকৰ নিজ নিজ ধৰ্মীয়

## কোনে মোক ঈছা মছীহৰ মহব্বতৰ পৰা পৃথক কৰিব পাৰে ?

ক্লেশ বা সঙ্কট, তাড়না বা আকাল,
বস্ত্ৰহীনতা বা প্ৰাণ-সংশয় বা তৰোৱাল-
এইবোৰে পাৰেনে ? পাক কালামত আছে,
"আমি তোমাৰ বাবে ওৰে দিনটো হত হবই
লাগিছো, কাটিবলৈ নিয়া দুম্বাৰ দৰে
আমি গণিত হ'লো।

তথাপিও এই সকলোবোৰ বিষয়ত,

আমাক মহব্বত কৰা জনাৰ দ্বাৰাই আমি জয়যুক্ত হৈছো।"

ৰোমীয়া ৮:৩৫-৩৭

# জগতৰ পোহৰ



জৰ্জ ফৰ্ড